সত্যমেৱ জয়তে

## অসম চৰকাৰ

# বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ
# ২০১২ - ১৩


### শ্ৰী তৰুণ গগৈ
মুখ্যমন্ত্ৰী, অসম


১২ মাৰ্চ, ২০১২

## সূচীপত্ৰ


| ক্ৰমিক নং | | পৃষ্ঠা নং |
|---|---|---|
| ১। | অৰ্থনৈতিক বাতাবৰণ | ১ |
| ২। | ৰাজ্যিক বিত্ত | ৩ |
| ৩। | একত্ৰিত নিক্ষেপ পুঁজি | ৫ |
| ৪। | অসম বিত্তীয় নিগম | ৬ |
| ৫। | চতুৰ্থ অসম ৰাজ্যিক বিত্ত নিগম | ৭ |
| ৬। | বহিঃ সাহায্য প্ৰাপ্ত প্ৰকল্প | ৮ |
| ৭। | প্ৰতিষ্ঠানিক বিত্ত | ১০ |
| ৮। | বাৰ্ষিক পৰিকল্পনা | ১১ |
| ৯। | মূল্য বৃদ্ধি, অসামৰিক যোগান | ১২ |
| ১০। | আভ্যন্তৰীণ নিৰাপত্তা | ১৪ |
| ১১। | মুক্তি যোদ্ধা | ১৭ |
| ১২। | ন্যায়িক আৰু বিধায়িনী | ১৭ |
| ১৩। | সীমান্ত অঞ্চল | ১৮ |
| ১৪। | অসম চুক্তি | ১৯ |
| ১৫। | অনুসূচীত জাতি, জনজাতি | ১৯ |
| ১৬। | স্বায়ত্ব শাসিত আৰু উন্নয়ন পৰিষদ | ২০ |
| ১৭। | পাৰ্বত্য অঞ্চল | ২১ |
| ১৮। | সংখ্যালঘু উন্নয়ন | ২২ |
| ১৯। | চাহ জনজাতি | ২৮ |
| ২০। | শিক্ষা | ২৮ |
| ২১। | ক্ৰীড়া আৰু যুৱকল্যাণ | ২৯ |
| ২২। | কলা আৰু সংস্কৃতি | ৩০ |
| ২৩। | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ৩১ |
| ২৪। | জনস্বাস্থ্য | ৩৪ |
| ২৫। | সমাজ কল্যাণ | ৩৫ |
| ২৬। | কৃষি | ৩৭ |
| ২৭। | জল সিঞ্চন | ৪০ |
| ২৮। | পশুপালন | ৪১ |
| ২৯। | মীন | ৪২ |

| ক্ৰমিক নং | | পৃষ্ঠা নং |
|---|---|---|
| ৩০। | পঞ্চায়ত ও গ্ৰামোন্নয়ন | ৪৪ |
| ৩১। | সমবায় | ৪৬ |
| ৩২। | জল সম্পদ | ৪৮ |
| ৩৩। | ভূমি সংৰক্ষণ | ৫০ |
| ৩৪। | গড়কাপ্তানি | ৫১ |
| ৩৫। | শক্তি | ৫৩ |
| ৩৬। | খনি | ৫৬ |
| ৩৭। | নিয়োগ | ৫৭ |
| ৩৮। | উদ্যোগ আৰু বাণিজ্য | ৫৮ |
| ৩৯। | হস্ততাঁত, বস্ত্ৰ ও ৰেচম | ৬০ |
| ৪০। | তথ্য ও প্ৰযুক্তি | ৬৩ |
| ৪১। | বিজ্ঞান ও প্ৰযুক্তি | ৬৪ |
| ৪২। | নগৰ উন্নয়ন | ৬৫ |
| ৪৩। | গুৱাহাটী উন্নয়ন | ৬৬ |
| ৪৪। | পৰিবেশ ও বন | ৬৮ |
| ৪৫। | পৰ্যটন | ৬৯ |
| ৪৬। | পৰিবহন | ৭১ |
| ৪৭। | সাধাৰণ প্ৰশাসন | ৭২ |
| ৪৮। | পেঞ্চন ও ৰাজহুৱা অভিযোগ | ৭৩ |
| ৪৯। | তথ্য ও জনসংযোগ | ৭৩ |
| ৫০। | দূৰ্যোগ ব্যৱস্থাপনা | ৭৪ |
| ৫১। | ৰাজহ সংস্কাৰ | ৭৬ |
| ৫২। | ৰাজহুৱা প্ৰতিষ্ঠান | ৭৭ |
| ৫৩-৫৫ | নতুন আঁচনি | ৭৭ |
| ৫৬। | মটৰ গাড়ী কৰ | ৮৬ |
| ৫৭। | আৱকাৰী শুল্ক | ৮৭ |
| ৫৮। | খাজনা | ৮৮ |
| ৫৯। | বাণিজ্যিক কৰ | ৮৯ |
| ৬০। | বাজেট প্ৰাক্কলন | ৯৬ |


মাননীয় অধ্যক্ষ মহোদয়,

মই সদনত ২০১২-১৩ বিত্তীয় বৰ্ষৰ বাজেট প্ৰাক্কলন উত্থাপন কৰিবলৈ থিয় হৈছো।

১। অৰ্থনৈতিক বাতাবৰণ ঃ

১.১। মই মোৰ বাজেট প্ৰস্তাৱনাসমূহ উত্থাপন কৰিবলৈ যোৱাৰ আগতে এই পবিত্ৰ সদনৰ মাননীয় সদস্যসকলক ৰাজ্যখনৰ সামগ্ৰীক অৰ্থনৈতিক বাতাবৰণ আৰু বিত্তীয় স্থিতিৰ বিষয়ে আনুষ্ঠানিকভাবে জনাব খোজো।

১.২। ৯ম পৰিকল্পনাৰ সময়ছোৱাত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ নিৰিখ আছিল ১.৫১%। সেই নিৰিখ ১০ম পৰিকল্পনাৰ সময়ছোৱাত বাঢ়ি গৈ ৫.৩৩% হয়। আমাৰ চৰকাৰৰ বিশেষ বিকাশমুখী প্ৰচেষ্টাৰ বাবে ৰাজ্যখনে একাদশ পৰিকল্পনাৰ সময়ছোৱাত ৬.৮৬% বাৰ্ষিক বিকাশৰ (গড় নিৰিখত) উপনীত হব পাৰিছে। আগতীয়া প্ৰাক্কলন মতে একাদশ পাঁচ বছৰীয়া পৰিকল্পনাৰ শেষত বিকাশৰ এই নিৰিখ ৮.৪২% হব বুলি আশা কৰা হৈছে। আমি ইতিমধ্যে লাভ কৰা বিকাশৰ গুণিতক পৰিণামৰ সহায়ত যদি বিকাশৰ এতিয়াৰ নিৰিখৰ ধাৰাটো অব্যাহত ৰাখিব পাৰো, তেনেহলে দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত বিকাশ নিৰিখ ৯.৩৮% ৰ ওচৰে-পাজৰে থাকিব বুলি আমি আশা কৰো। ৯ম পৰিকল্পনাৰ সময়ছোৱাত কৃষিখণ্ডৰ বিকাশৰ নিৰিখ ঋনাত্মক আছিল। দশম আৰু একাদশ পৰিকল্পনাৰ সময়ছোৱাত ই একেবাহে উন্নত হৈছে। একাদশ পৰিকল্পনাৰ সময়ছোৱাৰ বাবে প্ৰক্ষেপিত গড় ৪.৮১% বিকাশ নিৰিখৰ

বিপৰীতে আমি কৃষিখণ্ডৰ ৪% ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হবলৈ সমৰ্থ হৈছো। একাদশ পৰিকল্পনাৰ কৃষিখণ্ডৰ ৰাষ্ট্ৰীয় বিকাশ নিৰিখৰ লক্ষ্য ৪% আছিল যদিও সফলতাৰ হাৰ আছিল ৩.০৬% হে। সেয়ে এই কথা মনত ৰাখিলে আমি লাভ কৰা সফলতা অধিক লক্ষণীয় হৈ পৰে। দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত কৃষিখণ্ডৰ বিকাশৰ নিৰিখ ৫.০১% হব বুলি আশা কৰা হৈছে। একাদশ পৰিকল্পনাৰ সময়ছোৱাৰ বাবে অসমৰ উদ্যোগখণ্ডৰ বাৰ্ষিক গড় বিকাশৰ নিৰিখ ৪.৪৫% প্ৰক্ষেপ কৰা হৈছে আৰু এই নিৰিখ দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত ৪.৬৫% লৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। একেদৰে একাদশ পৰিকল্পনাৰ ৮.৮৬% প্ৰক্ষেপিত বিকাশৰ গড় নিৰিখৰ বিপৰীতে ৰাজ্যখনৰ সেৱা খণ্ডৰ বিকাশৰ বাৰ্ষিক গড় নিৰিখ ১২.৫০% হব বুলি প্ৰক্ষেপ কৰা হৈছে।

১.৩। অগ্ৰিম প্ৰাক্কলন অনুসৰি (২০০৪-০৫) বৰ্ষৰ স্থিৰ মূল্যত (খৰতকীয়া প্ৰাক্কলন মতে) ২০১০-১১ বৰ্ষৰ ৭৪২১৪.৯৪ কোটি টকাৰ বিপৰীতে ৰাজ্যৰ সৰ্বমুঠ ঘৰুৱা উৎপাদন ২০১১-১২ বৰ্ষত ৮০৪৬৫.১৩ কোটি টকা হব, যিটোৱে ৮.৪২% বিকাশৰ হাৰ সূচায়। অগ্ৰিম প্ৰাক্কলন অনুসৰি ২০১১-১২ বৰ্ষত কৃষি তথা ইয়াৰ সহযোগী খণ্ডসমূহ, উদ্যোগ আৰু সেৱা খণ্ডৰ বিকাশৰ হাৰ যথাক্ৰমে ৬.৪৩%, ৭.১৯% আৰু ৯.৭৪% হ'ব বুলি আশা কৰা হৈছে। অগ্ৰিম প্ৰাক্কলন অনুসৰি চলিত মূল্যত অসমৰ জনমূৰি সৰ্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (ক্ষীপ্ৰ প্ৰাক্কলন মতে) ২০১০-১১ বৰ্ষৰ ৩৪,২০১ টকাৰ বিপৰীতে ২০১১-১২ বৰ্ষত ৩৭,৪৮১ টকা হব বুলি আশা কৰা হৈছে। (চলিত মূল্যত) মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ভিত্তিত অসমৰ জনমূৰি আয় (ক্ষীপ্ৰ প্ৰাক্কলন মতে)



২০১০-১১ বৰ্ষৰ ৩০,৫৬৯ টকাৰ বিপৰীতে ২০১১-১২ বৰ্ষত ৩৩,৬৩৩ টকা হব বুলি নিৰূপন কৰা হৈছে।

১.৪। মূল্যৰ ক্ষেত্ৰত (ভিত্তি ১৯৯৩-৯৪ = ১০০) হিচাপে অসমত কৃষিজাত সামগ্ৰীৰ পাইকাৰী বিক্ৰী মূল্য সূচ্যাংক (ডব্লিউ পি আই) ২০০৯-১০ বৰ্ষৰ ২৪৯ আৰু ২০০৮-০৯ বৰ্ষৰ ২২১ ৰ বিপৰীতে ২০১০-১১ বৰ্ষত আছিল ২৭২, যিটোৱে যথাক্ৰমে ৯.২৪% আৰু ১২.৬৭% হিচাপে বৃদ্ধি দেখুৱাইছে। সকলো সামগ্ৰীৰে সৰ্বভাৰতীয় পাইকাৰী বিক্ৰী মূল্য সূচ্যাংক অৰ্থাৎ ডব্লিউ পি আই (২০০৪-০৫ ভিত্তিমতে) ২০০৯-১০ বৰ্ষৰ ১৩০.৮১ ৰ পৰা ২০১০-১১ বৰ্ষত ১৪৩.৩২ লৈ বৃদ্ধি পাইছে যিটোৱে ৯.৫৬% ৰ বৃদ্ধি দেখুৱাইছে।

১.৫। ২০০১ চনত ১০০ ভিত্তি হিচাপে ২০১১ চনৰ প্ৰথম দহ মাহত অসমত জনসাধাৰণৰ কৰ্মৰত শ্ৰেণীটোৰ বাবে গড় গ্ৰাহক মূল্য সূচ্যাংক (চি পি আই) ২০১০ চনৰ উক্ত সময়ছোৱাৰ ১৬২ ৰ বিপৰীতে ১৭৪ বুলি হিচাপ কৰি উলিওৱা হৈছে।

২। ৰাজ্যিক বিত্ত ঃ

২.১। এই পবিত্ৰ সদনৰ মাননীয় সদস্যসকলৰ এইটো জ্ঞাত যে বহু বছৰীয়া বিত্তীয় দুৰৱস্থাৰ পিছত আমাৰ চৰকাৰে বিত্তীয় সুস্থিৰতা আনিবলৈ সক্ষম হৈছে। ২০০৫ চনৰ এপ্ৰিল মাহৰ পিছত ৰাজ্য চৰকাৰে এদিনৰ বাবেও অ'ভাৰ ড্ৰাফ্ট ল'ব লগা পৰিস্থিতিৰ সম্মুখীন হোৱা নাই। ৰাজহ আৰু বিত্তীয় ঘাটিৰ প্ৰাথমিক নিৰ্দ্দেশাংক বিলাক উন্নত হৈছে।

২.২। রাজ্যখনৰ উল্লেখনীয় বিত্তীয় উত্তৰণ ২০০৫-০৬ বৰ্ষৰ পৰা বিশেষভাৱে চকুত পৰে। প্ৰাথমিক, ৰাজহ আৰু বিত্তীয় ৰাহি দাখিলৰ ক্ষেত্ৰত প্ৰথমবাৰৰ বাবে আমি সেই বৰ্ষত এক অতুলনীয় প্ৰভেদ আনিবলৈ সক্ষম হৈছিলো। এই দিশ কেইটাৰ হিচাপেৰে পৰৱৰ্তী বছৰকেইটাটো আমি বিত্তীয় স্থিৰতাৰ ধাৰা অটুত ৰাখিবলৈ সক্ষম হৈছো। ২০১০-১১ বৰ্ষত ৫৮ কোটি টকাৰ পৰিমিত ৰাজহ ৰাহিৰে আমি বৰ্ষটো সমাপ্ত কৰিছো। ২০১০-১১ বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ লগত বিত্তীয় ঘাটিৰ অনুপাতো, এফ আৰ বি এম ৰ লক্ষ্য ৩% তকৈ যথেষ্ট তলত মাত্ৰ ১.৯১% হে আছিল।

২.৩। ৰাজহুৱা ধাৰ ঃ

ঋণ-মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপাত আৰু সুত পৰিশোধৰ লগত মুঠ ৰাজহ প্ৰাপ্তিৰ অনুপাতৰ গ্ৰহনীয় পৰ্যায় ক্ৰমে ২৮% আৰু ১৫% বুলি দ্বাদশ বিত্ত আয়োগে অনুমোদন কৰিছে। অসম এফ আৰ বি এম (সংশোধনী) আইন, ২০১১ আৰু ত্ৰয়োদশ বিত্ত আয়োগৰ অনুমোদনাৱলীয়ে ২০১০-১১ বৰ্ষৰ বাবে ঋণ - মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপাতৰ সুবিবেচিত সীমা ২৮.২% বুলি সূচিত কৰিছে। ২০১০-১১ (বি ই) বৰ্ষত অসমৰ অনাদায়ী ঋণৰ বোজা মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ২৭.৮% হিচাপে নিৰ্দেশিত সীমাৰ সন্তোষজনকভাৱে ভিতৰত আছিল। এই ক্ষেত্ৰত অসম সৰ্বোত্তম কাৰ্য্য-কুশলী ৰাজ্যসমূহৰ এখন। ২০১১ চনৰ লোকপিয়ল মতে, অসমৰ জনমূৰি ঋণৰ পৰিমাণ ৮,১৮০ টকা, যিটো সৰ্বভাৰতীয় পৰ্যায়ত গড়ে ১৫,০৪০ টকাতকৈ যথেষ্ট তলত। ৰাজ্যখনৰ বিত্তীয় অৱস্থা বৰ্তমান যথেষ্ট সচ্ছল। সেয়েহে ২০১০-১১ বৰ্ষত ৰাজ্যখনে মুকলি বজাৰৰ পৰা লব পৰা ঋণৰ



অনুমোদনযোগ্য সীমা ৩৫০৯ কোটি টকাৰ বিপৰীতে মাথো ৮০০ কোটি টকাহে বহন কৰিছিল। আমাৰ সচ্ছল বিত্তীয় স্থিতিলৈ লক্ষ্য ৰাখি চলিত বিত্তীয় বৰ্ষত একেবাৰে কোনো বজাৰ ঋণৰ সহায় নলবলৈ মই সিদ্ধান্ত গ্ৰহণ কৰিছো। ইয়াৰ উপৰি, ৰাজহ প্ৰাপ্তিৰ লগত সুত পৰিশোধৰ অনুপাতো ২০০৫-০৬ বৰ্ষৰ ১২.৫৪%ৰ পৰা ২০১০-১১ বৰ্ষত ৮.৩১% লৈ মই সুস্থিৰভাৱে নমাই আনিছো। ই দ্বাদশ বিত্ত আয়োগে ধাৰ্য কৰি দিয়া সীমা ১৫%ৰ যথেষ্ট তলত।

২.৪। চৰকাৰী প্ৰত্যাভূতি ঃ

কেবাটাও ৰাজ্যিক পৰ্যায়ৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু সমবায় প্ৰতিষ্ঠানে তেওঁলোকৰ বেংকৰ ঋণ পৰিশোধ কৰিব পৰা নাই। ইয়াৰে বহু ঋণৰ প্ৰত্যাভূতি চৰকাৰে গ্ৰহণ কৰিছিল। বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানে আৱাধিত চৰকাৰী প্ৰত্যাভূতিক সন্মান জনাই ৰাজ্য চৰকাৰে বৃহৎ পৰিমাণৰ এনে প্ৰত্যাভূতিত ঋণ পৰিশোধ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ফলস্বৰূপে চৰকাৰী প্ৰত্যাভূতিৰ আওতাৰ ধন ২০০৫-০৬ চনৰ ১২৭২.৯৩ কোটি টকাৰ পৰা ২০১০-১১ বৰ্ষলৈ ২৪৭.০৫ টকালৈ হ্ৰাস পাইছে।

৩। একত্ৰিত নিক্ষেপ পুঁজি আৰু প্ৰত্যাভূতি ঋণ মুক্ত পুঁজি ঃ

৩.১। বকেয়া ঋণ মুক্তিৰ বাবে, ৰাজ্য চৰকাৰৰ ভৱিষ্যতে সাহায্য হোৱাকৈ, অসম চৰকাৰে ভাৰতৰ ৰিজাৰ্ভ বেংকত এক একত্ৰিত নিক্ষেপ পুঁজি (চি এচ এফ) গঠন কৰিছে। সংশোধিত আঁচনিমতে বিগত বৰ্ষটোৰ শেষত থকা বকেয়া ধনৰ পৰিমিত হিচাপত কমেও ০.৫% ৰাজ্য চৰকাৰে চি এচ এফত বৰঙণি যোগাৰ লাগিব। ৰাজ্য চৰকাৰৰ বাৰ্ষিক অৰিহনা আৰু পুঁজিৰ দ্বাৰা গঠিত

এই ক'পাৰ্চ আৰু ইয়াৰ পৰা পোৱা সুদ চৰকাৰৰ **সাধাৰণ ৰাজহ** শিতানৰ বাহিৰত ৰখা হয়। সময়ে সময়ে চৰকাৰে দিয়া **নিৰ্দেশাৱলী** আৰু পৰামৰ্শাৱলী সাপেক্ষে এই পুঁজি ভাৰতৰ ৰিজাৰ্ভ **বেংকৰ দ্বাৰা** পৰিচালিত হয়। ৰাজ্য চৰকাৰে চি এচ এফত নিয়মীয়াভাৱে **বৰঙণি** যোগান ধৰি আহিছে। ভৱিষ্যতে কোনো জটিল বিত্তীয় **পৰিস্থিতিত** মোকাবিলা কৰিবলৈ ৰাখি থোৱা ৰীমাৰ দৰে এই চি এচ **এফৰ পৰা** আমি আজি পৰ্যন্ত কোনো টকা উলিয়াই অনা নাই।

৩.২। একেধৰণে চৰকাৰী প্ৰত্যাভূতিৰ পৰা উদ্ভৱ **হোৱা** ভৱিষ্যতৰ আগন্তুক দেনা পৰিশোধ কৰিবলৈ ৰাজ্য চৰকাৰে ২০০৯ বৰ্ষৰ ছেপ্তেম্বৰ মাহত প্ৰত্যাভূতি ঋণমুক্ত পুঁজি গঠন কৰে। **চলিত** বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে এই পুঁজিলৈ ১৯.১২ কোটি টকা **বৰঙণি** দিবলৈ বিচাৰিছে। আমাৰ বৰঙণিৰ বাবে অহা বিত্তীয় **বৰ্ষতো** আৱশ্যকীয় ব্যৱস্থা ৰখা হৈছে।

৪। অসম বিত্তীয় নিগমৰ পুনৰুজ্জীৱিতকৰণ ঃ

৪.১। অসম বিত্তীয় নিগম (এ এফ চি) ৰ ১৯৯২-৯৩ **চনৰ** পৰা লোকচান হৈ আছিল আৰু ২০০৪-০৫ বৰ্ষৰ শেষত **সৰ্বমুঠ** লোকচানৰ পৰিমাণ আছিল ৮৬ কোটি টকা। 'আই ডি বি আই'/ 'এচ আই ডি বি আই'এ বহু দিনৰ আগতে পুনৰ বিত্ত যোগানৰ সুবিধা বন্ধ কৰিছে। ৩১/০৩/২০০৫ ৰ শেষত অকাৰ্যক্ষম **সম্পত্তিৰ** পৰিমাণ আছিল ৩৭.২০ কোটি টকা । এ এফ চি য়ে ইয়াৰ **'এচ এল আৰ'** বণ্ডসমূহ পৰিশোধ কৰাতো ত্ৰুটি কৰিছিল।

৪.২। ইতিমধ্যে এ এফ চিক ৭৪.২৫ কোটি টকাৰ **সাহায্য** অনুদান হিচাপে বাজেট সাহায্য আগবঢ়াই ৰাজ্য **চৰকাৰে**



পুনৰুজ্জীৱিত কৰিছে। পৰৱৰ্ত্তী সময়ত ৰাজ্য চৰকাৰে এ এফ চিলৈ সূক্ষ্ম বিত্তীয় আঁচনিৰ বাবে ১০ কোটি, মূলধনী বৰঙণি অংশ হিচাপে ৫ কোটি, নতুনকৈ উদ্যোগ লোৱা মূলধনী পুঁজিৰ বাবে ৪ কোটি টকা আগবঢ়াইছে। এ এফ চিৰ কৰ্তৃত্ব প্ৰাপ্ত মূলধন ২০ কোটি টকাৰ পৰা ১৫০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ২০১২-১৩ ৰ বাজেটত মই এ এফ চিলৈ ১০ কোটি টকা অংশীদাৰীত্ব বৰঙণি হিচাপে আৰু ৪০ কোটি টকা সহজ ঋণ (Soft Loan) হিচাপে আগবঢ়াবলৈ প্ৰস্তাৱ কৰো। এই সহজ ঋণৰ ধন যথোচিত সূদৰ হাৰত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (এম এচ এম ই), চাহ খণ্ড, পৰ্য্যটন, প্লাষ্টিক প্ৰস্তুতিকৰণ, স্বাস্থ্য প্ৰযত্ন আৰু সূক্ষ্ম বিত্তৰ আৰু আন দৰকাৰী খণ্ডৰ বাবে বিনিয়োগ কৰিব পৰা যায়।

৫। চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগ ঃ

৫.১। চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগখন ২০১০ চনৰ এপ্ৰিলত অসম চৰকাৰৰ পূৰ্বৰ মুখ্য সচিব পি কে বৰা, আই এচ (অৱসৰ প্ৰাপ্ত) ৰ অধ্যক্ষতাত গঠন কৰা হৈছিল। আয়োগখনে ২৫/০৩/২০১১ ত ২০১১-১২ বৰ্ষৰ সময়ছোৱাৰ সামৰি চৰকাৰক ইয়াৰ প্ৰাৰম্ভিক প্ৰতিবেদন দাখিল কৰিছে। ১৮/০২/২০১২ ত আয়োগে ২০১২-১৩ ৰ পৰা ২০১৫-১৬ ৰ সময়ছোৱাৰ সামৰি ইয়াৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰিছে। আয়োগে ইয়াৰ প্ৰাৰম্ভিক প্ৰতিবেদনত ৬৭৪.৬০ কোটি টকাৰ প্ৰবেশ কৰ, আমোদ কৰ আৰু বিদ্যুৎ শুল্ক ব্যতিৰেকে ৰাজ্যিক কৰৰ প্ৰকৃত সমুৎপন্ন ধনৰ ১৪ শতাংশ ৰ বিভাজ্য শিতানৰ পৰিমাণ ২০১১-১২ বৰ্ষৰ সময়ছোৱাত পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু নগৰীয়া স্থানীয় নিকায়সমূহৰ মাজত বিতৰণৰ বাবে অনুমোদন জনাইছে। আনহাতে আয়োগে চূড়ান্ত

প্ৰতিবেদনত ২০১২-১৩ চনৰ পৰা ২০১৫-১৬ বছৰ সামৰি **প্ৰৱেশ** কৰ, আমোদ কৰ আৰু বিদ্যুৎ শুল্ক ব্যতিৰেকে ৰাজ্যিক **কৰৰ প্ৰকৃত** সমুৎপন্ন ধনৰ ১৫ শতাংশৰ প্ৰায় ৪১৬৫.৬২ কোটি টকা **বিভাজ্য** অংশ হ'ব লাগে বুলি অনুমোদন জনাইছে। আয়োগে অনুভৱ **কৰে** যে গাওঁ পঞ্চায়তৰ সংখ্যা যথেষ্ট সংখ্যক হোৱাৰ কাৰণে, **১৫%** ৰ পৰা এইবিলাকে সামান্য পুঁজিহে পাব। সেয়েহে আয়োগে **২০১২-১৩** বৰ্ষৰ পৰা ২০১৫-১৬ বৰ্ষলৈ প্ৰতিটো গাওঁ পঞ্চায়তলৈ **প্ৰতি** বছৰে ৩ লাখ টকাকৈ আনটাইড্ পুঁজি হিচাপে দিবৰ **কাৰণে** অনুমোদন কৰিছে। ইয়াৰ বাবে প্ৰতি বছৰে সৰ্বমুঠ ৬৬.০৬ **কোটি** টকা ব্যয় হব আৰু ইয়াক ১৫ শতাংশ কৰ হস্তান্তৰৰ **অতিৰিক্ত** হিচাপে প্ৰদান কৰা হব।

৫.২। চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগৰ অনুৰোধ **মৰ্মে** ৰাজ্য চৰকাৰে স্থানীয় নিকায় (পি আৰ আই আৰু ইউ এল **বি)** ৰ যথোপযুক্ত কৰ্মচাৰীৰ গাঁথনি আৰু কৰ্মচাৰীৰ বাবে আনুষঙ্গিক **দৰমহা** গাঁথনি সম্পৰ্কীয় অতিৰিক্ত প্ৰসংগ সাপেক্ষে প্ৰতিবেদন দাখিল **আৰু** সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধনী ব্যৱস্থাৱলীৰ **লগত** সংগতি ৰাখি স্থানীয় নিকায়সমূহৰ কৰ্মচাৰীসকলৰ **চাকৰিৰ** প্ৰাদেশিকীৰণ সম্পৰ্কীয় প্ৰতিবেদন দাখিলৰ বাবে আয়োগৰ **কাৰ্যকাল** ২০১২ চনৰ পহিলা মাৰ্চৰ পৰা ২০১২ চনৰ ৩০ এপ্ৰিললৈ **দুমাহৰ** বাবে বৃদ্ধি কৰিছে।

৬। বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহ ঃ

৬.১। ২০০৩-০৪ ৰ আগলৈ বহিঃসাহায্যপ্ৰাপ্ত **প্ৰকল্পৰ** অধীনত অসমলৈ অহা পুঁজিৰ আগমন অন্য ৰাজ্যৰ তুলনাত **নিচেই** কম আছিল। অৱশ্যে ২০০৩-০৪ ৰ পিছত ৰাজ্যখনলৈ **বিভিন্ন**



**বহিঃসাহায্যপ্ৰাপ্ত** প্ৰকল্পৰ জৰিয়তে অহা পুঁজিৰ আগমন যথেষ্টৰূপে **বৃদ্ধি** হৈ আছে। সম্প্ৰতি আমি তলত দিয়া প্ৰজেক্ট বিলাক ৰূপায়ণ **কৰি** আছো -

**ক)** বিশ্ব বেংকৰ পুঁজিৰে অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প - প্ৰায় ১০২৩ কোটি টকা।

**খ)** এছিয়ান উন্নয়নী বেংকৰ পুঁজিৰে অসম গভৰ্নেন্স আৰু ৰাজহুৱা সমল পৰিচালনা - উপ আঁচনি-২ - প্ৰায় ৪৩৭.৯০ কোটি টকা।

**গ)** বিশ্ব বেংকৰ পুঁজিৰে আৰ্থিক সংস্কাৰ কাৰিকৰী সাহায্য প্ৰকল্প (অসম গড়কাপ্তানি কম্পিউটাৰকৰণ প্ৰকল্প) প্ৰায় ১০ কোটি টকা।

**ঘ)** এছিয়ান উন্নয়নী বেংকৰ পুঁজিৰে অসম গভৰ্নেন্স আৰু ৰাজহুৱা সমল পৰিচালনা প্ৰকল্প - প্ৰায় ১১৯.৪৭ কোটি টকা।

**ঙ)** এছিয়ান উন্নয়নী বেংকৰ পুঁজিৰে অসম শক্তি খণ্ড বিনিয়োগ সমৃদ্ধিকৰণ আঁচনি - প্ৰকল্প-। - প্ৰায় ১৬০৩ কোটি টকা।

**চ)** জে আই চি এ পুঁজিৰে বৃহত্তৰ গুৱাহাটী পানী যোগান আঁচনি - প্ৰায় ১৫০০ কোটি টকা।

**ছ)** এছিয়ান ডেভেলপ্মেন্ট বেংকৰ পুঁজিৰে অসম সংহত বান আৰু নৈৰ খহনীয়া বিপদ আশংকা ব্যৱস্থাপনা কাৰ্যসূচী - আনুমানিক ৭৫০ কোটি টকা।

৬.২। বহিঃসাহায্যপ্ৰাপ্ত চাবিটা নতুন প্ৰকল্পৰো অনুমোদন কৰা হৈছে আৰু আমি এই কেইটা অহা বিত্তীয় বৰ্ষৰ পৰা ৰূপায়ণ কৰিম। এই প্ৰকল্পসমূহ হৈছে -

ক) ফ্ৰেন্স ডেভেলপ্‌মেন্ট এজেঞ্চিৰ পুঁজিৰে বন আৰু জীৱ-বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প আনুমানিক ৩৬৬ কোটি টকা।

খ) বিশ্ব বেংকৰ পুঁজিৰে অসম ৰাজ্যিক পথ প্ৰকল্প - আনুমানিক ১৯৫০ কোটি টকা।

গ) এছিয়ান ডেভেলপ্‌মেন্ট বেংকৰ পুঁজিৰে অসম নগৰীয়া আন্তঃগাথনি উন্নয়ন - আনুমানিক ১০৮০ কোটি টকা।

ঘ) বিশ্ব বেংকৰ পুঁজিৰে সম্প্ৰসাৰিত অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প (এ এ চি পি) - আনুমানিক ৪৬৮.৭৫ কোটি টকা।

৭। প্ৰতিষ্ঠানিক বিত্ত ঃ

ৰাজ্যৰ অৰ্থনীতিৰ বিকাশ আৰু বিস্তাৰৰ লগে লগে বিত্তীয় সেৱাসমূহৰ বাবে চাহিদাও উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। অৱশ্যে ৰাজ্যৰ জনসাধাৰণৰ প্ৰায় ৬৫% লোক এতিয়াও আনুষ্ঠানিক বিত্তীয় ব্যৱস্থাৰ পৰা বৰ্হিভূত হৈয়েই আছে। বিত্তীয় সাক্ষৰতা আৰু অন্তৰ্ভূক্তিকৰণ হৈছে সময়ৰ দাবী। অসমৰ ঋণ-জমাৰ (CD) অনুপাত প্ৰায় ৪০%ৰ আশে-পাশে আছে, যি ৰাষ্ট্ৰীয় গড় ৭৬%তকৈ যথেষ্ট তলত। জনসংখ্যা অনুপাতে বেংকৰ শাখাৰ ৰাষ্ট্ৰীয় গড়ত উপনীত হবলৈ ৰাজ্যখনক আৰু ৮০০ টা বেংকৰ শাখাৰ প্ৰয়োজন। ২০১১ চনৰ জুন মাহত মই ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ কমিটি (SLBC) ৰ এখন বিশেষ সভাত অংশগ্ৰহণ কৰিছিলো। অংশগ্ৰহণকাৰী প্ৰধান বেংকসমূহৰ সভাপতি তথা পৰিচালন সঞ্চালকসকলে সেই সভাখনত অংশগ্ৰহণ কৰিছিল। ইয়াৰ পাছতেই ২০১১ চনৰ নৱেম্বৰ মাহত ৰিজাৰ্ভ বেংকৰ গৱৰ্নৰে গুৱাহাটী ভ্ৰমণ কৰিছিল। তেওঁ ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ কমিটিৰ এখন বিশেষ সভাতো অংশ গ্ৰহণ কৰিছিল। মোক আশ্বাস দিয়া হৈছিল যে ঋণ-জমাৰ অনুপাত উন্নীত কৰাৰ অৰ্থে আৰু বেংকৰ শাখাৰ পাহিজাল সম্প্ৰসাৰণ কৰাৰ বাবে বেংকসমূহে সৰ্বাধিক চেষ্টা কৰিব। পবিত্ৰ সদনত মই জনাবলৈ পাই সুখী হৈছো যে বহুবছৰ ধৰি প্ৰায় ১২%ৰ আশেপাশে থকা অসমৰ কৃষিখণ্ডৰ ঋণৰ অনুপাতে ২০০৯ চনত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় গড় ১৮%ক অতিক্ৰম কৰিছিল। ২০১১ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত এই অনুপাত ১৯%লৈ বৃদ্ধি পাইছে। বৈদ্যনাথন কমিটিৰ অনুমোদনাৱলী মৰ্মে হ্ৰস্বকালীন সমবায় ঋণ গাঁথনিৰ পুনৰুজ্জীৱিতকৰণৰ বাবে অসম সমবায় এপেক্স বেংকলৈ বিগত বৰ্ষত মই ১৯.৬২ কোটি টকা মুকলি কৰি দিছো। অহা বছৰৰ বাজেটত বিভিন্ন সমবায় প্ৰতিষ্ঠান সমূহৰ বাকী থকা ঋণৰ দেনাৰ এককালীন পৰিশোধৰ বাবে মই এপেক্স বেংকলৈ ২০ কোটি টকা আগবঢ়াইছো।

৮। বাৰ্ষিক পৰিকল্পনা ঃ

৮.১। মই মাননীয় সদস্যসকলক অৱগত কৰিব খোজো যে স্পষ্টতঃ কেবাখনো ৰাজ্যৰ নিৰ্বাচনৰ বাবে অসমৰ ২০১২-১৩ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনা বিষয়ক আলোচনা এতিয়াও অনুষ্ঠিত হোৱা নাই আৰু সেয়েহে পৰিকল্পনাৰ আকাৰ এতিয়াও চূড়ান্ত হবলৈ বাকী আছে। তথাপিও, অহা বিত্তীয় বৰ্ষৰ আৰম্ভণীৰে পৰা পৰিকল্পনা আঁচনিসমূহৰ ৰূপায়নক সুচল কৰাৰ অৰ্থে মই ২০১১-১২ বৰ্ষৰ

৯০০০ কোটি টকাৰ বিপৰীতে ২০১২-১৩ বৰ্ষত ৰাজ্য চৰকাৰৰ নিজা উৎসৰ পৰা উপলব্ধ ২৫৬৫.৮৬ কোটি টকাকে ধৰি মুঠ ১০,২০৩.৪৮ কোটি টকাৰ এক বিস্তৃত পৰিকল্পনা ব্যয় সম্প্ৰতি অন্তৰ্ভূক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো। ইয়াৰ বৃদ্ধিৰ হাৰ ১৩% । মই আশা কৰো যে পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ সৈতে মোৰ বৈঠকৰ পিছত অহা বিত্তীয় বৰ্ষৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ আকাৰ আৰু বৃদ্ধি পাব। বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ অধীনত প্ৰয়োজনীয় ৰাজ্যিক অংশটো প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে যাতে উক্ত আঁচনিসমূহ ৰাজ্যখনত সম্পূৰ্ণৰূপে ৰূপায়ন কৰিব পাৰি। ইয়াৰ বাবে ৰাজ্যিক অংশ হিচাপে ১০৫০.৯৯ কোটি টকা দিয়া হৈছে। পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মূল্যাংকন আৰু নিৰীক্ষণ মণ্ডলে ৰাজ্যখনৰ বিভিন্ন ৰাজ্যিক আৰু কেন্দ্ৰীয় আঁচনিসমূহৰ মূল্যাংকন আৰু নিৰীক্ষণৰ কাম কৰি আছে। অহা বছৰ ইয়াক আৰু অধিক সক্ৰিয় কৰি তোলা হব।

৮.২। ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদান, উত্তৰ পূৰ্ব পৰিষদৰ পুঁজি, অপৰিশোধেয় কেন্দ্ৰীয় উৎসৰ পুঁজি, ই এ পি পুঁজি আৰু ৰাজ্যিক বাজেটৰ অন্তৰ্ভূক্ত বিভিন্ন কেন্দ্ৰীয় পোষিত আঁচনিৰ অধীনৰ পুঁজিৰ বাবে ৰাজ্যিক বাজেটত প্ৰয়োজনীয় ব্যৱস্থা ৰখা হৈছে। ৰাজ্যিক পৰিকল্পনাৰ উপৰিও অসম আন্তঃগাঠনিমূলক বিত্ত যোগান প্ৰাধিকাৰী আৰু প্ৰৱেশ কৰৰ লভ্যৰ পৰা সৃষ্টি কৰা বাণিজ্য উন্নয়ন পুঁজিৰ অধীনত বিভিন্ন আন্তঃগাঠনিগত প্ৰকল্পও হাতত লোৱা হব।

৯। মূল্য বৃদ্ধি, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা ঃ

৯.১। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰিবলৈ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা হৈছে। যোৱা বছৰটোত দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ



বাবে ৩৪,২৪৮ মেট্ৰিকটন চাউল, দৰিদ্ৰ সীমাৰেখাৰ তলৰ বাবে ৩৯,৬০২ মেট্ৰিকটন চাউল আৰু অন্ত্যোদয়া অন্ন চাউলৰ বাবে ২৪,৬৪১ মেট্ৰিকটন চাউল অন্ত্যোদয়া অন্ন পৰিয়াল অৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ ১৯.০৬ লাখ পৰিয়ালৰ মাজত আৰু দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ ৪০.২০ লাখ লোকৰ মাজত বিতৰণ কৰা হৈছে। চেনী, কেৰাচিন, ঘেহু, খাদ্য-শস্য আদি অত্যাৱশ্যকীয় সামগ্ৰীৰ বিতৰণৰ বাবে ৰাজহুৱা বিতৰণ ব্যৱস্থাটো অধিক শক্তিশালী কৰি তোলা হ'ব। গুদাম ঘৰৰ জমা ৰখা ক্ষমতাও ৬.৮২ লাখ মেঃ টন বৃদ্ধি কৰাৰ বাবে প্ৰয়াস কৰা হৈছে।

৯.২। দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিচয় পত্ৰ থকা লোকসকলে দৰিদ্ৰ সীমাৰেখাৰ তলৰ নিৰিখত চাউল পোৱাৰ ওপৰি মুখ্য মন্ত্ৰীৰ অন্ন সুৰক্ষা যোজনাৰ অধীনত ২০ লাখ দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ পৰিয়ালকো প্ৰতি কিঃগ্ৰামত ৬ টকা দৰত প্ৰতি পৰিয়াললৈ ২০ কিঃ গ্ৰাম চাউল যোগান ধৰাটো ২০১২-১৩ বছৰটো চলি থাকিব। এই আঁচনি ৰূপায়ন কৰিবলৈ ২০১২-১৩ বাজেটত ১০০ কোটি টকা ধাৰ্য কৰা হৈছে।

৯.৩। বৰ্তমান চলি থকা অন্তোদয়া অন্ন যোজনা, ৰন্ধনজ্যোতি, গ্ৰাম্য শস্য ভৰাঁল, মুখ্য মন্ত্ৰীৰ সমবায় সৰলীকৰণ যোজনা আঁচনিসমূহ ২০১২-১৩ বৰ্ষটোতো ৰূপায়ন কৰি থকা হব।

৯.৪। মই উল্লেখ কৰিবলৈ পাই যথেষ্ট আনন্দিত যে 'আমাৰ দোকান, আৰু 'জাগো গ্ৰাহক জাগো' আঁচনিৰ ৰূপায়নে বৃহৎ সংখ্যক লোকৰ যথেষ্ট উপকাৰ কৰিছে। এই উদ্ভাৱনীমূলক আঁচনিয়ে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে যোগান নধৰা সৰ্বোচ্চ খুচুৰা

মূল্যৰ আৱশ্যকীয় খাদ্যসমূহ ৰাজ্যৰ ১০,০০০ খন নিৰ্বাচিত সুলভ মূল্যৰ দোকানৰ জৰিয়তে যোগান ধৰিছে।

৯.৫। গ্ৰাহক আপত্তি নিৰসনৰ সহায়ৰ হাত, বায়'মেট্ৰিক স্মাৰ্ট ফেমিলি পৰিচয় পত্ৰ, বহু মহলীয়া অট্টালিকাসমূহত এল পি জি বন্ধন গেছ/গ্ৰীড বিতৰণ আদিৰ লেখীয়া উদ্ভাৱনীমূলক আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ গ্ৰাহক আপত্তি নিষ্পত্তিকৰণ ফ'ৰাম আৰু বেছি শক্তিশালী কৰিবৰ বাবে অবিৰত প্ৰচেষ্টা থকা হৈছে। ৰাজ্য চৰকাৰে গ্ৰাহক সকলে খাদ্যশস্য ঘৰতে পাব পৰাটো সুনিশ্চিত কৰিবলৈ জি পি এচ আৰু জি আই এচ ভিত্তিক চিনাক্ত খাদ্য শস্য পৰিবহনকাৰী যানবাহন সহ ভাৰতীয় খাদ্য নিগমৰ গুদামৰ পৰা উপভোক্তালৈকে বায়'মেট্ৰিক ভিত্তিক স্মাৰ্ট কাৰ্ডসহ ৰাজ্যখনৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ নেটৱৰ্কটো কম্পিউটাৰকৰণৰ বাবে ইতিমধ্যে পদক্ষেপ গ্ৰহন কৰিছে। এই সন্দৰ্ভত ২০০ কোটি টকাৰ এটি প্ৰস্তাৱ ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

১০। আভ্যন্তৰীণ নিৰাপত্তা ঃ

১০.১। সক্ৰিয় উগ্ৰপন্থী গোটসমূহৰ বিৰুদ্ধে অবিৰতভাৱে চলাই থকা বহুমুখী সন্ত্ৰাস বিৰোধী অভিযান আলাপ-আলোচনাৰ জৰিয়তে নিস্পত্তি কৰিবলৈ বিচৰা গোটলৈ শান্তিৰ প্ৰাৰম্ভিক প্ৰস্তাৱ আৰু বিপথে পৰিচালিত হোৱা যুৱক-যুতীসকলৰ পুনৰ সংস্থাপনে সন্ত্ৰাস প্ৰতিৰোধৰ ক্ষেত্ৰত এক উল্লেখযোগ্য অৰিহণা যোগাইছে। ইউনিফাইড কমাণ্ড ষ্ট্ৰাক্‌চাৰৰ অধীনত লোৱা এই পদক্ষেপসমূহে অৰবিন্দ ৰাজখোৱা পন্থী আলফা (আলোচনা পন্থী গোট), এন ডি এফ বি (প্ৰ'গ্ৰেচিভ), ডি এইচ ডি (নুনিচা) আৰু এন ডি এফ বি (আৰ ডি) ৰ লেখীয়া বহুটো উগ্ৰপন্থী গোটৰ সৈতে যুদ্ধ বিৰতি চুক্তি সম্পাদনাত সহায় কৰিছে।



১০.২। ইউ পি ডি এচৰ সৈতে নিস্পত্তি স্মাৰকত স্বাক্ষৰ কৰা হৈছে আৰু ইয়াৰ ফলশ্ৰুতিত এই গোটটোৱে অস্ত্ৰ সম্বৰণ কৰিছে। ডি এইচ ডি (জ) ৰ সৈতে শান্তি আলোচনা চূড়ান্ত পৰ্যায়ত আছে আৰু অতি শীঘ্ৰে নিস্পত্তি স্মাৰক স্বাক্ষৰিত হ'ব। এন ডি এফ বি (আৰ ডি), আলফা (এ টি), কে পি এল টি, ডি এন ডি এফ আৰু অন্যান্য উগ্ৰপন্থী গোটৰ ১০১ জন সদস্যই আত্ম সমৰ্পন কৰি মূলসুতিত যোগদান কৰিছে। আন এক উল্লেখযোগ্য পৰিঘটনাত চৰকাৰৰ সৈতে শান্তি আলোচনাত থকা আদিবাসী কোব্ৰা মিলিটাৰী অৱ আসাম, বীৰছা কমাণ্ডো ফ'ৰ্চৰ লগতে অল আদিবাসী নেচনেল লিবাৰেচন অৱ আসাম, চান্থাল টাইগাৰ ফ'ৰ্চ, অদিবাসী পিপুলচ্‌ আৰ্মি, কুকি লিবাৰেচন অ'ৰ্গেনাইজেচন / আৰ্মি (কে এক্ল অ'/কে এল এ), ইউনাইটেড কুকি গাম ডিফেন্স আৰ্মি, কুকি ৰিভোলুচনাৰী আৰ্মি আৰু মাৰ পিপুলচ্‌ কন্‌ভেনচন (ডেম'ক্ৰেটিক) ৰ দৰে ৯ টা উগ্ৰপন্থী গোটে ২০১২ চনৰ ২৪ জানুৱাৰীত আনুষ্ঠানিকভাৱে অস্ত্ৰ সম্বৰণ কৰি অলোচনাৰ মাধ্যমেৰে সমস্যা অৰু ওজৰ-আপত্তিসমূহ সমাধান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। অস্ত্ৰ ত্যাগী আত্মসমৰ্পণ কৰা উগ্ৰপন্থী অথবা অস্ত্ৰ বিৰতিলৈ আগবাঢ়ি অহা উগ্ৰপন্থীসকলৰ পুনৰসংস্থাপনত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

১০.৩। প্ৰয়োজনীয় মানৱ শক্তি আৰু আন্তঃগাঠনিৰে বৰ্তমানে থকা বিদেশী ন্যায়াধিকৰণ সমূহ কাৰ্যক্ষম তথা শক্তিশালী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

১০.৪। আৰক্ষী বাহিনীৰ আধুনিকীকৰণৰ (এম পি এফ) অধীনত গুৱাহাটী মহানগৰত আৰক্ষী নিয়ন্ত্ৰণ কক্ষৰ ডায়েল ১০০ আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু এতিয়া ই সেৱাৰ বাবে সাজু হৈছে। গুৱাহাটী মহানগৰীত ২৯১ টা চি চি টি ভি কেমেৰা লগোৱাৰ কাম চলি আছে। যথেষ্ট সংখ্যক গাড়ীবো যোগান ধৰা হৈছে। সমগ্ৰ ফৌজদাৰী প্ৰশাসন পদ্ধতিটোক একত্ৰিত কৰাৰ অৰ্থে এক অপৰাধ আৰু অপৰাধী চিনাক্তকৰণ নেটৱৰ্ক পদ্ধতি (চি চি টি এন এচ) আঁচনি প্ৰস্তুত কৰি উলিওৱা হৈছে। প্ৰতিখন আৰক্ষী থানাৰ অধীনত যাতে চহৰ অঞ্চলত ৮০ গৰাকী আৰু গ্ৰামাঞ্চলত ৪০ গৰাকীকৈ আৰক্ষীৰ লোক থাকে তাৰ বাবে ৰাজ্যিক আৰক্ষীৰ সংখ্যা বৃদ্ধিৰ প্ৰস্তাৱ লোৱা হৈছে। কনিষ্টবল আৰু চালক কনিষ্টবলৰ আটাইবোৰ খালী পদ পূৰণ কৰি থকা হৈছে। অপৰাধ অনুসন্ধান গোটক শক্তিশালী আৰু উন্নীত কৰাৰ অৰ্থে পদক্ষেপ গ্ৰহণ কৰা হৈছে। তদাৰকী আৰু দুৰ্নীতি বিৰোধী সঞ্চালকালয়, মুখ্যমন্ত্ৰীৰ তদাৰকী কোষ আৰু অসম লোকাযুক্তৰ লেখীয়া দুৰ্নীতি বিৰোধী সংস্থাবোৰক শক্তিশালী আৰু উজ্জীৱিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হব।

১০.৫। প্ৰয়োজন অনুসাৰে নতুন আৰক্ষী থানা, আৰক্ষী চকী অৰু অগ্নি নিৰ্বাপক সেৱা আস্থান স্থাপন কৰাৰ বাবে আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰা হব। ফায়াৰমেন আৰু ফায়াৰ টেণ্ডাৰ ড্ৰাইভাৰৰ বৰ্তমানে থকা খালী পদবোৰ শীঘ্ৰে পূৰণ কৰা হব আৰু প্ৰয়োজন সাপেক্ষে নতুন পদবীৰো সৃষ্টি কৰা হব। পৰ্য্যাপ্ত সংখ্যক মানৱ সৰবৰাহ বিৰোধী গোট, যোৰহাটত এটা আঞ্চলিক ফৰেন্‌চিক বিজ্ঞান লেবৰেটৰী আৰু শিলচৰ আৰু বঙাইগাঁৱত ফৰেন্‌চিক বিজ্ঞানৰ দুটা



চলমান জিলা গোট স্থাপনৰ বাবে অহা বছৰলৈ পদক্ষেপ হাতত লোৱা হব।

১০.৬। কাৰাগাৰসমূহৰ উন্নীতকৰণ আঁচনিখনৰ কাম চলিত বছৰতো অব্যাহত থাকিব। হাইলাকান্দিত এখন নতুন কাৰাগাৰ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে অৰু ওদালগুৰিত নিৰ্মাণ হৈ থকা কাৰাগাৰখনৰ সেৱা ২০১২-১৩ বৰ্ষৰ ভিতৰতে প্ৰাপ্ত হব।

১০.৭। জিলা পৰ্যায়ত আৰক্ষী কৰ্মচাৰী তথা তেওঁলোকৰ পৰিয়ালৰ আৱাস গৃহৰ সুবিধা আৰু পুলিচ ৰিজাৰ্ভসমূহত তেওঁলোকৰ স্বাস্থ্য সেৱা, শিক্ষা আৰু অৱসৰ বিনোদনৰ সা-সুবিধা সমন্বিত কৰি ৩ বছৰত কাৰ্যকৰী কৰিব পৰাকৈ এক বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ মই গৃহ বিভাগক নিৰ্দেশ দিছো। ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰা হ'ব।

১১। মুক্তি যোদ্ধা ঃ

ৰাজ্যিক মুক্তি যোদ্ধাৰ পেঞ্চন ১/৩/২০১১ ৰ পৰা প্ৰতিমাহে ৫,০০০ টকাৰ পৰা ৮,০০০ টকালৈ বৃদ্ধি কৰা হৈছে। এই বৃদ্ধি, পেঞ্চন লাভ কৰি থকা মুক্তি যোদ্ধাৰ বিধৱা আৰু অবিবাহিত জীয়ৰীসকলৰ বাবেও প্ৰযোজ্য হব।

১২। ন্যায়িক আৰু বিধায়িনী ঃ

১২.১। মোৰ চৰকাৰে গুৱাহাটীৰ আমিনগাঁৱত অসম ৰাষ্ট্ৰীয় আইন বিদ্যালয় আৰু ন্যায়িক একাডেমি নিৰ্মাণৰ বাবে প্ৰশাসনিক অনুমোদন জনাইছে। এন এল এচ জে এৰ অধীনত ৫ বছৰীয়া সংহত আইন পাঠ্যক্ৰমৰ প্ৰথম শৈক্ষিক বৰ্ষ ২০১১ চনৰ চেপ্তেম্বৰত ইতিমধ্যে আৰম্ভ হৈছে। মোৰ চৰকাৰে ৬ খন মটৰ দুৰ্ঘটনাৰ দাবীৰ

ন্যায়াধিকৰণ (এম এ চি টি) স্থাপন কৰিছে। বৰপেটা আৰু ধুবুৰীত নতুন পৰিয়াল আদালত আৰু কামৰূপ জিলাত এখন অতিৰিক্ত পৰিয়াল আদালত তথা গুৱাহাটীত ২ খন অতিৰিক্ত বিশেষ আদালত (চি বি আই) স্থাপন কৰা হৈছে। ২০১১-১২ ৰ বৰ্তমানৰ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ৰাজ্য চৰকাৰে ওডালগুৰিত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত আৰু গোসাইগাঁৱত মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত মুকলি কৰিছে।

১২.২। বিভিন্ন আইন সম্বন্ধীয় বিষয়সমূহ নিস্পত্তিৰ বাবে সমগ্ৰ ৰাজ্য জুৰি বিকল্প বিবাদ নিবাময় ব্যৱস্থাটোক জনপ্ৰিয় কৰি তুলিবলৈ পদক্ষেপ লৈ থকা হৈছে। ১০ খন জিলাত ১২ টা মধ্যস্থতাকাৰী কেন্দ্ৰ সেই অনুসাৰে স্থাপন কৰা হৈছে।

১২.৩। মাননীয় সদস্যসকলে জানিবলৈ পাই সুখী হ'ব যে ৰাজ্যখনত এখন বিধান পৰিষদ গঠন কৰিবলৈ গ্ৰহণ কৰা আমাৰ সিদ্ধান্তৰ প্ৰতি নীতিগতভাৱে বিত্তীয় সন্মতি প্ৰদান কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে যোগাযোগ কৰি থকা হৈছে।

১৩। সীমান্ত অঞ্চল ঃ

১৩.১। সীমান্ত অঞ্চল উন্নয়ন আঁচনিৰ অধীনত পথ আন্তঃগাথনি, খোৱা পানী, স্বাস্থ্য আৰু শৈক্ষিক সা-সুবিধা, গাওঁসমূহৰ বৈদ্যুতিকীকৰণ, সামুহিক গৃহৰ নিৰ্মাণ ইত্যাদিৰ বাবে বহুতো আঁচনি ৰূপায়ন কৰি থকা হৈছে। এই এলেকাসমূহৰ উন্নয়নৰ পৰিপূৰক হিচাপে নিৰ্দিষ্ট এলেকা পুঁজিৰো প্ৰাৰম্ভণ কৰা হৈছে।

১৩.২। ২০১২-১৩ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত সীমান্ত অঞ্চল উন্নয়নৰ বাবে ১০০.৮৫ কোটি টকাৰ আবন্টন কৰা হৈছে।



১৪। অসম চুক্তি ৰূপায়ন ঃ

অহা বিত্তীয় বৰ্ষত অসম চুক্তিৰ সৈতে সম্পৰ্কিত কেইবাখনো আঁচনি, যেনে ভাৰত-বাংলাদেশ সীমান্ত পথ আৰু বেৰৰ কাম আৰু লগতে ফ্লাড লাইটৰ ব্যৱস্থা, অসমৰ ইতিহাস প্ৰসিদ্ধ স্থানসমূহ আৰু সত্ৰসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নীতকৰণ, জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ৰ আধুনিকীকৰণ আৰু অশোক কাগজ কলৰ পুণৰুজ্জীৱিতকৰণ আদিৰ দৰে আঁচনিবোৰ ৰূপায়নত উচ্চ অগ্ৰাধিকাৰ দিয়া হ'ব। তদনুসৰি পুঁজিৰ ব্যৱস্থাও কৰা হ'ব।

১৫। অনুসূচীত জাতি, অনুসূচীত জনজাতি, পিছপৰা শ্ৰেণীসমূহ আৰু অন্যান্য সম্প্ৰদায়ৰ কল্যাণ ঃ

১৫.১। ৰাজ্যখনৰ সামাজিক আৰু অৰ্থনৈতিকভাৱে অসুবিধা ভোগ কৰি থকা সম্প্ৰদায়সমূহৰ লোকসকলৰ ধাৰাবাহিক সৱলীকৰণ আৰু সৰ্বাংগীন উন্নয়নৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মই ২০১২-১৩ বৰ্ষৰ বাজেটত জনজাতি উপ-পৰিকল্পনাৰ বাবে ৭০.১১ কোটি টকা আৰু অনুসুচিত জাতি উপ-পৰিকল্পনাৰ বাবে ১৮৩.৭২ কোটি টকা আৱন্টনৰ প্ৰস্তাৱ কৰিছো। চলিত বিত্তীয় বৰ্ষত এই পুঁজিৰ পৰিমাণ আছিল যতাক্ৰমে ৬৩.১৬ কোটি আৰু ১৬৩.৫২ কোটি টকা।

১৫.২। অনুসূচীতজাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাক্ মেট্ৰিক আৰু মেট্ৰিকোত্তৰ জলপানি আঁচনি কেইখন ক্ৰমে ৫ কোটি আৰু ৫৪.৪৫ কোটি টকাৰ আৱন্টনেৰে এই বছৰতো অব্যাহত থাকিব।

১৫.৩। স্ব-নিয়োজনৰ বাবে বিত্তীয় সাহায্যৰ জৰিয়তে দৰিদ্ৰ সীমাৰ তলৰ পৰিয়ালসমূহক সহায় আগবঢ়োৱাৰ প্ৰস্তাৱ লোৱা হৈছে। এইসকল লোকৰ পৰিয়ালৰ স্ব-নিয়োজন বৃদ্ধি কৰাৰ উদ্দেশ্যে ২০১২-১৩ বৰ্ষত অনুসূচীত জাতিৰ দৰিদ্ৰ পৰিয়ালৰ বাবে ২০ কোটি, অনুসূচীত জনজাতিৰ দৰিদ্ৰ পৰিয়ালৰ বাবে ৬৫ কোটি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ দৰিদ্ৰ পৰিয়ালৰ বাবে ৮.৫০ কোটি টকা আৱন্টন দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে।

১৫.৪। চাফাই কৰ্মীসকলৰ কলনি নিৰ্মাণৰ বিশেষ আঁচনিসমূহৰ কাম অব্যাহত থাকিব। ইয়াৰ উপৰি প্ৰধান মন্ত্ৰীৰ আদৰ্শ গ্ৰাম যোজনাৰ জৰিয়তে অনুসূচীত জাতিৰ অধ্যুষিত গাওঁসমূহৰ আঞ্চলিক উন্নয়নৰ বিশেষ আঁচনিখনো চলি থাকিব।

১৬। স্বায়ত্ব শাসিত পৰিষদ আৰু উন্নয়ন পৰিষদসমূহ ঃ

১৬.১। মই ৬ খন বিধিসন্মত স্বায়ত্বশাসিত পৰিষদৰ সুচল আৰু কাৰ্যকৰী কাম-কাজৰ বাবে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰি অহিছো। চলিত বিত্তীয় বৰ্ষৰ মুঠ ১৫২.৯৬ কোটি টকাৰ বিপৰীতে, ২০১২-১৩ বৰ্ষৰ বাজেটত মই নিম্নোলিখিত আৱন্টনৰ মুঠ ১৬৯.৭৭ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছো -

ক) ৰাভা-হাছং স্বায়ত্বশাসিত পৰিষদ - ৩২.৩১ কোটি টকা

খ) মিচিং স্বায়ত্বশাসিত পৰিষদ - ৪৫.৯০ কোটি টকা

গ) তিৱা স্বায়ত্বশাসিত পৰিষদ - ৩১.৩১ কোটি টকা

ঘ) সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদ - ১৯.৭২ কোটি টকা



ঙ) ঠেঙাল কছাৰী স্বায়ত্বশাসিত পৰিষদ - ১৯.৭০ কোটি টকা

চ) দেউৰী স্বায়ত্বশাসিত পৰিষদ - ২০.৮৩ কোটি টকা

১৬.২। উলিখিত ৬ খন স্বায়ত্বশাসিত পৰিষদৰ উপৰি ৰাজ্যখনৰ বিভিন্ন সম্প্ৰদায়ৰ আৰ্থ-সামাজিক বিকাশৰ বাবে আমাৰ চৰকাৰে ১৮ খন উন্নয়ন পৰিষদ গঠন কৰিছে। দক্ষ বিত্তীয়, প্ৰশাসনিক আৰু আন্তঃগাঁঠনিগত সহায়েৰে এইসমূহৰ কাৰ্যকৰীকৰণৰ বাবে আমি নিশ্চিত ব্যৱস্থা লম। চলিত বিত্তীয় বৰ্ষৰ ২৪ কোটি টকাৰ বিপৰীতে ২০১২-১৩ বৰ্ষৰ বাজেটত এই উন্নয়ন পৰিষদসমূহৰ বাবে ৪০ কোটি টকা প্ৰস্তাৱ কৰা হৈছে।

১৬.৩। উল্লেখযোগ্য যে বড়োলেণ্ড আঞ্চলিক পৰিষদ (বি টি চি) য়ে উন্নয়নৰ বিভিন্ন দিশত ক্ষীপ্ৰতা লাভ কৰিছে। মই বি টি চি এলেকাত বড়োলেণ্ড বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনকে ধৰি প্ৰশাসনিক আৰু অন্যান্য আন্তঃগাথনি সৃষ্টিৰ বাবে সম্পূৰ্ণ সহযোগিতা অগবঢ়াইছো। ২০১২-১৩ ৰ বাজেটত ৰাজ্যিক পৰিকল্পনাৰ অধীনত ২০১১-১২ বৰ্ষৰ ২৯৮ কোটি টকাৰ বিপৰীতে ৩৩০.৪৭ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ উপৰি পৰিকল্পনা বহিৰ্ভূত প্ৰশাসনিক অনুদান হিচাপে বি টি চিলৈ মই ১২ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

১৭। পাৰ্বত্য অঞ্চল ঃ

১৭.১। শান্তি আৰু স্বাভাৱিক অৱস্থা উভতি অহাৰ পিছত দুয়োখন পাৰ্বত্য জিলাই এতিয়া ত্বৰান্বিত অৰ্থনৈতিক উন্নয়নৰ বাবে টঙালি বান্ধিছে। এই ক্ষেত্ৰত সকলো প্ৰয়োজনীয় সহায়-সহযোগিতা

আগবঢ়োৱাৰ প্ৰতি মই দৃঢ় প্ৰতিজ্ঞ। সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনৰ দুয়োখন পাৰ্বত্য জিলাৰ স্বায়ত্বশাসিত পৰিষদলৈ অধিক স্বায়ত্ব শাসনৰ সুবিধা আগবঢ়োৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ডিফুৰ অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানৰ নিৰ্মাণৰ কাম চলি আছে। অসম চৰকাৰে অসমত পাৰ্বত্য এলেকাসমূহত অসম পাৰ্বত্য অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু অসম পাৰ্বত্য বিশ্ববিদ্যালয় স্থাপনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছে। কাৰ্বি আংলঙত থকা ডিফুৰ জয়ছিং দলৈ প্ৰেক্ষাগৃহৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে।

১৭.২। বাৰ্ষিক পৰিকল্পনা ২০১২-১৩ ৰ অধীনত কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ আৰু ডিমা-হাছং স্বায়ত্বশাসিত পৰিষদৰ বাবে যতাক্ৰমে ৩১৪.৬৬ কোটি টকা আৰু ১৪৩.০৩ কোটি টকাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। চলিত বিত্তীয় বছৰত এই পুঁজিৰ পৰিমাণ যথাক্ৰমে আছিল ২৮৬.৬১ কোটি আৰু ১৩০.৮০ কোটি টকা। ইয়াৰ উপৰিও কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ বাবে প্ৰশাসনিক অনুদান ১২ কোটি টকা আৰু ডিমা-হাছং স্বায়ত্বশাসিত পৰিষদৰ বাবে প্ৰশাসনিক অনুদান ১৫ কোটি টকা ধাৰ্য কৰা হৈছে।

১৮। সংখ্যালঘু কল্যাণ আৰু চৰ এলেকা ঃ

১৮.১। অসমৰ ১৩ খন সংখ্যালঘু অধ্যুষিত জিলাত উন্নয়নমূলক কাম-কাজ ৰূপায়নৰ বাবে ৭০৩.৫০ কোটি টকাৰ আৱন্টনেৰে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত ভাৰত চৰকাৰে বহু খণ্ডীয় উন্নয়ন পৰিকল্পনা (এম এছ ডি পি) ৰূপায়নৰ কাম আৰম্ভ কৰে। শিক্ষা, স্বাস্থ্য, খোৱাপানী আৰু সমাজ কল্যাণ খণ্ডত অন্তঃগাঁথনি সৃষ্টিৰ বাবে এম এছ ডি পিৰ অধীনত কেবাটাও



প্ৰকল্প ৰূপায়নৰ কাম হাতত লোৱা হৈছে। এই প্ৰকল্পই ১৩ খন উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আই টি আই), ২৪ টা ছাত্ৰাবাস আৰু ১খন পলিটেকনিক নিৰ্মাণৰ কামো সামৰি লৈছে। সংখ্যালঘু সম্প্ৰদায়ৰ যুৱক-যুৱতীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে অহা পাচ বছৰত সংখ্যালঘু অধ্যুষিত এলেকাৰ উন্নয়ন খণ্ডসমূহৰ প্ৰতিটোতে এখনকৈ আই টি আই স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ কল্যাণৰ বাবে হাতত লোৱা অন্যান্য কেতবোৰ ব্যৱস্থা হ'ল - গ্ৰাম্য/নগৰীয়া এলেকাত ছাত্ৰী নিবাস নিৰ্মাণ, সৌৰশক্তি চালিত হস্ত লেম্প, পিক্‌আপ ভান, অটো, পাম্পচেট বিতৰণ, দুখীয়া ছাত্ৰ-ছাত্ৰীলৈ কম্পিউটাৰ প্ৰশিক্ষণ আৰু জলপানি প্ৰদান ইত্যাদি।

১৮.২। ২০১২-১৩ বাৰ্ষিক পৰিকল্পনাৰ অধীনত সংখ্যালঘুৰ কল্যাণৰ বাবে ৩৩ কোটি টকা আগবঢ়োৱা হৈছে।

১৮.৩। চৰ এলেকাত বসবাস কৰা লোকসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়ন সাধনৰ অৰ্থে কেবাখনো উন্নয়নমূলক আৰু কল্যাণমূলক আঁচনি ৰূপায়নৰ কাম হাতত লোৱা হৈছে। ২০১২-১৩ বৰ্ষত যোগাযোগ ব্যৱস্থা, শক্তিৰ অপৰম্পৰাগত উৎসৰ জনপ্ৰিয়তা বৃদ্ধি, স্বাস্থ্য সেৱাৰ উন্নয়ন, কৃষিৰ উৎপাদন বৃদ্ধি, কুটীৰ শিল্প আৰু শিক্ষা খণ্ডৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হব। অসম বিকাশ যোজনাৰ অধীনত চৰ এলেকাত বসবাস কৰা লোকসকললৈ পাৱাৰ টিলাৰ, পাৱাৰ পাম্প আৰু স্প্ৰেয়াৰ মেচিন যোগান ধৰা হৈছে।

১৮.৪। ২০১২-১৩ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত চৰ এলেকাৰ উন্নয়নৰ বাবে ৪০.৭০ কোটি টকা আগবঢ়োৱা হৈছে।

১৯। চাহ জনজাতি ঃ

১৯.১। চাহ জনজাতি যুৱকসকলৰ হিতৰ অৰ্থে **সকলোবোৰ** বৃত্তিগত ব্যৱসায়ক সামৰি, উন্নতমানৰ যন্ত্ৰপাতি আৰু **সা-সৰঞ্জামেৰে** উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ সৈতে একেমানৰ **কৰি ৫০ টা** দক্ষতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰ শক্তিশালী কৰি তোলা হব। ২০১২-১৩ বৰ্ষটোত বিভিন্ন বৃত্তিৰ অধীনত প্ৰায় ৫ হাজাৰ **নিবনুৱা** হিতাধিকাৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

১৯.২। অট'ৰিক্সা আৰু অট'ভান ক্ৰয়ৰ বিপৰীতে **প্ৰতিগৰাকী** হিতাধীকাৰীক ১ লাখ টকাৰ ৰাজ সাহায্য দিয়াৰ ব্যৱস্থাৰে **গ্ৰাম্য** টেক্সী নামৰ এখন নতুন আঁচনি গ্ৰহণ কৰাৰ প্ৰস্তাৱ লোৱা **হৈছে।** ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত প্ৰায় ৩০০ নিবনুৱা যুৱকক **ইয়াৰ** অধীনত সামৰি লোৱা হব। অন্যান্য অগ্ৰাধিকাৰ **দিবলগীয়া** পৰিয়ালমুখী উপাৰ্জন সৃষ্টিকাৰী আঁচনিবোৰ হ'ল - নাৰ্চিং **প্ৰশিক্ষণ,** হস্ততাঁত আৰু হস্তশিল্প।

১৯.৩। দৰিদ্ৰ চাহ জনজাতিৰ পৰিয়ালবোৰলৈ নিৰাপদ আৰু স্বাস্থ্যসন্মত শৌচাগাৰ আৰু খোৱাপানী যোগানৰ 'ৱাচ' নামৰ (ৱাটাৰ চেনিটেচন এণ্ড হেল্‌থ) আঁচনিখন আৰু ৫ খন জিলালৈ সম্প্ৰসাৰিত কৰা হব।

১৯.৪। ২০১২-১৩ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ **অধীনত** জনজাতিৰ কল্যাণৰ বাবে ২৩ কোটি টকাৰ যোগান ধৰা হৈছে।

২০। **শিক্ষা** ঃ

২০.১। আগন্তুক দিনবোৰত বিশ্ব অৰ্থনীতি জ্ঞানভিত্তিক হৈ আহিবলৈ ধৰিছে। এই জ্ঞানভিত্তিক অৰ্থনীতিত বৰ্ত্তি থাকি উন্নতি



**কৰিবলৈ** হ'লে এক সুস্থ আৰু উন্নত মানদণ্ডৰ শিক্ষা ব্যৱস্থাৰ ভেটি **অপৰিহাৰ্য্য।** সেয়েহে, ৰাজ্যখনৰ শৈক্ষিক ব্যৱস্থাৰ পুণৰুজ্জীৱিতকৰণ **আৰু সংস্কাৰ** সাধনত মোৰ চৰকাৰে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। **এই সংস্কাৰ** প্ৰক্ৰিয়া প্ৰাথমিক শিক্ষাৰ পৰা উচ্চ আৰু বিশ্ববিদ্যালয় **পৰ্যায়লৈকে** আৰম্ভ কৰা হৈছে। শিক্ষকসকলৰ **প্ৰশিক্ষণৰ** ওপৰত **বিশেষ** গুৰুত্ব দিয়া হ'ব।

২০.২। আমি ২০০৯ চনৰ শিক্ষাৰ অধিকাৰ আইনৰ দ্বাৰা **নিৰ্দেশিত** ধৰণে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহৰ **বাবে** কৃতকাৰ্যতাৰে শিক্ষকৰ যোগ্যতা নিৰূপণকাৰী পৰীক্ষা সম্পূৰ্ণ **কৰিছো** আৰু মই নিশ্চিত যে আহি থকা বহাগ বিহুৰ আগতে আমি ২৮,০০০ মেধাবী নতুন শিক্ষকক মকৰল কৰিবলৈ সক্ষম হ'ম। **শিক্ষক** নিযুক্তিৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ নিৰপেক্ষ আৰু স্বচ্ছভাৱে **প্ৰথমবাৰৰ** বাবে সমাপন কৰি থকা হৈছে। শিক্ষকৰ ভৱিষ্যত নিযুক্তিসমূহ শিক্ষাৰ অধিকাৰ আইনৰ ভিত্তিত কৰা হব আৰু টেট **পৰীক্ষাও** বছৰি অনুষ্ঠিত কৰা হব।

২০.৩। প্ৰাথমিক শিক্ষাৰ মান আৰু গুণগত মানদণ্ড উন্নত **কৰিবলৈ** প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক লৈ নতুন জলপানি প্ৰদানৰ **এখন** আঁচনি আৰম্ভ কৰিবলৈ মই ৫০ কোটি টকা ধাৰ্য্য কৰিছো। **শিশুলৈ** বিনামূলীয়া পাঠ্যপুথি, স্কুলীয়া সাজ-পোছাক আৰু মধ্যাহ্ন ভোজন প্ৰদানৰ ওপৰতো গুৰুত্ব প্ৰদান কৰি থকা হৈছে। আগন্তুক বিত্তীয় বৰ্ষত আমাৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ স্কুলীয়া সাজ-পোছাকসহ চেণ্ডেল যোগান ধৰিবলৈ মই সিদ্ধান্ত লৈছো আৰু ইয়াৰ বাবে ২২ কোটি টকা ধাৰ্য্য কৰিছো।

২০.৪। আগন্তুক বৰ্ষত সংস্কৃত টোল আৰু মাদ্ৰাছাসহ সকলো পৰ্যায়ৰ যোগ্য শৈক্ষিক প্ৰতিষ্ঠানক প্ৰাদেশিকীকৰণৰ কাম হাতত লোৱা হব। ইয়াৰ বাবে প্ৰতি বছৰে অতিৰিক্ত প্ৰায় ১৫০০ কোটি টকাৰ পুঁজিৰ প্ৰয়োজন হব। প্ৰাদেশিকীকৰণৰ আওতাৰ বাহিৰত বৈ যোৱা শিক্ষকসকলক সহায় কৰাৰ বাবে, আমি বিগত বৰ্ষত বন্ধ কৰা শিক্ষা প্ৰতিষ্ঠানসমূহলৈ বিত্তীয় সাহায্য আঁচনি, পুনৰ প্ৰৱৰ্তন কৰিবলৈ সিদ্ধান্ত লৈছো। ইয়ে সংস্কৃত টোল আৰু মাদ্ৰাছাসমূহকো সামৰি লব। এই উদ্দেশ্যে ২০১২-১৩ ৰ বাজেটত মই ৩০০ কোটি টকা ৰাখিছো।

২০.৫। বৃত্তিগত শিক্ষাক মূলসূতিলৈ অনাৰ অৰ্থে তথা আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিয়োজনৰ সুবিধা বৃদ্ধি কৰিবলৈ ৬০ খন মাধ্যমিক বিদ্যালয়ত আমি ৰাষ্ট্ৰীয় বৃত্তিগত শিক্ষাগাঁথনি প্ৰাৰম্ভণ কৰিম।

২০.৬। মাধ্যমিক পৰ্যায়ৰ শিক্ষক নিযুক্তি উদ্দেশ্যধৰ্মী আৰু স্বচ্ছ কৰিবৰ অৰ্থে অহা বিত্তীয় বৰ্ষৰ পৰা মাধ্যমিক বিদ্যালয়সমূহৰ বাবেও টেট অনুষ্ঠিত কৰিম। ৰাজ্যখনত শৈক্ষিক পৰিবেশ শক্তিশালী কৰিবলৈ চলোৱা আমাৰ প্ৰচেষ্টাৰ লগত সঙ্গতি ৰাখি সকলো উচ্চমাধ্যমিক বিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। প্ৰথম পৰ্যায়ত, অহা বিত্তীয় বৰ্ষত, এই শাখাসমূহ নথকা বৰ্তমানৰ ৫০০ খন উচ্চ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা আমি প্ৰৱৰ্তন কৰিম। সেই অনুসৰি প্ৰয়োজন হোৱা যোগ্য শিক্ষক, বিজ্ঞানগাৰ আৰু অন্যান্য আন্তঃগাঁথনিৰ বাবে যথোচিত বাজেটৰ ব্যৱস্থা ৰাখিছো।



২০.৭। হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক এটাকৈ লেপটপেৰে আনন্দৰাম বৰুৱা বটা প্ৰদান কৰাৰ লগতে হাইস্কুল শিক্ষান্ত আৰু মাদ্ৰাছা পৰীক্ষাত ৫০ শতাংশ বা তাতকৈ বেছি নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলক মুখ্যমন্ত্ৰী বিশেষ আঁচনিৰ অধীনত এটাকৈ কম্পিউটাৰ দিয়া হ'ব। এই নতুন আঁচনিৰ বাবে মই ৫০ কোটি টকা আছুতীয়াকৈ ৰাখিছো।

২০.৮। আমাৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহত আমি ঘাইকৈ পৰম্পৰাগত বিষয়সমূহৰ ওপৰতে শিক্ষা দান কৰো। এই আমাৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহত তথ্য-প্ৰযুক্তি, জৈৱ-প্ৰযুক্তি, নেন' প্ৰযুক্তি, প্ৰয়োগ কলা আদিৰ দৰে নতুন আৰু প্ৰাসঙ্গিক বিষয়সমূহ প্ৰচলন কৰাৰ ওপৰত গুৰুত্ব দি আহিছো। এই উদ্দেশ্যে মই আমাৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় সমূহত এনেধৰণৰ কমেও ১৬০০ টা নতুন পাঠ্যক্ৰমৰ শাখা সৃষ্টি কৰাৰ সিদ্ধান্ত লৈছো। প্ৰথমবাৰৰ কাৰণে গোটেই দেশখনৰ ভিতৰতে আমিয়েই এনে ধৰণৰ খণ্ডসমূহলৈ নতুন উদ্যম আৰু গতিশীলতা অনাৰ বাবে এক উচ্চতৰ আৰু কাৰিকৰী শিক্ষা অভিযান আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছো। এই অভিযানটো সোনকালে আৰম্ভ কৰাৰ বাবে অহা বছৰৰ বাজেটৰ বাবে মই ২৫ কোটি টকা ৰাখিছো।

২০.৯। পূৰ্বতে মই কোকৰাঝাৰ, কৰিমগঞ্জ, ধেমাজি, গোৱালপাৰা, নগাঁও, নলবাৰী, ওদালগুৰি আৰু গোলাঘাটত একোখনকৈ নতুন আভিযান্ত্ৰীক মহাবিদ্যালয় স্থাপন কৰিবলৈ আৰু গুৱাহাটীৰ বয়ন প্ৰতিষ্ঠানটো পূৰ্ণাঙ্গ আভিযান্ত্ৰিক মহাবিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ কাৰণে প্ৰস্তাৱ লৈছিলো। সেই অনুসৰি মই ইতিমধ্যে কোকৰাঝাৰ, কৰিমগঞ্জ, ধেমাজি আৰু গোলাঘাটৰ প্ৰস্তাৱ মঞ্জুৰ

কৰিছো। অহা বিত্তীয় বৰ্ষত বাকী ৪ খন কলেজ মঞ্জুৰ কৰাৰ বাবেও মই পৰ্য্যাপ্ত বাজেট ব্যৱস্থা ৰাখিছো। আগতেই ঘোষণা কৰি থোৱা ২১ খন নতুন প'লিটেক্‌নিক আৰু ১২ খন নতুন চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য সোনকালেই আৰম্ভ হ'ব। চলিত অধিবেশনতে যোৰহাটত এখন মহিলা বিশ্ববিদ্যালয় স্থাপনৰ বিধেয়কো উত্থাপন কৰা হ'ব। কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়ে শীঘ্ৰে ইয়াৰ কাম-কাজ আৰম্ভ কৰিব। কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুকলি বিশ্ববিদ্যালয়, অসম বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পৌৰাণিক অধ্যয়ন বিশ্ববিদ্যালয় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সবলীকৰণৰ বাবে ২০১২-১৩ বিত্তীয় বৰ্ষৰ বাজেটত যাৱতীয় ব্যৱস্থা ৰখা হৈছে।

২০.১০। অহা বিত্তীয় বৰ্ষত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পুনৰুজ্জীৱিতকৰণৰ বাবে এখন আঁচনি গ্ৰহণ কৰা হ'ব। এই উদ্দেশ্যে তেওঁলোকক সময়-সাপেক্ষে বিতং প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ শিক্ষকঃছাত্ৰ আৰু শিক্ষকঃঅনাশিক্ষক কৰ্মচাৰীৰ অনুপাতৰ চৰ্ত পূৰণ কৰাৰ পিচতহে দুয়োখন বিশ্ববিদ্যালয়ৰে সংশ্লিষ্ট আইনসমূহৰ সংশোধনী ঘটাই ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক সম্প্ৰদায়ৰ পেঞ্চনৰ সা-সুবিধাৰ দাবীটো বিবেচনা কৰা হ'ব। ৰাজ্যিক বিশ্ববিদ্যালয়বোৰকে ধৰি আমাৰ উচ্চতৰ শিক্ষাৰ প্ৰতিষ্ঠানবোৰৰ শিক্ষাৰ গাঁথনি আৰু মান আৰু প্ৰসাৰ উন্নীতকৰণৰ বাবে মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ হিচাপে মই অহা পাঁচ বছৰত ১০০০ কোটি টকা বিনিয়োজনৰ প্ৰস্তাৱ লৈছো। এই উদ্দেশ্যে ২০১২-১৩ বিত্তীয় বৰ্ষৰ বাজেটত ৮০.৫০ কোটি টকাৰ আবন্টন দিয়া হৈছে।



২০.১১। ব্যক্তিগত খণ্ডৰ সহযোগত অসমত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ ব্যৱস্থাপনা প্ৰতিষ্ঠান (I.I.M) স্থাপন কৰাৰ বাবেও মই প্ৰস্তাৱ লৈছো।

২০.১২। ২০১২-১৩ বৰ্ষৰ বাজেটত সাধাৰণ অঞ্চলৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত শিক্ষাখণ্ডৰ বাবে ৮৯৩.৮৪ কোটি টকা ধাৰ্য কৰা হৈছে।

২১। ক্ৰীড়া আৰু যুৱকল্যাণ ঃ

২১.১। ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনিৰ সুবিধাসমূহ উন্নীত কৰিবলৈ আৰু অসম ক্ৰীড়া প্ৰাধিকৰণৰ অধীনত ক্ৰীড়া আন্তঃগাঁথনিৰ নৱীকৰণ আৰু আধুনিকীকৰণৰ প্ৰস্তাৱ কৰা হৈছে। এই উদ্দেশ্যে ১০ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। বিভিন্ন পৰ্যায়ত প্ৰশিক্ষণ শিবিৰৰ আয়োজন আৰু উন্নত সা-সজুলি ক্ৰয়ৰ বাবে ৬০ লাখ টকা আছুতীয়াকৈ ৰখাৰ প্ৰস্তাৱ কৰা হৈছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাসমূহত শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ বাবে প্ৰতিভাৱান খেলুৱৈসকলক উৎসাহিত কৰিবলৈ ক্ৰীড়া বৃত্তি প্ৰদানৰ বাবে ৪০ লাখ টকাৰ প্ৰস্তাৱ কৰা হৈছে। যুৱ প্ৰজন্মক ড্ৰাগ্‌ছ আসক্তি, সুৰা আসক্তি, ৰাষ্ট্ৰ বিৰোধী আৰু সমাজ বিৰোধী কাৰ্যকলাপৰ পৰা বিৰত কৰি ৰাখিবলৈ তেওঁলোকক অধিক সৃষ্টিশীল, আমোদজনক আৰু গঠনমূলক কাৰ্যকলাপত জড়িত কৰি ৰখাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। এই উদ্দেশ্যেৰে আবাসৰ সুবিধাযুক্ত এটি যুৱ ভৱন নিৰ্মাণৰ কাম গুৱাহাটীত চলি আছে।

২১.২। পঞ্চায়ত যুৱক্ৰীড়া আৰু খেল অভিযান (পাইকা) আঁচনিৰ অধীনত খেলপথাৰসমূহৰ উন্নয়নৰ বাবে ৮৮.৬০ লাখ টকা আগবঢ়োৱা হ'ব। শিক্ষানুষ্ঠানসমূহৰ মাধ্যমেৰে ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয়

সেৱা আঁচনি, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ভাৰত স্কাউট্ছ এণ্ড গাইড্ছকো সক্ৰিয়ভাৱে উৎসাহিত কৰিব।

২১.৩। ২০১২-১৩ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত ক্ৰীড়া আৰু যুৱকল্যাণৰ বাবে ১২.১৯ কোটি টকা আগবঢ়োৱা হৈছে।

২২। কলা আৰু সংস্কৃতি ঃ

২২.১। ২০১২-১৩ বৰ্ষৰ ভিতৰত নগাঁৱত এখন নাটকৰ
ৰাজ্যিক প্ৰতিষ্ঠান আৰু গুৱাহাটীত এখন ৰাজ্যিক সঙ্গীত নাটক
একাডেমি তথা ৰাজ্যিক সাহিত্য একাডেমি স্থাপন কৰাৰ প্ৰস্তাৱ লোৱা
হৈছে। পৰ্যায়ক্ৰমে সকলোবোৰ উন্নয়ন খণ্ডতে জ্যোতি-বিষ্ণু প্ৰকল্প
স্থাপনৰো প্ৰস্তাৱ লোৱা হৈছে। এনেধৰণৰ ১০ টা প্ৰকল্প অহা বিত্তীয়
বৰ্ষত স্থাপন কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। তেনেকৈ পৰ্যায়ক্ৰমে
আটাইবোৰ জিলাতে ৰবীন্দ্ৰ ভৱনৰ আৰ্হিত প্ৰেক্ষাগৃহ স্থাপনৰো প্ৰস্তাৱ
লোৱা হৈছে। গুৱাহাটীত আজান ফকীৰ ক্ষেত্ৰ স্থাপনৰ বাবে ২ কোটি
টকা আছুতীয়াকৈ ধৰা হৈছে। এটা শিল্পী কল্যাণ পুঁজি গঠনৰ বাবে
প্ৰস্তাৱ লোৱা হৈছে আৰু ইয়াৰ বাবে ২০১২-১৩ বৰ্ষৰ বাজেটত ২
কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। উন্নয়ন খণ্ডৰ সদৰসমূহত ক্ষুদ্ৰ
চিনেমা গৃহ স্থাপনৰ বাবে উদগনি যোগাবলৈ আঁচনি গ্ৰহণ কৰা হ'ব।

২২.২। পুৰাতাত্বিক স্থানসমূহ আৰু কীৰ্তিস্তম্ভসমূহৰ সুৰক্ষা,
সংৰক্ষণ আৰু উন্নয়নৰ বিষয়টোৱে উচ্চ অগ্ৰাধিকাৰ পাই থাকিব।
ৰাজ্যিক পুৰাতত্ব সঞ্চালকালয়ে ইতিমধ্যে ৯৬ খন পুৰাতাত্বিক স্থান
আৰু কীৰ্তিস্তম্ভ সংৰক্ষণ কৰিছে। ২০১২-১৩ বিত্তীয় বৰ্ষৰ
সময়ছোৱাত পুৰাতাত্বিক স্থান, কীৰ্তিস্তম্ভ আৰু সত্ৰসমূহৰ উন্নয়নৰ
বাবে ২৫ কোটি টকাৰ প্ৰস্তাৱ লোৱা হৈছে।



২২.৩। ৰাজ্যৰ ৰাজধানীত এটি ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁৰাল স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। জিলা আৰু মহকুমা পৰ্যায়ৰ তথা গ্ৰাম্য পুথিভঁৰাল সমূহক কিতাপ যোগান ধৰাৰ বাবে ১৬ কোটি টকা ধাৰ্য্য কৰা হৈছে।

২৩। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ

২৩.১। বিগত কেইটামান বছৰত স্বাস্থ্য খণ্ডত উল্লেখযোগ্য সাফল্য পৰিলক্ষিত হৈছে। ২০১২-১৩ বৰ্ষতো এই খণ্ডটোৱে বিশেষ মনোযোগ লাভ কৰিব। শেহতীয়া বাৰ্ষিক স্বাস্থ্য জৰীপ প্ৰতিবেদনখনে স্বাস্থ্য খণ্ডটোত উল্লেখযোগ্য সাফল্য লাভ কৰা বুলি প্ৰকাশ কৰিছে। প্ৰসুতিৰ মৃত্যুৰ হাৰ (এম এম আৰ) ২০০৪-০৬ বৰ্ষৰ ৪৮০ ৰ পৰা ৩৮১ লৈ হ্ৰাস পাইছে। শিশুৰ মৃত্যুৰ হাৰো (এম এম আৰ) অবিৰতভাৱে হ্ৰাস পাইছে। এই মৃত্যুৰ হাৰ ২০০৯ চনৰ তুলনাত ২০১০ চনত ৬১ ৰ পৰা ৫৮ লৈ ৩ পইন্ট হ্ৰাস পাইছে। ই হৈছে সমগ্ৰ দেশতে হ্ৰাস পোৱা ৰাষ্ট্ৰীয় গড়ৰ সমান। অৱশ্যে, প্ৰসুতিৰ মৃত্যুৰ হাৰ উল্লেখযোগ্যভাৱে হ্ৰাস পোৱা স্বত্বেও ৰাজ্যখনত এই মৃত্যুৰ হাৰ সমগ্ৰ দেশৰ ভিতৰতে সৰ্বাধিক। শিশুৰ মৃত্যুৰ হাৰো ৰাষ্ট্ৰীয় পৰ্যায়ত থকা ৪৭ তকৈ অধিক। সেয়েহে ২০১৬ চনৰ ভিতৰত শিশুৰ মৃত্যুৰ হাৰ ৰাষ্ট্ৰীয় সমপৰ্যায়লৈ অনাৰ বাবে কেতবোৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অমি সিদ্ধান্ত লৈছো। এই লক্ষ্যত উপনীত হবৰ বাবে ১০০% প্ৰতিষ্ঠানিক প্ৰসৱ কৰোৱাবলৈ, নতুনকৈ জন্ম লাভ কৰা শিশু সকলক পৰ্যাপ্ত চিকিৎসাৰ সা-সুবিধা প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ আৰু প্ৰতিষ্ঠানিক তথা অনা-প্ৰতিষ্ঠানিক এই দুয়োটা পৰ্যায়তে শিশুসকললৈ উপযুক্ত চিকিৎসাৰ সুবিধা আগবঢ়াবলৈ আমি সিদ্ধান্ত কৰিছো।

২৩.২। জননী শিশু সুৰক্ষা কাৰ্যসূচীৰ অধীনত **ৰাজ্যখনত বলিষ্ঠ পদক্ষেপ গ্ৰহণ** কৰা হৈছে। ইয়াৰ অধীনত সকলো গৰ্ভৱতী **মহিলাকে** প্ৰসৱ নাইবা অস্ত্ৰোপচাৰৰ সময়ত প্ৰয়োজন হোৱা **বিনামূলীয়া ঔষধ** আৰু বিনামূলীয়া পৰীক্ষা-নিৰীক্ষা কৰাকে আদি কৰি **বিনামূলীয়া** চিকিৎসাৰ সুবিধা আগবঢ়োৱা হৈছে। এই কাৰ্যসূচীৰ **অধীনত ঔষধ** প্ৰদান আৰু স্বাস্থ্য সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষাৰ সুবিধাকে **আদি কৰি** সকলো এমহীয়া শিশুকে সম্পূৰ্ণ বিনামূলীয়া চিকিৎসাৰ **সুবিধা** আগবঢ়োৱা হব। ২০১২-১৩ বৰ্ষতো সকলোবোৰ ছিক **নিউনেটেল কেয়াৰ ইউনিট** (এচ এন চি ইউ) আৰু নিউ বৰ্ন **ষ্টেবিলাইজেশ্বন্ ইউনিট** (এন বি এছ ইউ) ৰ কাম সম্পূৰ্ণ কৰা হব। **এই দুয়োটা পদক্ষেপেৰে** সৈতে প্ৰসুতিৰ মৃত্যুৰ হাৰ আৰু শিশুৰ মৃত্যুৰ **হাৰ হ্ৰাস কৰাৰ** ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য লাভ কৰিব পৰা যাব **বুলি** আমাৰ বিশ্বাস।

২৩.৩। ৬০ খন আদৰ্শ হস্পিতাল নিৰ্মাণৰ কাম আমি হাতত লৈছো। ইয়াৰে ২০১২-১৩ বিত্তীয় বৰ্ষত কমেও ২০ খন **আদৰ্শ** হস্পিতালক কাৰ্যক্ষম কৰি তুলিবলৈ আমি প্ৰস্তাৱ হাতত **লৈছো।** তেজৰ কৰ্কট ৰোগত ভোগা নাইবা হৃদযন্ত্ৰ সংৰোপন, হাড়ৰ মজ্জা সংৰোপন, বৃক্কৰ সংৰোপন ইত্যাদিৰ প্ৰয়োজন হোৱা সকলো দুখীয়া শিশুলৈ সহায়ৰ হাত আগবঢ়োৱাৰ অৰ্থে ৫০ কোটি টকাৰ ক'ৰ্পাছ পুঁজি গঠন কৰা হৈছে। এই উদ্দেশ্যে আমি ৫ কোটি টকা আৱন্টন দিছো।

২৩.৪। জৰুৰী প্ৰয়োজনৰ সময়ত "মৃত্যুঞ্জয়" ১০৮ য়ে আগবঢ়াই থকা সেৱাৰ কথা বিবেচনা কৰি পুৰণি বাহন সমূহৰ চলাচল অমিতব্যয় হৈ পৰাৰ পৰিপ্ৰেক্ষিতত ২৮০ খন বাহনৰ ঠাইত



**নতুন বাহন** যোগান ধৰিবলৈ আমি সিদ্ধান্ত গ্ৰহণ কৰিছো। মেলেৰিয়া **ৰোগক** প্ৰতিৰোধ কৰাৰ অৰ্থে দৰিদ্ৰ সীমাৰেখাৰ অধীনত বাস কৰা **পৰিয়াল** সমূহলৈ এল, এল, আই এম ঔষধযুক্ত আঠুৱা বিতৰণৰ **বাবে** ৩০.০০ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

২৩.৫। আমাৰ জনসাধাৰণলৈ স্বাস্থ্য সেৱা আগবঢ়াই থকা ১০৮ আৰু ১০৪ ৰ নিচিনা স্বাস্থ্য খণ্ডৰ প্ৰযুক্তিসমূহ এই খণ্ডটোত **যথেষ্ট** মূল্যবান হিচাপে পৰিগনিত হৈছে। ২০১২-১৩ বৰ্ষত **জনসাধাৰণৰ** ঘৰে ঘৰে ৰেডিঅ'লজি সেৱা প্ৰদান কৰা অৰ্থে জিলা **সমূহত** দূৰ-ৰেডিঅ'লজি সেৱা আমি আৰম্ভ কৰিম। দুখীয়া আৰু **অভাৱগ্ৰস্ত** লোকসকললৈ সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত আমি অব্যাহত **ৰখা** পদক্ষেপৰ অংশ হিচাপে এইচ্ আই ভি এইডচ্ ৰোগত মৃত্যুবৰণ **কৰা** লোকসকলৰ বিধৱা পত্নী সকললৈ ১ লাখ টকাৰ এককালীন **মঞ্জুৰী** প্ৰদান কৰাৰ বাবে মই ব্যৱস্থা গ্ৰহণ কৰিছো।

২৩.৬। ২০১২-১৩ বিত্তীয় বৰ্ষৰ সময়ছোৱাৰ ভিতৰতে আমি তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ কাম-কাজ আৰম্ভ কৰিম। ডিফুত থকা অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয়ৰ পুঁজি মঞ্জুৰ কৰা হৈছে আৰু অহা তিনি মাহৰ ভিতৰত আমি ইয়াৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ আশা ৰাখিছো। যথোপযুক্ত বাজেট ব্যৱস্থাৰে অহা বছৰৰ পৰা কোকৰাঝাৰ, ধুবুৰী, লখীমপুৰ আৰু নগাঁও জিলাত চিকিৎসা মহাবিদ্যালয় সমূহৰ নিৰ্মাণৰ কামো আৰম্ভ হ'ব। যোৰহাট, কামৰূপ, চিৰাং আৰু বাক্সা জিলাত নতুন জি এন এম বিদ্যালয় স্থাপন কৰা হ'ব। শিশুৰ এখন অত্যাধুনিক চিকিৎসালয় নিৰ্মাণ কৰা হ'ব।

২৩.৭। ২০১২-১৩ ৰ বাজেটত সাধাৰণ এলেকা পৰিকল্পনাৰ অধীনত ৫৮৪.৮২ কোটি টকা আৱনন্টন কৰা হৈছে।

২৪। জনস্বাস্থ্য ঃ

২৪.১। বিগত দশকৰ সময়ছোৱাত গ্ৰাম্য পানী যোগানৰ দিশত অসমে উল্লেখযোগ্য উন্নতি প্ৰত্যক্ষ কৰিছে। গাঁৱৰ সকলো বাসগৃহলৈ বিশুদ্ধ খোৱা পানীৰ যোগান নিশ্চিতকৰণৰ অৰ্থে পৰিমাণগত আৰু গুণগত মান সম্পৰ্কীয় বিষয়বোৰ নিবাময়ৰ কাৰণে এখন দীৰ্ঘ ম্যাদী (২০১১-১২) কৌশলগত আঁচনিৰ কথা ভবা হৈছে।

২৪.২। পানীৰ সংৰক্ষণ আৰু বৰষুণৰ পানী জমা কৰি ৰখা, পুখুৰীৰ লেখীয়া পৰম্পৰাগত উৎসসমূহৰ পুনৰুজ্জীৱিতকৰণ আৰু ব্যৱহাৰৰ অনুপযোগী হৈ থকা আঁচনিসমূহ আতৰাই তথা পুনৰুজ্জীৱিতকৰণেৰে নতুন পানী যোগানৰ ব্যৱস্থা স্থাপনৰ দৰে উপায়সমূহ গ্ৰহণৰ দ্বাৰা খোৱা পানীৰ উৎস তথা ব্যৱস্থাসমূহ অবিৰত ৰূপত চলি থকাত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে।

২৪.৩। ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত সৰ্বমুঠ ৩৮৫৩ টা সামৰি নোলোৱা/আংশিকভাৱে সামৰি লোৱা জনবসতিক আৰু ৩৪৯৪ টা গুণগত মানত আক্ৰান্ত জনবসতিলৈ বিশুদ্ধ খোৱা পানীৰ সুবিধা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। ২০১১-১২ বৰ্ষৰ জানুৱাৰী, ২০১২ লৈ ৫৯১ খন গ্ৰামীন বিদ্যালয়লৈ বিশুদ্ধ খোৱা পানীৰ সুবিধা প্ৰদান কৰা হৈছে। ২০১২-১৩ বৰ্ষত ২৬৪৪ খন বিদ্যালয়লৈ বিশুদ্ধ খোৱা পানীৰ সুবিধা আগবঢ়াবলৈ প্ৰস্তাৱ লোৱা হৈছে। পানীৰ উৎসসমূহ অবিৰতভাৱে পাবলৈ ২০০০ খন গ্ৰাম্য প্ৰাথমিক বিদ্যালয় আৰু ৫০০ টা প্ৰতিষ্ঠানিক গৃহত বৰষুণৰ পানী জমা কৰি ৰখা গাঁথনিৰ কাম হাতত লোৱা হৈছে। পানীৰ গুণগত মানদণ্ড বিশেষকৈ ফ্ল'ৰাইড আৰু আৰ্চেনিক মিহলি হৈ থকা বিষয়টো মোকাবিলা কৰাৰ ওপৰত অমি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছো। দীৰ্ঘম্যাদী ব্যৱস্থা



হিচাপে বিকল্প নিৰাপদ পৃষ্ঠৰ উৎস সহ অন্যান্য বহুতো সংখ্যক বৃহৎ আঁচনিও হাতত লোৱা হৈছে। ৰাজ্যখনত গ্ৰাম্য খোৱা পানী আঁচনিখন পূৰ্ণ পৰ্যায়ত ৰূপায়ন কৰা হব।

২৪.৪। গ্ৰাম্য অনাময় ব্যৱস্থাৰ সংস্কাৰৰ পদক্ষেপ হিচাপে প্ৰাৰম্ভণ কৰা সম্পূৰ্ণ অনাময় অভিযানখন চাহিদাৰ সহাৰি ভিত্তিত ৰূপায়ন কৰি থকা হৈছে। বৰ্তমান সকলোবোৰ জিলাতে সম্পূৰ্ণ অনাময় অভিযানখন ৰূপায়ন কৰি থকা হৈছে আৰু ইয়াৰ সম্পূৰ্ণ প্ৰকল্প ব্যয় হৈছে ৯২৮ কোটি টকা। আজিৰ তাৰিখলৈকে সম্পূৰ্ণ অনাময় অভিযানৰ অধীনত সমগ্ৰ ৰাজ্যখনত দাৰিদ্ৰ সীমাৰেখাৰ তলৰ বাসগৃহৰ বাবে ১৩,৯০,৮০৫ টা ব্যক্তিগত গৃহ শৌচাগাৰ, ৩৩,৬৬১ টা বিদ্যালয় অনাময় ব্লক, ৩৯ টা সামূহিক অনাময় চৌহদ আৰু ১০,৯১৭ টা অংগনবাড়ী প্ৰস্ৰাৱগাৰ স্থাপন কৰা হৈছে।

২৪.৫। ২০১২-১৩ ৰ বাজেটত জনস্বাস্থ্য খণ্ডৰ বাবে সাধাৰণ এলেকাৰ পৰিকল্পনা শিতানত ১২৫.৭০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰে ভিতৰত এন আৰ ডি ডব্লিউ পি আৰু টি এচ চিৰ বিপৰীতে ৰাজ্যিক অংশৰ ৫০ কোটি টকা আৱন্টন দিয়া হৈছে।

২৫। সমাজ কল্যাণ ঃ

২৫.১। মহিলা আৰু শিশুৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে আই চি ডি এচ আঁচনিৰ অধীনত ক্ষুদ্ৰ অংগনবাড়ী কেন্দ্ৰকে ধৰি প্ৰতিটো অংগনবাড়ী কেন্দ্ৰতে "মাতৃ মণ্ডল গোট" গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ মুঠ সংখ্যা হব ৫৭,৭৬৭ টা।

২৫.২। ৭ গৰাকী হিতাধিকাৰীৰে গঠিত একোটাকৈ "মাতৃ সহায়ক গোট" গঠন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে- এই বোৰক ক্ষুদ্ৰ

অংগনবাড়ী কেন্দ্ৰকে ধৰি অংগনবাড়ী কেন্দ্ৰসমূহত থকা মাতৃ মণ্ডল গোটসমূহে নিৰ্বাচন কৰিব। এগৰাকী মহিলাই "মাতৃ মিত্ৰ" হিচাপে কাম কৰিব আৰু এই গৰাকী মহিলা "মাতৃ সহায়ক গোট"ৰ নেত্ৰী হ'ব।

২৫.৩। বৰ্তমানে ৰূপায়ন কৰি থকা "মুখ্যমন্ত্ৰীৰ মহিলা সমৃদ্ধি-আঁচনি" খন অহা বিত্তীয় বৰ্ষতো অব্যাহত ৰখা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ৰাজ্যখনৰ মহিলা সম্পৰ্কীয় সকলোবোৰ আঁচনিৰে সমন্বয় সাধনৰ অৰ্থে শীৰ্ষ নিকায় হিচাপে এখন মহিলা উন্নয়ন পৰিষদ গঠন কৰা হ'ব। মহিলা সৱলীকৰণৰ বাবে থকা ৰাষ্ট্ৰীয় অভিযানৰ অধীনত মহিলা সৱলীকৰণৰ বাবে এই পৰিষদে ৰাজ্যিক অভিযান কৰ্তৃপক্ষ হিচাপে কাম কৰিব।

২৫.৪। যোৱা বছৰ আৰম্ভ কৰা কিশোৰী ছোৱালীৰ বাবে থকা ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় আঁচনি আৰু ইন্দিৰা গান্ধী মাতৃত্ব সহযোগ যোজনা (আই জি এম এছ ওৱাই) ৰ ৰূপায়নৰ কাম অহা বছৰো অব্যাহত ৰখা হ'ব।

২৫.৫। নিশাৰ আশ্ৰয় প্ৰদানৰ ক্ষেত্ৰত কাম কৰি থকা বৃহত্তৰ গুৱাহাটীৰ অন্তৰ্গত খ্যাতিসম্পন্ন অনা-চৰকাৰী সংস্থাৰ সহযোগত আশ্ৰয়হীন লোক সকললৈ নিশাৰ আশ্ৰয় প্ৰদানৰ এখন বিশেষ আঁচনি ৰূপায়নৰ কাম হাতত লোৱা হৈছে আৰু এই আঁচনিখন অহা বছৰ ২০ খন জিলালৈ সম্প্ৰসাৰণৰ প্ৰস্তাৱ লোৱা হৈছে।

২৫.৬। ৰাজ্যখনৰ জ্যেষ্ঠ নাগৰিক সকলৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাতো সুনিশ্চিত কৰিবলৈ, ৰাজ্যখনৰ জ্যেষ্ঠ নাগৰিকসকলৰ সৱলীকৰণৰ দিশত কাম কৰি থকা স্বীকৃতিপ্ৰাপ্ত অনা-চৰকাৰী সংস্থাৰ সহযোগত ৰাজ্যখনৰ আঠাই কেইখন জিলাতে বৃদ্ধ আবাস গৃহ নিৰ্মাণ তথা চোৱা-চিতাকৰণৰ প্ৰস্তাৱ হাতত লোৱা হৈছে। জ্যেষ্ঠ নাগৰিকসকলৰ সৰ্বাঙ্গীন কল্যাণৰ অৰ্থে আঁচনি ৰূপায়নৰ কাম হাতত লোৱাৰ বাবে চৰকাৰক পৰামৰ্শ দিবলৈ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে এখন ৰাজ্যিক পৰিষদ গঠনৰ জাননী জাৰি কৰা হৈছে। "বৃদ্ধলোকৰ বাবে চিকিৎসাৰ সুবিধা" আঁচনিৰ অধীনত প্ৰতি বছৰে প্ৰতিজন হিতাধিকাৰীলৈ আগবঢ়োৱা ধন ৭০০ টকাৰ পৰা ১০০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

২৫.৭। ৰাজ্যিক পৰিকল্পনাৰ অধীনত ২০১২-১৩ বৰ্ষৰ বাজেটত সমাজ কল্যাণৰ বাবে ২০১.৯৪ কোটি টকাৰ আৱণ্টন দিয়া হৈছে। ই কেন্দ্ৰীয় আঁচনিসমূহৰ বিপৰীতে ৰাজ্যিক অংশ হিচাপে ধৰিব লগা ১১৩.২১ কোটি টকা সামৰি লৈছে।

২৬। কৃষি ঃ

২৬.১। ২০১০-১১ বৰ্ষটোত ৰাজ্যখনে ৫০.৮৬ লাখ টন ধান উৎপাদনেৰে অভিলেখ গঢ়িব পাৰিছিল। ২০১০-১১ বৰ্ষটোৰ সময়ছোৱাত ধান উৎপাদনৰ ক্ষেত্ৰত আৰু খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত দেশৰ দ্বিতীয় শ্ৰেণীৰ ৰাজ্যবোৰৰ ভিতৰত অসম সৰ্বোত্তম পাৰদৰ্শী ৰাজ্য বুলি ঘোষিত হৈছিল। ইয়াৰ বাবে বিগত ১৬/০৭/২০১১ তাৰিখে ভাৰত চৰকাৰৰ পৰা ৰাজ্যখনে ২ কোটি টকাৰ নগদ বঁটা লাভ কৰিছিল।

২৬.২। একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত ২,০০,২৯৫ টা পাম্পচেট, ৪,২৪০ খন ট্ৰেক্টৰ, ১২,৯৩৯ খন

পাৰাৰ টিলাৰ আৰু ৯১২ খন অট'ভান ক্ৰয়ৰ বাবে ৰাজ্যখনে কৃষকসকললৈ সাহায্য আগবঢ়াইছে।

২৬.৩। শাক-পাচলিৰ উৎপাদন বৃদ্ধিৰ বাবে "চহৰীয়া লোকৰ শাক-পাচলিৰ উদগনি" নামেৰে এখন বিশেষ আঁচনিৰ কাম আৰম্ভ কৰা হৈছে। তৃণমূল পৰ্যায়ত আধুনিক প্ৰযুক্তিৰ প্ৰসাৰণ ঘটোৱাৰ বাবে 'সমেতি' (এচ এ এম ই টি আই) নামৰ এটা সংস্থা গঠন কৰা হৈছে।

২৬.৪। বিত্তীয় প্ৰতিষ্ঠানসমূহৰ জৰিয়তে কৃষিগত ঋণ দিয়াৰ ওপৰত মোৰ চৰকাৰে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। মই ইতিমধ্যে শস্য ঋণৰ ক্ষেত্ৰত বাৰ্জিক সুদ সাহায্যৰ পৰিমাণ ৩ শতাংশলৈ বৃদ্ধি কৰিছো আৰু সুদৰ সকাহ দিয়া ঋণৰ পৰিমাণ ২০,০০০ টকাৰ পৰা ৩৫,০০০ টকালৈ বৃদ্ধি কৰিছো। ২০১১-১২ বৰ্ষৰ সময়ছোৱাৰ ২০১২ চনৰ জানুৱাৰী মাহলৈকে এক অভিলেখ সংখ্যক ২,৮৭,০০০ খন কিষাণ ঋণ পত্ৰ বিতৰণ কৰা হৈছে আৰু লগতে ৭২৪.৭৪ কোটি টকাৰ ঋণো মঞ্জুৰ কৰা হৈছে। ইতিমধ্যে উল্লেখ কৰিছোৱেই যে অসমৰ কৃষি ঋণ ৰাষ্ট্ৰীয় গড় পৰিমাণ ১৮ শতাংশ অতিক্ৰম কৰি ১৯ শতাংশলৈ বৃদ্ধি পাইছে।

২৬.৫। মোৰ চৰকাৰে ভোট জলকীয়া, কাঠফুলা, আদা, চীনা বাদাম, হালধি, ফুল, অৰ্কিড আৰু ঔষধি গছৰ লেখিয়া উচ্চ মূল্যৰ শস্যাদিৰ উন্নয়নৰ ওপৰত অগ্ৰাধিকাৰ দি থাকিব। কৃষি ভিত্তিক প্ৰক্ৰিয়াকৰণৰ সা-সুবিধাসমূহক উদগনি যোগোৱাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। কৃষক সকলক সা-সুবিধা দিয়াৰ বাবে বিপণনৰ বুনিয়াদী ব্যৱস্থাটো উন্নত কৰা হ'ব।



২৬.৬। 'মিছন ডাবল ক্ৰপিং' কাৰ্যসূচীৰ অধীনত আমাৰ চৰকাৰে ৫ লাখ হেক্টৰ মাটিক সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰিছে। ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত বিশেষ আঁচনিৰ অধীনত ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকললৈ ৫০% ৰাজ সাহায্যৰে ১০০০ খন ট্ৰেক্টৰ আৰু ২০০০ খন পাৱাৰ টিলাৰ বিতৰণ কৰাৰ বাবে চৰকাৰে প্ৰস্তাৱ আগবঢ়াইছে।

২৬.৭। অহা বিত্তীয় বৰ্ষত নলবাৰী জিলাত এখন উদ্যান কৃষি মহাবিদ্যালয় স্থাপনৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছোঁ। মই লগতে 'মুখ্যমন্ত্ৰীৰ গ্ৰামীন ভঁৰাল যোজনা', 'মুখ্যমন্ত্ৰীৰ বিশেষ বজাৰ আঁচনি', 'মুখ্যমন্ত্ৰীৰ শুৱনি গাওঁ আঁচনি' 'মুখ্যমন্ত্ৰীৰ উদ্যান প্ৰসাৰ আঁচনি' নামেৰে পাঁচখন নতুন আঁচনি আৰম্ভ কৰাৰো প্ৰস্তাৱ আগবঢ়াইছোঁ। এই আঁচনিসমূহৰ বাবে পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰা হৈছে।

২৬.৮। অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্পৰ বাবে ৭৫ নিযুত মাৰ্কিন ডলাৰৰ অতিৰিক্ত বিনিয়োগৰ অৰ্থে বিশ্ব বেংকৰ লগত বুজাবুজি সম্পন্ন হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ে ইয়াৰ আন্তঃগাঁথনি উন্নীতকৰণ, গৱেষণা আৰু উন্নয়নৰ সা-সুবিধা তথা তৃণমূল পৰ্যায়লৈ প্ৰযুক্তিৰ বিস্তাৰিতকৰণৰ বাবে সকলোধৰণৰ সহযোগিতা আগবঢ়াব।

২৬.৯। কৃষিজীৱি সম্প্ৰদায়ৰ জীৱিকা উন্নীতকৰণৰ বাবে ৰাজ্যখনৰ কৃষি-উদ্যান খণ্ডটোৰ সমতাপূৰ্ণ বিকাশৰ অৰ্থে আমাৰ চৰকাৰৰ উদ্যোগ অব্যাহত থাকিব।

২৬.১০। সাধাৰণ এলেকাৰ ৰাজ্যিক পৰিকল্পনাৰ অধীনত ২০১২-১৩ বৰ্ষৰ বাজেটত এই খণ্ডটোৰ বাবে ৫৮৫.৭২ কোটি টকাৰ আৱন্টন দিয়া হৈছে।

২৭। জলসিঞ্চন ঃ

২৭.১। বৃহৎ/মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চন খণ্ডসমূহৰ অধীনত বিভিন্ন জলসিঞ্চন আঁচনি ৰূপায়নৰ দ্বাৰা ৰাজ্যখনত অধিক জলসিঞ্চনৰ সম্ভাৱণীয়তা সৃষ্টি কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ।

২৭.২। ২০১২-১৩ বিত্তীয় বৰ্ষত এ আই বি পিৰ অধীনত ৩৩,৭০০ হেক্টৰ ভুমিত জলসিঞ্চনৰ সম্ভাৱণীয়তা সৃষ্টি কৰিবলৈ ৪টা বৰ্তমানে চলি থকা বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। একাদিক্ৰমে ৫,৬৬৮ হেক্টৰ আৰু ৩৪,০০০ হেক্টৰ সামগ্ৰিকভাৱে হেৰাই যোৱা সম্ভায়ণীয়তা পুনৰ স্থাপনৰ অৰ্থে ৰূপহী আৰু বৰডিকৰাই জলসিঞ্চন প্ৰকল্প নিৰ্মাণৰ কাম পুনৰ আৰম্ভ কৰি চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।

২৭.৩। দ্ৰুত জলসিঞ্চন হিত আঁচনিৰ অধীনত ২৯,৬০০ হেক্টৰত জলসিঞ্চনৰ সম্ভাৱণীয়তা প্ৰাপ্ত কৰিবলৈ ক্ষুদ্ৰ জলসিঞ্চন খণ্ডৰ অধীনত ২৭০ টা বৰ্তমানে নিৰ্মাণৰত আঁচনিৰ কাম সম্পূৰ্ণ কৰিবলৈ পূৰ্ণোদমে নিৰ্মাণ কাৰ্য্য চলাই থকা হৈছে আৰু অধিক অঞ্চলক জলসিঞ্চনৰ অধীনলৈ আনিবলৈ নাবাৰ্ড (আৰ আই ডি এফ), ৰাজ্যিক পৰিকল্পনা, কেন্দ্ৰীয় অপৰিশোধেয় সমল শিতান (এন এল চি পি আৰ), কমাণ্ড এৰিয়া ডেভেলপমেন্ট আৰু জল ব্যৱস্থাপনা আঁচনি (CAD & WM) ইত্যাদিৰ অধীনত বহুতো সংখ্যক আঁচনি ৰূপায়ন কৰি থকা হৈছে।



২৭.৪। ২০১১-১২ বৰ্ষৰ সময়ছোৱাত জলসিঞ্চনৰ অধীনলৈ অহা এলেকাৰ পৰিমাণ ৬৪,৯০০ হেক্টৰলৈ বৃদ্ধি হব বুলি আশা কৰা হৈছে।

২৭.৫। সাধাৰণ এলেকা বাৰ্ষিক পৰিকল্পনা ২০১২-১৩ ৰ অধীনত জলসিঞ্চন খণ্ডৰ বাবে আমি ৩৯২.৫৮ কোটি টকা আবন্টনৰ প্ৰস্তাৱ কৰিছো।

২৮। পশুপালন, পশুচিকিৎসা আৰু দুগ্ধ উন্নয়ন ঃ

২৮.১। পশুপালন আৰু দুগ্ধ উন্নয়ন আমাৰ গ্ৰাম্য অৰ্থনীতিৰ এক অবিচ্ছেদ্য অংগ। অসমত এই খণ্ডটোৰ বিকাশৰ বাবে যথেষ্ট সম্ভৱনীয়তা আছে। ইয়াত স্বনিয়োজনৰ সম্ভৱনীয়তাও যথেষ্ট। সেয়েহে, এই খণ্ডটোৰ ওপৰত মই বিশেষ গুৰুত্ব দিছো।

২৮.২। কৃত্ৰিম প্ৰজনন কেন্দ্ৰসমূহলৈ গুণগত শুক্ৰ যোগান ধৰিবলৈ বৰপেটাত এটা অত্যুৎকৃষ্ট শুক্ৰ উৎপাদন কেন্দ্ৰ স্থাপন কৰি থকা হৈছে।

২৮.৩। পশুধন সেৱা প্ৰদান ব্যৱস্থাৰ সৈতে নিয়োজিত সকলোবোৰ দায়িত্ববাহীৰ সামৰ্থ্য বৃদ্ধিৰ বাবে কামৰূপ (মহানগৰ) জিলাৰ ৰাণীত পশুধন উদ্যমিতা ব্যৱস্থাপনাৰ এটা আঞ্চলিক প্ৰতিষ্ঠান স্থাপন কৰি থকা হৈছে। ৰাজ্যখনত পশু চিকিৎসা সম্প্ৰসাৰণ আন্তঃগাঁথনিৰ শক্তিশালীকৰণৰ বাবে ১০৩ খন নতুন পশু চিকিৎসা হস্পিতাল নিৰ্মাণ কৰি থকা হৈছে।

২৮.৪। কৃষক সকললৈ পশুধন চিকিৎসা প্ৰযত্ন সেৱা নিজ গৃহতে উপলব্ধ কৰাবলৈ ৰাজ্যখনৰ ২০ খন জিলাত ২৬ খন ভ্ৰাম্যমান এম্বুলেটৰী ভান আৰম্ভ কৰা হ'ব।

২৮.৫। ৰাজ্যখনক গাখীৰৰ নাটনি হোৱা ৰাজ্যৰ পৰা গাখীৰৰ বাহি হোৱা ৰাজ্যলৈ পৰিবৰ্তনৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি নিৰ্বাচিত এলেকাসমূহত গাখীৰৰ উৎপাদন বৃদ্ধি কৰিবলৈ সংহত আৰু কেন্দ্ৰীভূত পদক্ষেপ লোৱা হ'ব। একেদৰে ৰাজ্যখনক এখন মাংসৰ বাহি হোৱা ৰাজ্য হিচাপে পৰিগণিত কৰিবলৈ ছাগলী আৰু গাহৰিৰ নিচিনা সৰু পাগুলি খোৱা জন্তুৰ প্ৰজনন উন্নীতকৰণৰ জৰিয়তে মাংসৰ উৎপাদন বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

২৮.৬। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰায়োজনসমূহ পূৰণ কৰিবলৈ পশু চিকিৎসা জীৱ বিদ্যাৰ প্ৰতিষ্ঠানক জি এম পি আৰু আই এচ অ' মানদণ্ডলৈ উন্নীত কৰা হ'ব। পশু স্বাস্থ্য সেৱা প্ৰদান ব্যৱস্থাৰ সৈতে নিয়োজিত থকা ব্যক্তিসকলৰ সামৰ্থ্য বৃদ্ধিৰ বাবে এটা বিষয়া প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হ'ব আৰু এই উদ্দেশ্যে ২০১২-১৩ বৰ্ষত ৩.৫০ কোটি টকা খটুওৱাৰ কথা ভবা হৈছে।

২৮.৭ আন্তঃগাঁথনিৰ সা-সুবিধা উন্নীতকৰণৰ এক পদক্ষেপ হিচাপে ৮০ খন পশু চিকিৎসা হাস্পাতাল আৰু ৬ খন পশু চিকিৎসা হাস্পাতালৰ চৌহদ এই বছৰৰ ভিতৰতে পুনৰ নিৰ্মাণ কৰা হ'ব।

২৮.৮। ২০১২-১৩ ৰ বাজেটত সাধাৰণ এলেকা বাৰ্ষিক পৰিকল্পনাৰ অধীনত এই খণ্ডৰ বাবে ৫৮.৮৯ কোটি টকা আবন্টন দিয়া হৈছে।



২৯। মীন ঃ

২৯.১। মাছৰ উৎপাদনত ৰাজ্যখনক স্ব-নিৰ্ভৰশীল কৰি তোলাৰ বাবে আমাৰ চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। মহিলা সবলীকৰণতো অগ্ৰাধিকাৰ দিয়া হৈছে। মাছৰ পোনা উৎপাদন আঁচনিৰ অধীনত প্ৰায় ৬,৫২৮ গৰাকী গ্ৰাম্য মহিলা হিতাধিকাৰীলৈ সাহায্য আগবঢ়োৱা হৈছে।

২৯.২। বিজ্ঞানভিত্তিক মৎস্য উৎপাদনৰ বাবে গণ সচেতনতা সৃষ্টিৰ উদ্দেশ্যৰে খণ্ড পৰ্যায়ত আমি আয়োজন কৰি অহা ঐকান্তিক সজাগতা কাৰ্যসূচীসমূহ এই বছৰো অব্যাহত থাকিব।

২৯.৩। উৎপাদক আৰু গ্ৰাহকসকলৰ সেৱাৰ্থে ৰাজ্যখনৰ বিভিন্ন জিলাত স্বাস্থ্যসন্মত মাছৰ বজাৰ স্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। নগাওঁ জিলাৰ চুলুঙত এখন স্বাস্থ্যসন্মত মাছৰ বজাৰৰ নিৰ্মাণকাৰ্য বৰ্তমানে চলি আছে।

২৯.৪। অহা বিত্তীয় বৰ্ষত হাতত লবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ আঁচনিসমূহ হৈছে - মৎস্য আৰু মৎস্য পোনা উৎপাদন (আমাৰ পুখুৰী আঁচনি) ৰ অধীনত নতুন পুখুৰী নিৰ্মাণ, পৰিত্যক্ত জলাশয়সমূহৰ পুণৰুদ্ধাৰ (স্ব-নিয়োজন আঁচনি), মৎস্য পালকৰ উন্নয়ন অভিকৰণৰ যোগেদি সজীৱ পানী জলজ জীৱৰ উন্নয়ন, মৎস্য ক্ষেত্ৰসমূহৰ সম্প্ৰসাৰণ আৰু প্ৰশিক্ষণ, বিল/মুক্ত মৎস্য ক্ষেত্ৰসমূহৰ উন্নয়ন (মৎস্য গন্ধা আঁচনি), মহিলা সবলীকৰণ কাৰ্যসূচী, মৎস্য মিত্ৰ আঁচনিৰ অধীনত কম আয়ৰ সময়খিনিত মাছমৰীয়া সকললৈ এককালীন সাহায্য, মাছমৰীয়াসকলৰ বাবে ৰাষ্ট্ৰীয় কল্যাণ পুঁজি, বিশ্ব বেংকৰ পুঁজিৰে অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্পৰ

সম্প্ৰসাৰিত পৰ্যায়, গুৱাহাটীত এটা ৰাজ্যিক আলংকাৰিক মৎস্য একুৱাৰিয়াম আৰু আৰ আই ডি এফৰ অধীনৰ আঁচনিসমূহ।

২৯.৫। ২০১২-১৩ বৰ্ষৰ বাজেটত সাধাৰণ এলেকাৰ ৰাজ্যিক পৰিকল্পনাৰ অধীনত এই খণ্ডটোৰ বাবে ৪৪.৩২ কোটি টকা আবন্টন কৰা হৈছে।

৩০। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ

৩০.১। জীৱিকাৰ সুবিধা প্ৰদান, সামাজিক নিৰাপত্তা ব্যৱস্থাৰ সুদৃঢ়কৰণ আৰু উন্নত তথ্য প্ৰযুক্তি সবলীকৰণৰ জৰিয়তে গ্ৰাম্য দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে হাতত লোৱা ব্যৱস্থাসমূহক সবল কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

৩০.২। এম জি এন ৰে গা আঁচনিৰ অধীনত এই বছৰ প্ৰায় ৬০০ লাখ টা কৰ্মদিন সৃষ্টিৰ প্ৰস্তাৱ লোৱা হৈছে। এই আঁচনিৰ অধীনত জৱকাৰ্ড প্ৰাপ্ত লোকসকললৈ বেংক একাউন্টৰ জৰিয়তে আগবঢ়োৱা বৰ্তমানৰ ৯৫% হাজিৰাৰ নিৰিখৰ পৰা, এই বছৰ পোষ্টেল আৰু বেংক একাউন্টৰ জৰিয়তে ১০০% মজুৰী দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে। এই উদ্দেশ্যে জৱকাৰ্ড প্ৰাপ্ত লোকসকলক বায়'মেট্ৰিক চিনাক্তকৰণ ব্যৱস্থাৰ অধীনলৈ অনাৰ প্ৰস্তাৱ লোৱা হৈছে। অহা বিত্তীয় বৰ্ষত গছপুলি ৰোপণ, মৎস্যপালন আৰু অন্যান্য উপাৰ্জন সৃষ্টি আঁচনিৰ জৰিয়তে জীৱিকা বৃদ্ধিৰ আৰু অধিক আঁচনি গ্ৰহণৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

৩০.৩। এম জি এন ৰে গা আঁচনিৰ ব্যক্তিগত হিতাধিকাৰী উপাদানৰ অধীনত উপাৰ্জন সৃষ্টিৰ গছপুলি ৰোপণ আঁচনিৰে সৈতে ইন্দিৰা আৱাস যোজনাৰ হিতাধিকাৰীসকলক ফলপ্ৰসু অনাময়



ব্যৱস্থাৰ সা-সুবিধা [illegible] অৰ্থে ইন্দিৰা আৱাস যোজনাৰ আঁচনিখনক সম্পূৰ্ণ অনাময় অভিযান আঁচনিৰ সৈতে সংলগ্ন কৰাৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

৩০.৪। অহা বিত্তীয় বৰ্ষৰ পৰা স্বৰ্ণ জয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনাক ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা মিচন হিচাপে পুনৰ গঠন কৰিবলৈ লোৱা হৈছে। দক্ষতা বৃদ্ধি, গ্ৰাম্য যুৱক-যুৱতীক নিয়োগৰ সুবিধা প্ৰদান, আত্ম নিয়োগৰ সুবিধা প্ৰদান আৰু মহিলা আত্মসহায়ক গোটৰ জৰিয়তে প্ৰতিষ্ঠানিক বিত্ত যোগানৰ দ্বাৰা দৰিদ্ৰতা নিষ্কাষণ কৰাৰ বাবে এই আঁচনিখনে লক্ষ্য স্থিৰ কৰিছে। মিচন পদ্ধতিত এই আঁচনিখনক ৰূপায়নৰ বাবে অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা মিচন চ'ছাইটিখনক ইতিমধ্যে পঞ্জীয়ন কৰা হৈছে। অহা বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা মিচন (এন আৰ এল এম) ৰ অধীনত ৪২ টা উন্নয়ন খণ্ডক সামৰি লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

৩০.৫। অহা বিত্তীয় বৰ্ষত দৰিদ্ৰ সীমাৰেখাৰ অধীনত কাম কৰা লোক আৰু গৰাখহনীয়াৰ দ্বাৰা আক্ৰান্ত পৰিয়ালসকলৰ বাবে এক বিশেষ পেকেজ হিচাপে এনেধৰণৰ প্ৰতিটো পৰিয়াললৈ ৫০০০ টকা আৰু দুই বান্দোলকৈ টিনপাত যোগান ধৰাৰ প্ৰস্তাৱ হাতত লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি স্বনিয়োজন যোজনাৰ অধীনত ২০১২-১৩ বৰ্ষত আত্ম নিয়োজনৰ বাবে অৰ্থনৈতিক কাম-কাজ হাতত লোৱাৰ অৰ্থে ১২,০০০ যুৱক-যুৱতীক যৌথ জবাবদিহি গোট হিচাপে সংগঠিত কৰা হব আৰু তেওঁলোকক ৰাজসাহায্য যোগান ধৰা হব।

৩০.৬। ৰাজ্যখনত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালসমূহক চিনাক্তকৰণৰ বাবে আৰ্থ-সামাজিক আৰু জাতিগত

পিয়লৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। নিৰ্ভূলতা আৰু স্বচ্ছতাৰ বাবে ট্যাবলেত পি চি আৰু ২০১১ চনৰ লোক পিয়লৰ তথ্য ভাণ্ডাৰ ব্যৱহাৰৰ জৰিয়তে এই পিয়লৰ কাম কৰিবলৈ লোৱা হৈছে।

৩০.৭। ক্ষেত্ৰীয় কৰ্মচাৰীৰ নাটনিৰ জোৰা মৰাৰ অৰ্থে বৰ্তমানৰ খালী পদসমূহ ক্ষীপ্ৰতাৰে পূৰণ কৰা প্ৰস্তাৱ লোৱা হৈছে। চতুৰ্থ ৰাজ্যিক বিত্ত আয়োগে ২০১২ চনৰ ৩০ এপ্ৰিল তাৰিখৰ আগতে তিনি তৰপীয়া পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ বাবে প্ৰয়োজন হোৱা কৰ্মচাৰীৰ সংখ্যাগাঁথনি সম্পৰ্কীয় প্ৰতিবেদন আৰু অনুমোদনাৱলী আগবঢ়াব বুলি আশা কৰা হৈছে।

৩০.৮। ২০১২-১৩ বৰ্ষৰ বাজেটত সাধাৰণ এলেকা বাৰ্ষিক পৰিকল্পনাৰ অধীনত বিভিন্ন গ্ৰামোন্নয়ন আঁচনিৰ বাবে ৯০০.২৬ কোটি টকা আৱন্টন দিয়া হৈছে। ইয়াৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ অংশ আৰু ৰাজ্য চৰকাৰৰ অংশৰ অনুপাতৰ ওপৰত নিৰ্ভৰ কৰি, পৰ্যাপ্ত পৰিমাণৰ কেন্দ্ৰীয় পুঁজি আমাৰ ৰাজ্যলৈ অহাৰ পথ সূচল হ'ব।

৩১। সমবায় ঃ

৩১.১। আৰ্থ-সামাজিক উন্নয়ন, বিশেষকৈ দৰিদ্ৰতা হ্ৰাসৰ ক্ষেত্ৰত সমবায় সমূহৰ প্ৰভাৱ, নিয়োগ সৃষ্টি আৰু সামাজিক ঐক্যতাৰ দিশত সমবায় সমূহৰ দিশটো আলোকপাত কৰি ৰাষ্ট্ৰ সংঘৰ সাধাৰণ পৰিষদে ২০১২ বৰ্ষটোক আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ হিচাপে ঘোষণা কৰিছে। অসম চৰকাৰেও ৰাজ্যখনৰ সমবায় সমূহৰ উন্নয়নৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিবলৈ প্ৰস্তাৱ লৈছে।

৩১.২। মই জনাবলৈ পাই সুখী হৈছো যে মাননীয় ৰাষ্ট্ৰপতি মহোদয়াৰ সন্মতি পোৱাৰ পাচত অসম সমবায় সমিতি আইন,



২০০৭ খনৰ জাননী ২০১২ চনৰ ৪ ফেব্ৰুৱাৰীত জাৰি কৰা হৈছে। এই নতুন আইনখনে সমবায় সমিতিসমূহৰ স্বেচ্ছামূলক গঠন, স্বায়ত্বভাৱে কামকাজ চলোৱা, গণতান্ত্ৰিক নিয়ন্ত্ৰণ আৰু বৃত্তিগত পৰিচালনাৰ দিশত উৎকৰ্ষ সাধনত আমাৰ প্ৰচেষ্টাত নতুন প্ৰেৰণা যোগাব। হ্ৰস্বকালীন সমবায় ঋণ পৰিগাঁথনিটোৰ পুণৰুজ্জীৱিতকৰণৰ বাবে ভাৰত চৰকাৰৰ পেকেজৰ অংশ হিচাপে ৰাজ্য চৰকাৰৰ পৰা ইতিমধ্যে ১৯.৬৫ কোটি টকা আগবঢ়োৱা হৈছে। কেন্দ্ৰীয় অংশৰ ১১৮.৬৮ কোটি টকা মুকলি কৰি দিয়াৰ বাবে অপেক্ষা কৰি থকা হৈছে। দীৰ্ঘকালীন সমবায় ঋণ পৰিগাঁথনিটোক পুণৰুজ্জীৱিতকৰণৰ বাবেও ৰাজ্য চৰকাৰে কৌশল আৰু পথ-মানচিত্ৰ প্ৰস্তুতিৰ কাম হাতত লব। ই অসম ৰাজ্যিক সমবায় কৃষি উন্নয়ন বেংক (এচকাৰ্ড) ৰ পুণৰুজ্জীৱিতকৰণক সামৰি লব। বিভিন্ন কো-অ'পাৰেটিভ প্ৰতিষ্ঠানৰ অসম কো-অ'পাৰেটিভ বেংকক দিবলগীয়া দেনা সমূহৰ একেবাৰতে নিস্পত্তি কৰাৰ বাবে ২০১২-১৩ ৰ পৰিকল্পনা বহিৰ্ভূত বাজেটত ২০ কোটি টকা ৰখা হৈছে।

৩১.৩। মই সদনক জনাবলৈ পাই সুখী হৈছো যে আমি ৰাজ্যখনৰ জনসাধাৰণক প্ৰদান কৰা প্ৰতিশ্ৰুতি ৰাখি দেশৰ ভিতৰতে প্ৰথম সমবায় পৰিচালনা বিশ্ববিদ্যালয়খন, শিৱসাগৰত 'অসম ৰাজীৱ গান্ধী সমবায় পৰিচালনাৰ বিশ্ববিদ্যালয়' নামেৰে কাৰ্যক্ষম কৰাৰ কাম আৰম্ভ কৰিছো। এই বিশ্ববিদ্যালয়খন আহমেদাবাদৰ ভাৰতীয় ব্যৱস্থাপনা পৰিচালনা প্ৰতিষ্ঠানৰ শৈক্ষিক তত্বাৱধানৰে উন্নয়ন কৰি থকা হৈছে।

৩১.৪। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰীসমূহ বিতৰণৰ বাবে প্ৰতিখন গাওঁ পঞ্চায়ত এলেকাত অন্ততঃ একোখনকৈ গাওঁ পঞ্চায়ত

সমবায় সমিতি গঠনৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। সদনৰ সকলো সদস্যকে নতুন গাওঁ পঞ্চায়ত সমিতি গঠন আৰু পঞ্জীয়নৰ দিশত, বিশেষকৈ সেই সমূহ গাওঁ পঞ্চায়ত য'ত এখনো সমবায় সমিতি নাই আৰু গাওঁ পঞ্চায়ত এলেকাৰ বাহিৰত অৱস্থিত সমবায় সমিতিয়েহে য'ত সেৱা আগবঢ়াই আছে, সেই সমূহৰ গঠন আৰু পঞ্জীয়নৰ দিশত সহায়-সহযোগ আগবঢ়াবলৈ মই অনুৰোধ জনাওঁ।

৩১.৫। ২০১২-১৩ ৰ বাজেটত সাধাৰণ এলেকা বাৰ্ষিক পৰিকল্পনাৰ অধীনত এই খণ্ডটোৰ বাবে ১৩.৮৬ কোটি টকা আবন্টন কৰা হৈছে।

৩২। জল সম্পদ ঃ

৩২.১। নতুন প্ৰযুক্তিৰ প্ৰয়োগেৰে মথাউৰি আৰু গৰাখহনীয়া প্ৰতিৰোধ ব্যৱস্থা নিৰ্মাণ কৰাৰ বাবে আমি উদ্যোগ গ্ৰহণ কৰিছো। এতিয়াও কাম চলি থকা ডিব্ৰুগড় জিলাৰ বহমৰীয়া অঞ্চলৰ সুৰক্ষা ব্যৱস্থাটো উদ্ভাৱনীমূলক খহনীয়া প্ৰতিৰোধ আৰু বান নিয়ন্ত্ৰণ ব্যৱস্থাৰ এক উজ্জ্বল নিদৰ্শন হৈছে। দ্বাদশ পাঁচ বছৰীয়া পৰিকল্পনাৰ অধীনত আমি প্ৰস্তাৱিত প্ৰায়বোৰ কামৰ ক্ষেত্ৰতে এনে নতুন প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ আমি আগবাঢ়ি আহিছো।

৩২.২। উত্তৰ পূৰ্বাঞ্চলীয় অন্তৰীক্ষ প্ৰয়োগ কেন্দ্ৰ (এন ই এচ এ চি). শ্বিলং আৰু গুৱাহাটীৰ এ আৰ এচ এ চিৰ প্ৰযুক্তিৰ সহায়ত ব্ৰহ্মপুত্ৰ নদীৰ বান, খহনীয়া আৰু অন্যান্য সংশ্লিষ্ট সমস্যা সমূহৰ বুজ লোৱাৰ বাবে আমি দূৰ সংবেদী (আৰ এচ) আৰু ভৌগলিক তথ্য পদ্ধতিৰ নিচিনা অত্যাধুনিক অন্তৰীক্ষ প্ৰযুক্তি কামত লগাইছো।



বান আৰু খহনীয়া নিয়ন্ত্ৰণৰ বাবে আগন্তুক বছৰত এই অন্তৰীক্ষীয় পদ্ধতিৰ ব্যৱহাৰ আৰু অধিক ব্যাপক কৰি তোলা হ'ব।

৩২.৩। বানপানীৰ তথ্য লোৱা আৰু ভাৰত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত স্থাপন কৰিবলগীয়া ডপলাৰ ৰাদাৰ বতৰ কেন্দ্ৰসমূহৰ পৰা আগতীয়াকৈ তথ্য সংগ্ৰহ কৰা তথা প্ৰেৰণ কৰাৰ ক্ষেত্ৰত এক নেটৱৰ্ক পৰিচালনা কৰাৰ বাবে জলসম্পদ বিভাগটোক শক্তিশালী কৰা হ'ব।

৩২.৪। ইতিমধ্যে ৭২০০.৪২ কোটি টকাৰ প্ৰাক্কলিত ব্যয়েৰে ৫২ খন আঁচনি বাজ্যিক কাৰিকৰী পৰামৰ্শদাতা কমিটিয়ে অনুমোদন দিছে আৰু এই আঁচনিবোৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত হাতত লোৱাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই আঁচনিবোৰৰ সফল ৰূপায়নে বুজন পৰিমাণে খহনীয়াৰ প্ৰভাৱ থকা অঞ্চলসমূহত গৰাখহনীয়াৰ প্ৰকোপ কমাব।

৩২.৫। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত যাৱতীয় সুৰক্ষা ব্যৱস্থাৰে সোৱনশিৰি নদীৰ মথাউৰি শক্তিশালী কৰাৰ বাবে এখন আঁচনি হাতত লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

৩২.৬। এটা প্ৰকল্পৰ সফল ৰূপায়নৰ বাবে সামৰ্থ আহৰণ তথা গৱেষণা আৰু উন্নয়ন অপৰিহাৰ্য। ইয়াৰ সমানেই একেধৰণৰ অন্যান্য আঁচনিসমূহৰ বাবে নতুন প্ৰযুক্তি কামত লগোৱাৰ পৰা লাভ কৰা জ্ঞান আৰু অভিজ্ঞতাৰ প্ৰসাৰ ঘটোৱাটোও গুৰুত্বপূৰ্ণ। বৰ্তমানে থকা নদী গৱেষণা কেন্দ্ৰটোৰ উন্নীতকৰণৰ লগতে এই দিশত আৱশ্যকীয় আন পদক্ষেপ সমূহো গ্ৰহণ কৰা হ'ব।

৩২.৭। সাধাৰণ অঞ্চলৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত এই খণ্ডটোৰ বাবে ২০১২-১৩ বৰ্ষৰ বাজেটত ৬৮০.৬৭ কোটি টকা আবণ্টন দিয়া হ'ব।

৩৩। ভূমি সংৰক্ষণ ঃ

৩৩.১। ২০১২-১৩ চনৰ সময়ছোৱাৰ বাবে স্থিৰকৃত কৰা গুৰুত্বপূৰ্ণ কাম-কাজ আৰু আঁচনিসমূহ হ'ল- ভূমি উন্নয়ন, নৈ পৰীয়া ভূমিৰ পৰীক্ষা, ভূমি আৱাদীকৰণ আৰু পানীৰ বিতৰণ, নগদীশস্য উন্নয়ন, প্ৰকৃতি সংৰক্ষণ, কৰ্মসম্পাদন ভৱন আৰু সংযোগী ৰাষ্টা আৰু সংহত জলচ্ছেদ পৰিচালনা কাৰ্য্যসূচীৰ সৈতে সম্পৰ্কিত জলচ্ছেদ আঁচনিসমূহ।

৩৩.২। এইবছৰৰ ভিতৰত ১ কোটি টকাৰ বাজেট সমৰ্থিত ব্যয়েৰে বৃহৎ হাৰত ৰবৰ পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে।

৩৩.৩। ইয়াৰ উপৰিও ১০ কোটি টকাৰ বিত্তীয় ব্যয়েৰে পানীখাইতি - ডিগাৰু অঞ্চলত ভূমি আবাদীকৰণ আৰু পতিত মাটিৰ ব্যৱহাৰৰ বাবে আঁচনি গ্ৰহণৰ প্ৰস্তাৱ লোৱা হৈছে।

৩৩.৪। উত্তৰ পূৰ্ব পৰিষদৰ সাহাৰ্য্যৰে অহা বিত্তীয় বছৰটোত গুৱাহাটী মহানগৰত হঠাতে হোৱা কৃত্ৰিম বানপানী কমোৱাৰ উদ্দেশ্যে আৰু ভূমিৰ খহনীয়া ৰোধ কৰা আৰু পলস হ্ৰাস কৰণৰ উদ্দেশ্যে বশিষ্ঠ-বাহিনী জলচ্ছেদৰ জৈৱ বৈচিত্ৰ সংৰক্ষণ আঁচনিখন চলাই থকা হ'ব।

৩৩.৫। ২০১২-১৩ বৰ্ষৰ বাজেটত সাধাৰণ অঞ্চলৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত এই খণ্ডৰ বাবে ২২.৮৬ কোটি টকাৰ আৱণ্টন দিয়া হৈছে।



৩৪। গড়কাপ্তানী ঃ

৩৪.১। বিগত ১১ বছৰে মই পথ যোগাযোগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছো। পি এম জি এছ ৱাই, এ এ চি পি, এম পি এন এ (মুখ্য মন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি) অসম বিকাশ যোজনা, এন এল চি পি আৰ, আৰ আই ডি এফ, এন ই চি আদি বিভিন্ন আঁচনি ৰূপায়ণৰ জৰিয়তে গ্ৰাম্য পথ সমূহৰ উল্লেখনীয় উন্নয়ন সাধন কৰা হৈছে। ২০০১ চনৰ পৰা ১৮০০০ কিঃমিঃতকৈয়ো অধিক দৈৰ্ঘ্যৰ পথৰ পকীকৰণ কৰা হৈছে আৰু অতিৰিক্ত ৫৫০০ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ পকীকৰণ চলি আছে। কাঠৰ দলং সমূহক পকী দলঙলৈ ৰূপান্তৰকৰণৰ পদক্ষেপো গ্ৰহণ কৰা হৈছে। ইতিমধ্যে ১৮০০ খন কাঠৰ দলঙক পকী দলঙলৈ ৰূপান্তৰ কৰা হৈছে আৰু ১৩০০ খন অতিৰিক্ত পকীদলঙৰ নিৰ্মাণ কাৰ্য্য চলি আছে।

৩৪.২। ৫০০ কিঃমিঃতকৈ অধিক দৈৰ্ঘ্যৰ ৰাজ্যিক ঘাইপথ আৰু জিলাৰ প্ৰধান পথসমূহৰ উন্নীতকৰণ, বহলকৰণ আৰু শক্তিশালী কৰণৰ কাম চলিত বৰ্ষৰ ভিতৰতে হাতত লোৱা হৈছে। তদুপৰি কমপক্ষেও ৫০০ খন কাঠৰ দলঙক পকী দলঙলৈ ৰূপান্তৰকৰণৰ প্ৰস্তাৱ লোৱা হৈছে।

৩৪.৩। এছ এ আৰ ডি পি - এন ই ৰ অধীনত ২৩৬ কিঃমিঃ ৰাষ্ট্ৰীয় ঘাই পথ চলিত বিত্তীয় বৰ্ষত সমাপ্ত হৈছে। অতিৰিক্ত ৫৮৬ কিঃমিঃ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু জিলা সদৰ সমূহক সামৰি ৰাজ্যিক ঘাইপথৰ উন্নীতকৰণ আৰু নতুনকৈ নিৰ্মাণৰ কাম চলি আছে। অহা বিত্তীয় বৰ্ষত ৩০০ কোটি টকা ব্যয়েৰে ৩৭ নং আৰু ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথক ১০ মিঃ বহন-পথলৈ উন্নয়ন আৰু শক্তিশালী কৰা হ'ব। প্ৰায় ২৯৫ কোটি টকা ব্যয়েৰে গোৱীপুৰ আৰু

ধুবুৰী জিলা সদৰক সংযোগ কৰি আৰু ভাৰত-ভূটান সীমান্ত সংলগ্ন ৬১ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব।

৩৪.৪। আমাৰ চৰকাৰে পথসমূহত যানবাহন সুৰক্ষা উন্নীত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ বাবে, প্ৰথমিক কাম-কাজ চলি থকা লক্ষীমপুৰ বাইপাছৰ উপৰি গুৱাহাটী বিশ্ববিদ্যালয় বাইপাছ, তিনিচুকীয়া বাইপাছ, শিলচৰ বাইপাছ, মোহনবাৰী-চাবুৱা বাইপাছ, মাকুম বাইপাছ আৰু কাটলিচেৰা বাইপাছৰ দৰে ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰধান বাইপাছ সমূহৰ নিৰ্মাণৰ কাম চলি আছে।

৩৪.৫। ভৱনসমূহক অধিক পৰিৱেশ অনুকুল কৰি তোলাৰ বাবে গড়কাপ্তানী বিভাগৰ গৃহ শাখাই শেহতীয়া সামগ্ৰী আৰু প্ৰযুক্তিৰ প্ৰয়োগেৰে হাতত লোৱা মুখ্য ভৱন প্ৰকল্পসমূহত সেউজ ভৱনৰ ধাৰণাৰ সুচনা কৰিছে। অহা বিত্তীয় বৰ্ষত গুৱাহাটীত সংহত সঞ্চালকালয় ভৱনৰ কাম আৰম্ভ কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে ভূমি আছুতীয়াকৈ ৰখা হৈছে আৰু মাটি পেলোৱা, চৌহদৰ বেৰা আদি প্ৰাথমিক কামবোৰ ইতিমধ্যে হাতত লোৱা হৈছে।

৩৪.৬। ২০১২-১৩ বৰ্ষৰ বাজেটত সাধাৰণ এলেকাৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত গড়কাপ্তানী পথ আৰু দলং সমূহৰ বাবে ৯৬৫.১৭ কোটি টকা আৱন্টন কৰা হৈছে। ইয়াৰ ভিতৰত সীমান্ত অঞ্চলৰ দলং আৰু পথ নিৰ্মাণৰ বাবে ধাৰ্য্য কৰা ৪০ কোটি টকাও অন্তৰ্ভূক্ত হৈ আছে। ইয়াক বানিজ্য উন্নয়ন পুঁজি, এন এল চি পি আৰ, উত্তৰ পূৰ্ব পৰিষদ আৰু অন্যান্য উৎসৰ পৰা অহা পুঁজিৰে পৰিপূৰণ কৰা হ'ব। ২০১২-১৩ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাত গড়কাপ্তানী গৃহ শাখাৰ বাবেও ১৮ কোটি টকাৰ ব্যৱস্থা ৰখা হৈছে।



পৰিকল্পনা বহিৰ্ভূত শিতানতো বাট-পথ আৰু গৃহ মেৰামতিৰ বাবে যতাক্ৰমে ৪১০ কোটি আৰু ২৫.৬৯ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৩৫। শক্তি ঃ

৩৫.১। বিগত দশকটোত ৰাজ্যখনত বিদ্যুতৰ সৰ্বোচ্চ চাহিদা উল্লেখযোগ্যভাবে বৃদ্ধি পাইছে। বৰ্তমান ৰাজ্যত বিদ্যুতৰ সৰ্বোচ্চ চাহিদা ১১৫০ মেগাৱাট। ইয়াৰ বিপৰীতে ৰাজ্যৰ নিজা উৎপাদন ২৮০ মেগাৱাট আৰু ৭৮০ মেগাৱাট আৱন্টনৰ বিপৰীতে কেন্দ্ৰীয় খণ্ডৰ উৎপাদন কেন্দ্ৰৰ পৰা লাভ কৰা হৈছে ৫৪০ মেগাৱাট বিদ্যুৎ শক্তি। ফলস্বৰূপে ৰাজ্যখনত গড় হিচাবত প্ৰায় ৩০০ মেগাৱাট বিদ্যুৎ শক্তিৰ স্বল্পতা সৃষ্টি হৈছে। সৰ্বোচ্চ চাহিদাৰ সময়ত উচ্চহাৰত প্ৰায় ১৫০-২০০ মেগাৱাট বিদ্যুৎ শক্তি ক্ৰয় কৰা স্বত্বেও প্ৰায় ১০০-১৫০ মেগাৱাটৰ ঘাটি ৰৈ গৈছে।

৩৫.২। ত্ৰিপুৰাত থকা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ ৭২৬ মেগাৱাট শক্তি সম্পন্ন পাল্লাটনা শক্তি প্ৰকল্প আৰু এনটিপিচিৰ ৭৫০ মেগাৱাট শক্তি সম্পন্ন বঙাইগাও তাপ বিদ্যুৎ কেন্দ্ৰ নামৰ দুটা কেন্দ্ৰীয় খণ্ডৰ প্ৰকল্প ৰূপায়নৰ কাম চলি আছে। এই দুয়োটা প্ৰকল্পই ২০১২ চনৰ ডিচেম্বৰ মাহৰ আগতে আংশিকভাবে কাৰ্য্যক্ষম হৈ উঠিব বুলি আশা কৰা হৈছে। এই দুটা প্ৰকল্পই ৰাজ্যখনত বিদ্যুতৰ অৱস্থাটোৰ উন্নয়নৰ দিশত অৰিহনা যোগাৱ। এই প্ৰকল্প সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম হৈ উঠাৰ পিছত ৬০০ মেগাৱাট বিদ্যুৎশক্তিৰ ৰাজ্যৰ সম্পূৰ্ণ অংশটো লাভ কৰাৰ দ্বাৰা বিদ্যুৎশক্তিৰ চাহিদা যথেষ্ট পৰিমানে পূৰণ কৰাতো সম্ভৱ হ'ব। ২০০০ মেগাৱাট শক্তি সম্পন্ন নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পৰ ৰূপায়ণ আৰু ইয়াক কাৰ্য্যক্ষম কৰি

তোলাৰ অৰ্থে ৰাজ্য চৰকাৰে এন এইচ পি চি লৈ সকলো প্ৰয়োজনীয় সুবিধা আগবঢ়াব।

৩৫.৩। অসম বিদ্যুৎশক্তিৰ উৎপাদন কোম্পানী লিমিটেড্ (এপিজিচি এল) ৰ অধীনৰ ৩৭ মেগাৱাট শক্তি সম্পন্ন লাকুৱা নষ্ট তাপ প্ৰকল্পটো ২০১১ চনৰ ডিচেম্বৰ মাহত কাৰ্য্যক্ষম হৈ উঠিছে। কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণ (চি ই এ) ৰ পৰা অনুমোদন লাভ কৰাৰ পিছতে, ২০১২ চনৰ ভিতৰতে, নামনি কপিলী প্ৰকল্পৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

৩৫.৪। ১০০ মেগাৱাট শক্তি সম্পন্ন নামৰূপ ৰিপ্লেচমেন্ট শক্তি প্ৰকল্পৰ ৰূপায়ণৰ কাম পূৰ্ণোদ্যমে চলি আছে আৰু অহা বিত্তীয় বৰ্ষত ই কাৰ্য্যক্ষম হৈ উঠিব বুলি আশা কৰা হৈছে।

৩৫.৫। ৰাজীৱ গান্ধী গ্ৰামীন বৈদ্যুতিকৰণ যোজনা (আৰ জি জি ভি ওৱাই) ৰ অধীনত ৩১/১/২০১২ তাৰিখলৈকে ৭৪২৩ খন বিদ্যুৎ সংযোগ নথকা আৰু বিদ্যুত সংযোগ বিচ্চিন্ন হোৱা গাওঁত বিদ্যুৎ সংযোগ কৰা হৈছে। ইতিমধ্যে বিদ্যুৎ সংযোগ প্ৰদান কৰা ১১০৪৬ খন গাওঁৰ বৈদ্যুতিকৰণক অধিক কাৰ্য্যক্ষম কৰা হৈছে আৰু ৭৬০১৩৯ টা বিপিএল সেৱাৰ ক্ষেত্ৰত আঁচনি কাৰ্যকৰী কৰা হৈছে। আঁচনিখন ৰূপায়ণৰ কাম ২০১১-১২ আগতে সম্পূৰ্ণ হৈ উঠাৰ সম্ভাৱনা আছে।

৩৫.৬। বৰ্দ্ধিত বিদ্যুৎ উন্নয়ন আৰু সংস্কাৰ আঁচনিখন (এপিডিআৰ পি) সফলতাৰে সম্পূৰ্ণ কৰাৰ পাচত বিদ্যুতৰ ক্ষতি হ্ৰাস কৰাৰ বাবে ৮১৬.২৮ কোটি টকা ব্যয়ৰে ৰাজ্যখনৰ ৭২ খন চহৰত পুনৰ গঠিত বৰ্দ্ধিত বিদ্যুত উন্নয়ন আৰু সংস্কাৰ কাৰ্য্যসূচী (আৰ এ পি ডি আৰ পি) যোজনাৰ কাম হাতত লোৱা হৈছে। ইয়াৰ উপৰিও ৰাজ্যখনৰ বিদ্যুত গাঁথনি শক্তিশালী কৰাৰ বাবে যথেষ্ট পুঁজি আগবঢ়োৱা হৈছে। এই আঁচনি সমূহ সম্পূৰ্ণ হোৱাৰ লগে লগে ২০১৭ চনৰ ভিতৰত বিদ্যুতৰ বিতৰণ ক্ষতি ২৫ শতাংশৰ পৰা ১৯.৫ শতাংশলৈ কমোৱাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। অসম বিদ্যুত বিতৰণ কোম্পানী পৰিসীমিতক আধুনিকীকৰণ কৰাৰ বাবে প্ৰতিষ্ঠান সম্পদ পৰিকল্পনা আৰু স্মাৰ্ট গ্ৰীড্ পাইলট প্ৰজেক্টখন ৰূপায়ণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

৩৫.৭। ৰাজ্যখনত বিদ্যুতৰ প্ৰৱহন সামৰ্থ বৃদ্ধি, বিদ্যুত সংযোগৰ উন্নীতকৰণ আৰু বিদ্যুত যোগানৰ দক্ষতা আৰু গুণগত মান বৃদ্ধিৰ বাবে এছীয়ান উন্নয়ন বেংকৰ পৰা লাভ কৰা ২০০ নিযুত আমেৰিকান ডলাৰৰ সাহাৰ্য্যকে ধৰি মুঠ ১৬০৩ কোটি টকাৰ ব্যয় সাপেক্ষে অসম ৰাজ্যিক বিদ্যুত পৰিষদে অসম বিদ্যুত খণ্ডৰ বিকাশ বিনিয়োজন কাৰ্য্যসূচীখন ৰূপায়ণ কৰি আছে। ৰাজ্য চৰকাৰে এই আঁচনিখনৰ বাবে আৱশ্যকীয় পৰিপূৰক পুঁজিৰ যোগান ধৰিব। উচ্চ হাৰত শক্তি সংৰক্ষণৰ বাবে সজাগতা সৃষ্টি আৰু বিদ্যুত খণ্ডৰ দক্ষতা বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণ কৰি থকা হৈছে।

৩৫.৮। বাহ্যিক ভাবে সাহাৰ্য্যপ্ৰাপ্ত আঁচনিৰ ২৬৮ কোটি টকাৰ অৰ্ন্তভূক্তিৰে ২০১২-১৩ চনৰ পৰিকল্পনা বাজেটত ৪৫৬.১১ কোটি টকা আছুটীয়াকৈ ৰখা হৈছে। ইয়াৰ বাদেও অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ কৰ্মচাৰী সকলৰ পেঞ্চন পুঁজিৰ বাবে বাজেটীয় সমৰ্থন হিচাপে ২০১২-১৩ বৰ্ষৰ অনা-পৰিকল্পনা বাজেটত ১০০ কোটি টকা দিয়া হৈছে। প্ৰৱহন আৰু বিতৰণ ব্যৱস্থাৰ উন্নীতকৰণৰ অৰ্থে আৱশ্যক হোৱা পুঁজি বানিজ্যিক উন্নয়ন কোষৰ পৰা সৰবৰাহ কৰা

হ'ব। বাহিৰৰ শক্তি উৎস সমূহৰ ওপৰত আমাৰ নিৰ্ভৰশীলতা কমোৱাৰ বাবে অসম বাজ্যিক বিদ্যুত পৰিষদক বিতং যোজনা প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে যাতে তেওঁলোকে বিদ্যুত উৎপাদন আঁচনিৰ বাবে অসম বুনিয়াদী বিত্তযোগান কৰ্তৃপক্ষৰ পৰা (এ আই এফ এ) পুঁজি লাভ কৰিব পাৰে।

৩৬। খনি আৰু খনিজ সম্পদ ঃ

৩৬.১। ৰাজ্যখনত ভূ-জলৰ উৎসসমূহ আৰু চুনশিল, কয়লা, লোৰ আকৰ, চিলিমেনাইট আদি খনিজ সম্পদৰ কাৰ্য্যকৰী অনুসন্ধানৰ বাবে উদ্যোগ লোৱা হৈছে। যৌথ উদ্যোগত খনিজ ভিত্তিক উদ্যোগ, বিশেষকৈ চিমেন্ট উদ্যোগ স্থাপনৰ বাবে প্ৰচেষ্টা চলি আছে। পেট্ৰলিয়াম খণ্ডৰ ব্যাপক অন্বেষণ আৰু উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

৩৬.২। এই পবিত্ৰ সদনৰ সন্মানীয় সদস্য সকলক মই অৱগত কৰাবলৈ বিচাৰিছোঁ যে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ নীতি সলনিৰ বাবে ৰাজ্যখনে ইয়াৰ তেলৰ ৰয়েলিটি ৰাজহৰ ক্ষেত্ৰত গুৰুতৰ ক্ষতিৰ সন্মুখীন হৈছে। কেগ্‌ৰ প্ৰতিবেদন অনুসৰি মাথো ২০০৯-১০ বৰ্ষতেই ৰাজ্যখনে তেলৰ ৰয়েলিটিৰ ক্ষেত্ৰত ৮৫০ কোটি টকাৰ ক্ষতিৰ সন্মুখীন হৈছে। খনিজ তেলৰ ওপৰত মূল্য সংযোজিত কৰ আৰু প্ৰৱেশ কৰ কাৰ্য্যকৰী হোৱাৰ বাবে একেধৰণৰ ৰাজহ ক্ষতিৰ সন্মূখীন হৈ অহা হৈছে। এই শিতানত ২০০৯-১০ বৰ্ষত ক্ষতিৰ পৰিমাণ আছিল ১৫০ কোটি টকা। ভাৰতীয় তেল নিগমৰ শোধনাগাৰ তিনিটাত, অইল ইণ্ডিয়া লিমিটেড্ আৰু তেল আৰু প্ৰাকৃতিক গেছ নিগমে ৰাজ্যখনক পৰিশোধ কৰিব লগা তেলৰ ৰয়েলিটি, তেওঁলোকে বিক্ৰী কৰা বেহাই বিক্ৰীমূল্যৰ ওপৰত



নিৰ্দ্ধাৰণ কৰাৰ কাৰণে এই পৰিস্থিতিৰ উদ্ভৱ হৈছে। মই ভাৰত চৰকাৰৰ লগত এই বিষয়টো গুৰুত্বসহকাৰে আলোচনা কৰিছোঁ।

২০১২-১৩ বৰ্ষত তেল আৰু প্ৰাকৃতিক গেছৰ পৰা আমি ১৮০০ কোটি টকা আৰু অন্য ৰয়েলিটি সমূহৰ পৰা ৩৫.৫২ কোটি টকা আহৰণৰ আশা কৰিছোঁ।

৩৭। নিয়োগ আৰু দক্ষতা বৃদ্ধি ঃ

৩৭.১। আমাৰ যুৱক-যুৱতী সকললৈ দক্ষতা প্ৰদান কৰি তেওঁলোকৰ নিয়োগ যোগ্যতা বৃদ্ধি কৰাৰ বাবে আমি ভালেমান আঁচনি হাতত লৈছোঁ। অসমৰ দক্ষতা গাঁথনিত চাহিদা-যোগানৰ স্থিতি নিৰ্ধাৰণৰ বাবে জিলাভিত্তিক দক্ষতা ৰিক্ততা অধ্যয়ণ হাতত লোৱাৰ প্ৰস্তাৱ কৰা হৈছে। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহৰ আসনৰ সংখ্যা ২৩,৬০০ ৰ পৰা ১,০৩,০০০ খনলৈ বৃদ্ধিৰ প্ৰস্তাৱ লোৱা হৈছে। ৰাজ্যখনে এখন দক্ষতা উন্নয়ন পৰিষদ আৰু ব'ৰ্ড গঠন কৰিছে।

৩৭.২। নিপুনতা বৃদ্ধি আৰু নিয়োগ সৃষ্টিৰ উদ্দেশ্যে বিভিন্ন উদ্যোগিক আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ সহযোগত, স্বয়ং চালিত ভিত্তিত, মই এটি নিপুনতা বৃদ্ধি আৰু নিয়োগ সৃষ্টি কৰ্ত্তৃপক্ষ স্থাপন কৰাৰ সিদ্ধান্ত লৈছো। এই কৰ্ত্তৃপক্ষই, এই ক্ষেত্ৰত ইতিমধ্যে থকা বিভিন্ন নিগম, সমিতি াাদিক ইয়াৰ আওতাত সামৰি লৈ, একত্ৰিত ভাৱে কাম কৰিব।

৩৭.৩। অসংগঠিত শ্ৰমিকৰ সামাজিক সুৰক্ষা অসম নিৰ্দেশাৱলী, ২০১০ ৰূপায়িত কৰা হৈছে। অসংগঠিত খণ্ডত নিয়োজিত শ্ৰমিকসকলৰ বাবে ৰাজ্য চৰকাৰে বহুতো কল্যাণমূলক

আঁচনি গ্ৰহণ কৰিব। গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক আইন, ১৯৯৬ ৰ অধীনত অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ ব'ৰ্ডে বৰ্তমানলৈকে ১১০ কোটি টকা উপকৰ সংগ্ৰহ কৰিছে। ইয়াৰ এটা বৃজন অংশ অসংগঠিত খণ্ডৰ নিৰ্মাণ শ্ৰমিকৰ কল্যাণৰ বাবে খৰচ কৰা হ'ব। এই উদ্দেশ্যেৰে ৩১/১/২০১২ লৈকে ১১,০১৩ গৰাকী হিতাধিকাৰীক পঞ্জীয়ণ কৰা হৈছে। ১০৬ টা অনুসূচীত নিয়োগৰ বাবে নুন্যত্বম মজুৰিৰ পৰিমাণ প্ৰতিদিনে ১৩০ টকাকৈ নিৰ্দ্ধাৰণ/ সংশোধন কৰা হৈছে।

৩৭.৪। ২৪৩.২০ লাখ টকা ব্যয়েৰে গুৱাহাটীত আঞ্চলিক বইলাৰ পৰীক্ষণ পৰীক্ষাগাৰ স্থাপন কৰা হৈছে আৰু ইয়াৰ কাম কাজ আৰম্ভ হৈছে।

৩৮। উদ্যোগ আৰু বাণিজ্য ঃ

৩৮.১। ৰাজ্যখনত বৃহৎ উদ্যোগ গঠনত বাধা হৈ থিয় দিয়া বিভিন্ন সীমাবদ্ধতাৰ প্ৰতি দৃষ্টি ৰাখি গ্ৰাম্য নিবনুৱা নিয়োজন আৰু উপাৰ্জনৰ অৰ্থে সমগ্ৰ ৰাজ্যখনত মই অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া পৰ্য্যায়ৰ উদ্যোগ সমূহৰ (এম এচ এম ই) উন্নয়নৰ ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ দিছো।

৩৮.২। এই উদ্দেশ্য সাধনৰ বাবে প্ৰত্যেকখন জিলাৰ গ্ৰাম্য যুৱক সকলৰ নিপুণতা আহৰণত উদগনি যোগাবলৈ মই "ৰিছৰ্ছ মেপিং" ৰ এক বিশেষ অধ্যয়ণ হাতত লোৱাৰ প্ৰস্তাৱ লৈছো। প্ৰত্যেক খণ্ডতে স্থাপন কৰিবলগীয়া বহু শৃংখলীয় প্ৰশিক্ষণ কেন্দ্ৰসমূহে ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা কাৰিকৰী প্ৰতিষ্ঠান সমূহে সামৰি



লোৱা নিৰ্দিষ্ট বৃত্তিৰ প্ৰশিক্ষণ দিব। ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগ সমূহৰ সহযোগত এই প্ৰশিক্ষন সমূহ সম্পাদন কৰা হ'ব।

৩৮.৩। নিপুণতা আহৰণৰ নিৰ্ধাৰিত পাঠ্যক্ৰমৰ প্ৰাথমিক প্ৰশিক্ষণ সামপ্তিৰ পিছত সংক্ষিপ্ত তালিকাভুক্ত যোগ্য গ্ৰাম্য যুৱক-যুৱতী সকলক ঔদ্যোগিক জলপানী প্ৰদান কৰা হ'ব।

৩৮.৪। গ্ৰামাঞ্চলৰ প্ৰতিশ্ৰুতিসম্পন্ন মহিলা আৰু যুৱক উদ্যোগীক ক্ষুদ্ৰ ঋণ প্ৰদানৰ বাবে ৰাষ্ট্ৰীয় গ্ৰামীন বিকাশ নিধি (আৰ জি ভি এন) ক সাঙুৰি এক উমৈহতীয়া পুঁজি খোলাৰ প্ৰস্তাৱ লোৱা হৈছে। এই সন্দৰ্ভত মই উল্লেখ কৰো যে ক্ষুদ্ৰ বিত্ত যোগান পদ্ধতিটোৰ শেষৰ পিনে হ'বলগীয়া সুদৰ নিৰিখটো কমোৱাৰ মানসেৰে ক্ষুদ্ৰ বিত্ত যোগান ব্যৱস্থাটোত হস্তক্ষেপ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে অসম বিত্তীয় নিগমক ইতিমধ্যে ১০ কোটি টকা দিছে।

৩৮.৫। বিশেষ পৰামৰ্শ আৰু আধুনিকীকৃত ব্যৱস্থাৰ জৰিয়তে ফটকা উদ্যোগ, অসমীয়া গহনা, টেৰাকতা, পানী মেটেকা, মৰাপাট, বাহ ইত্যাদি পৰম্পৰাগত আৰু স্থানীয় উদ্যোগ সমূহৰ উন্নত উৎপাদন অনুশীলনৰ সৈতে একত্ৰিত কৰাৰ বাবে এখন বিশেষ আঁচনিৰ ব্যৱস্থা কৰা হৈছে।

৩৮.৬। ৰাজ্যৰ ক্ষুদ্ৰ খেতিয়ক খণ্ডই কমেও ৭৮,০০০ চাহ খেতিয়কক সামৰি লৈছে। গুনগত চাহ উৎপাদন সুনিশ্চিতকৰণৰ অৰ্থে উন্নত ৰোপনৰ অনুশীলনৰ ক্ষেত্ৰত এক ব্যাপক সজাগতা প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। অসমৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কল্যান অৰু উন্নয়নৰ আঁচনি গ্ৰহণৰ বাবে ক্ষুদ্ৰ

খেতিয়ক সকলৰ পৰা সংগৃহীত চাহ কৰৱ সমুৎপন্ন ধনেৰে মই ইতিমধ্যে এক মূলধনী পুঁজি গঠন কৰিছো।

৩৮.৭। ডিব্ৰুগড়ৰ লেপেটকটাত নিৰ্মীয়মান অৱস্থাত থকা ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেড (বি চি পি এল) ৰ ঠিকাৰ কামৰ কৰ পুণৰ ঘুৰাই দিয়াৰ বাবে ২০.৮৫ কোটি টকা আৰু সম অংশীদাৰিত্বৰ বাবে ৩৭.৯৯ কোটি টকা মোৰ চৰকাৰে মঞ্জুৰী কৰিছে। এই প্ৰকল্পটো ২০১৩ বৰ্ষৰ শেষৰ ফালে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ১০২৮ কোটি টকা ব্যয় সাপেক্ষ ৫০০ টিপিডি মিথানল আৰু ২০০ টি পি ডি এচিটিক এচিড সক্ষমতাৰ এক প্ৰকল্পৰ জৰিয়তে অসম পেট্ৰ'কেমিকেল লিমিটেডৰ এক সম্প্ৰসাৰিত প্ৰকল্পৰ কাম এই বছৰত গ্ৰহণ কৰা হ'ব। ইতিমধ্যে ইয়াৰ বাবে ১৭.০২ কোটি টকা মঞ্জুৰী দিয়া হৈছে।

৩৮.৮। ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডত ইকুইটি মূলধন বিনিয়োগৰ এটা প্ৰস্তাৱ অসম চৰকাৰে সক্ৰিয়ভাৱে বিবেচনা কৰি আছে।

৩৮.৯। ২০১২-১৩ বৰ্ষৰ বাজেটত সাধাৰণ এলেকাৰ বাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্গত এই খণ্ডলৈ ১২৮.৬৯ কোটি টকা আৱন্টন দিয়া হৈছে।

৩৯। হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম ঃ

৩৯.১। হস্ততাঁত আৰু ৰেচম শিল্পৰ গুৰুত্ব কেৱল অৰ্থনৈতিক দিশতেই সীমাবদ্ধ নহয়। ই হৈছে আমাৰ সাংস্কৃতিক ঐতিহ্য আৰু জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অংগ। হস্ততাঁত বয়নে গ্ৰামাঞ্চলৰ



বহুজন সংখ্যক দুখীয়া জনসাধাৰণ বিশেষকৈ মহিলা সকললৈ লাভজনক নিয়োজন প্ৰদান কৰি আছে।

৩৯.২। এই খণ্ডৰ উৎপাদিকা, উৎপাদন আৰু স্ব-নিয়োজন বৃদ্ধি কৰিবলৈ বিভিন্ন ৰাজ্যিক খণ্ডৰ আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি হাতত লোৱা হৈছে। ২০০৭-০৮ বৰ্ষৰ পৰা ২০১০-১১ বৰ্ষৰ সময়ছোৱাত অসম বিকাশ যোজনাৰ অধীনত ৪৫,৬০,৬০৫ গৰাকী শিপিনী, মহাত্মা গান্ধী বুংকাৰ বীমা যোজনাৰ অধীনত ১,৯৭,১৪৯ গৰাকী শিপিনী আৰু স্বাস্থ্য বীমা আঁচনিৰ অধীনত ১৬,১৮,০২৮ গৰাকী উপকৃত হৈছে।

৩৯.৩। চলিত বৰ্ষত গামোচাৰ উৎপাদন বৃদ্ধি, শিপিনীৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ উন্নীতকৰণ তথা নৱীকৰণ আৰু নিয়োগ সৃষ্টি আঁচনি সমূহৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰা হ'ব। নাবাৰ্ডৰ জৰিয়তে শিপিনী ঋণ পত্ৰ, সূতা পাচবুক বিষয়সমূহ সামৰি হস্ততাঁত খণ্ডত এক নতুন বিত্তীয় টোপোলা ৰূপায়ন কৰা হ'ব।

৩৯.৪। ৰেচম, হস্ততাঁত আৰু বয়ন, ডি আৰ ডি এ, নাবাৰ্ড আৰু সেৱা এলেকাৰ বেংকৰ লেখীয়া বিভিন্ন বিভাগক জৰিত কৰি প্ৰাৰম্ভিকভাৱে ১০ খন ৰেচমঘন জিলাৰ ১০ খন গাঁৱত "মুখ্য মন্ত্ৰীৰ এককেন্দ্ৰীক ৰেচম গাওঁ আঁচনি"খন হাতত লোৱাৰ বাবে প্ৰস্তাৱ কৰা হৈছে। এই উদ্দেশ্যে ৫ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে। ৰেচমৰ দিশত, নতুন খাদ্যপুলি ৰোপণ, পুৰণি খাদ্যপুলিৰ পুণৰুজ্জীৱিতকৰণ, নতুন বিদ্যুৎ চালিত তাঁত/হস্ততাঁত সূতা পকোৱা যন্ত্ৰ, জ্ঞান আৰু দক্ষতা উন্নয়নৰ বাবে প্ৰতিখন ৰেচমগাঁৱলৈ ৫০ লাখ টকা আৱন্টন দিয়া হ'ব। কেন্দ্ৰীয় পাট পৰিষদ আৰু কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। মুগা উৎপাদন বৃদ্ধি

কৰিবৰলৈ ঢকুৱাখানা আৰু বকোত একোটিকৈ পাইলট প্ৰকল্প আৰু কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। ৰেচম মহাবিদ্যালয় এখন স্থাপন কৰিবৰলৈ প্ৰস্তাৱ লোৱা হৈছে আৰু ইয়াৰ বাবে ১০ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে। ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত উত্তৰ পূৰ্বাঞ্চল পৰিষদৰ সাহায্যেৰে দুখন নিয়োগ সৃষ্টি আৰু আন্তঃগাঁথনি উন্নয়ন আঁচনিকে ধৰি ডিব্ৰুগড়ত এটা হস্ততাঁত বাণিজ্য কেন্দ্ৰ স্থাপনৰ কাম হাতত লোৱা হব। প্ৰস্তাৱিত আন নতুন আঁচনিসমূহ হ'ল ঃ (ক) শুৱালকুছি, কোকৰাঝাৰ, ডিব্ৰুগড়, যোৰহাট, লখিমপুৰ আৰু শিলচৰৰ প্ৰত্যেকতে ২৫ লাখ টকাৰ প্ৰাক্কলিত ব্যয়েৰে ৬ টা ৰং বুলোৱা গৃহ স্থাপন (খ) প্ৰতিখন জিলাৰ সদৰতে প্ৰতিখনতে গৃহৰ বাবে ২০ লাখ টকা ব্যয় আৰু কৰ্ম মূলধনৰ বাবে ১০ লাখ টকা ব্যয়েৰে ২৭ টা সূতা ভড়ালঁ স্থাপন (গ) ৫০ লাখ টকা ব্যয়েৰে হস্ততাঁত সঞ্চালকালয়ত এটা আৰ্হি ষ্টুডিঅ' স্থাপন (ঘ) ৬ কোটি টকাৰ প্ৰাক্কলিত ব্যয়েৰে ৰপ্তানি উন্নীতকৰণ সা-সুবিধাসহ যোৰহাটত এটা সাজ-পোছাক উদ্যোগ স্থাপন।

৩৯.৫। নগৰীয়া শিপিনীৰ বাণিজ্য সম্পৰ্কীয় উদ্যমিতা উন্নয়ন, মুখ্যমন্ত্ৰীৰ নিয়োগ সৃষ্টি আঁচনি, আৰ্থিক উন্নীতকৰণ পেকেজ, মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি, সংহত হস্ততাঁত উন্নয়ন আঁচনি ইত্যাদিৰ লেখীয়া বৰ্তমানে চলি থকা আঁচনিৰ জৰিয়তে সূতা আৰু কম্বল, উন্নত মানৰ তাঁতশাল আৰু ইয়াৰ আনুষঙ্গিক সা-সজুলি বিতৰণ, কাম কৰা চালিৰ ব্যৱস্থা, হস্ততাঁত প্ৰযুক্তিৰ ওপৰত প্ৰশিক্ষণ ইত্যাদিৰ ব্যৱস্থা কৰি থকা হব। চাহ বাগিছা এলেকাৰ দুখীয়া শিপিনীসকলক সহায় কৰিবৰলৈও পৰ্যাপ্ত পুঁজি আছুতীয়াকৈ ৰখা হৈছে।



৩৯.৬। কামৰূপৰ বকোত এটা লেটা ভড়াঁল ৰূপায়নৰ কাম চূড়ান্ত পৰ্যায়ত আছে। এইটোৱে এৰী আৰু মুগাৰ উৎপাদক, ৰীলাৰ আৰু স্পীনাৰ সকলক উপকৃত কৰিব। মুগা, এৰী আৰু মালবেৰীৰ উৎপাদন বৃদ্ধি কৰিবৰলৈ প্ৰচেষ্টা চলাই থকা হৈছে। ৰাজ্যখনৰ বহুতো সংখ্যক বিকল ৰেচম পাম আৰু কেন্দ্ৰসমূহৰ পুণৰুজ্জীৱিতকৰণ বাবে পদক্ষেপ লৈ থকা হৈছে। ইয়াৰ উপৰিও পাটমুগাৰ খাদ্যৰ গছৰ বৃদ্ধিৰ বাবে বহুতো আঁচনি, গুণগত মুগা আৰু এৰীৰ বীজ উৎপাদনৰ বাবে ব্যক্তিগত উৎপাদক সকলৰ সংগঠন, বিজ্ঞানসন্মত পাটপলু পোহা গৃহ নিৰ্মাণ ইত্যাদি আগন্তুক বিত্তীয় বৰ্ষৰ সময়ছোৱাত হাতত লোৱা হব।

৩৯.৭। ২০১২-১৩ ৰ বাজেটত সাধাৰণ এলেকা বাৰ্ষিক পৰিকল্পনাৰ অধীনত হস্ততা ত আৰু বিদ্যুৎ চালিত তাঁতশাল খণ্ডৰ বাবে ৩২ কোটি টকা আৰু ৰেচম খণ্ডৰ কাৰণে ৮.৬৫ কোটি টকা আবন্টন দিয়া হৈছে।

৪০। তথ্য প্ৰযুক্তি ঃ

৪০.১। ৰাজ্যখনত তথ্য প্ৰযুক্তি গঢ়ি তোলাৰ বাবে উদগনি যোগাবলৈ কেতবোৰ উদ্যোগ গ্ৰহণ কৰা হৈছে। অসম ৰাজ্যিক বিস্তৃত এলেকা নেট্‌ৱৰ্ক (এ এচ ডব্লিউ এ এন) উমৈহতীয়া সেৱা কেন্দ্ৰ (চি এচ চি) আৰু ৰাজ্যিক তথ্য কেন্দ্ৰ (এচ ডি চি) স্থাপনৰ জৰিয়তে ৰাজ্যখনত ৰাষ্ট্ৰীয় ই-প্ৰশাসন পৰিকল্পনা খন ৰূপায়ন কৰি থকা হৈছে।

৪০.২। বিত্ত বিভাগ, সকলোবোৰ ৰাজ্যিক কোষাগাৰ, পেঞ্চন সঞ্চালকালয়, চেক গেটকে ধৰি সকলোবোৰ কৰাৰোপণ কাৰ্য্যালয়, পৰীক্ষণ আৰু স্থানীয় পুঁজিৰ সঞ্চালকালয়, ড্ৰাইভিং লাইচেঞ্চ

জাৰীকৰণ আৰু যান-বাহন পঞ্জীয়নকে ধৰি পৰিবহন বিভাগ, ভূমিলেখ্য, নিবিদা গ্ৰহণৰ অন্‌লাইন ফাইলিঙকে ধৰি গড়কাপ্তানী বিভাগ আদিৰ কম্পিউটাৰভুক্ত কৰণৰ ক্ষেত্ৰত মোৰ চৰকাৰে ইতিমধ্যে লক্ষণীয় অগ্ৰগতি লাভ কৰিছে।

৪০.৩। অহা বছৰতো ই-প্ৰশাসনৰ প্ৰচেষ্টাসমূহ ব্যাপক কৰি তোলা হ'ব আৰু জনসেৱা সমূহৰ ফলপ্ৰসূ উপলব্ধকৰণৰ বাবে জনসেৱা তথ্য পদ্ধতি প্ৰচলনকে ধৰি ইয়াৰ পৰিসৰ অন্যান্য খণ্ড আৰু বিভাগবোৰলৈকো সম্প্ৰসাৰণ কৰা হ'ব।

৪০.৪। এখন ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান (আই আই আই টি) স্থাপন কৰিবলৈ মই সিদ্ধান্ত গ্ৰহণ কৰিছো। ইয়াৰ বাবে গুৱাহাটীৰ ওচৰত ভূমি চিনাক্তকৰণ কৰা হৈছে আৰু বোৰ্ড অৱ গবৰ্নৰছ্ খন খ্যাতি সম্পন্ন তথ্য প্ৰযুক্তি বিষয়ৰ বিশেষজ্ঞৰে গঠন কৰা হৈছে।

৪০.৫। ভাৰত চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত উত্তৰ পূৰ্বাঞ্চলৰ বাবে ষ্টেট'স্কেৰিক আৰু ট্ৰপ'স্কৰিক ৰাডাৰ স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই উদ্দেশ্যে ইতিমধ্যে ভূমি প্ৰদান কৰিছে। গৃহ আৰু অন্যান্য প্ৰয়োজনীয় কায়িক আন্তঃগাঠনিৰ ব্যয় ৰাজ্য চৰকাৰে বহন কৰিব।

৪০.৬। ২০১২-১৩ বৰ্ষত বাবে তথ্য প্ৰযুক্তি খণ্ডৰ বাবদ ৫৮.৮১ কোটি টকা আছুটীয়াকৈ ধৰা হৈছে।

৪১। বিজ্ঞান আৰু প্ৰযুক্তি ঃ

৪১.১। ৰাজ্য খণ্ডৰ বিজ্ঞান আৰু প্ৰযুক্তিক জনপ্ৰিয়কৰণৰ প্ৰতি আমি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছো। গুৱাহাটী মহানগৰীক এক পূৰ্ণ



পৰ্য্যায়ৰ বিজ্ঞান মহানগৰী হিচাপে গঢ়ি তোলাৰ কাম হাতত লোৱাৰ উপৰিও গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যান স্থাপন, যোৰহাট, কোকৰাঝাৰ, নলবাৰী আৰু উত্তৰ লক্ষীমপুৰত তাৰকাগৃহ তথা বিজ্ঞান কেন্দ্ৰ নিৰ্মানকে আদি কৰি কেবাটাও আন্তঃগাঠনিগত প্ৰকল্প ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। গুৱাহাটী তাৰকাগৃহৰ উন্নীতকৰণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ইয়াৰ নিয়মীয়া প্ৰদৰ্শন সুচাৰুৰূপে চলি আছে।

৪১.২। আই এছ আৰ ওৰ সহযোগত সমগ্ৰ ৰাজ্যখনতে ১৪ টা স্বয়ংক্ৰীয় বতৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। ৩০,০০০ তকৈও অধিক পৰিয়ালক সামৰি সৌৰ শক্তিৰ দ্বাৰা ৭০০ খন গাওঁৰ বৈদ্যুতিকৰণৰ কাম ১৯ খন জিলাত হাতত লোৱা হৈছে।

৪১.৩। ৰাজ্যখনৰ ১২৬ টা বিধানসভা সমষ্টিৰ অৰ্ন্তগত ১৩০ খন নিৰ্বাচিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২৬০ গৰাকী বিজ্ঞান আৰু গনিতৰ সমল ব্যক্তি নিয়োগ কৰা হৈছে। অপৰম্পৰাগত শক্তি প্ৰয়োগক জনপ্ৰিয় কৰণৰ অৰ্থে মেধাৱী ছাত্ৰীসকলৰ মাজত ২৪০০ টা সৌৰলেম্প বিতৰণ কৰা হৈছে।

৪১.৪। ২০১২-১৩ বৰ্ষত সাধাৰণ এলেকা বাৰ্ষিক পৰিকল্পনাৰ অধীনত ১৬.১২ কোটি টকা প্ৰদান কৰা হৈছে।

৪২। নগৰ উন্নয়ন ঃ

৪২.১। ২০১১ চনৰ লোকপিয়ল অনুসৰি ৰাজ্যখনৰ নগৰ অঞ্চলৰ মুঠ জনসংখ্যা হ'ল ৪৩.৮৮ লাখ, যিটো ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ১৪ শতাংশ। বৰ্তমান নগৰ আৰু গাওঁ পৰিকল্পনা সঞ্চালকালয়ে আন্তঃগাঠনিগত প্ৰকল্পৰ ৰূপায়ণৰ কাম কৰি আছে। এনে কেতবোৰ প্ৰকল্প হ'ল হকাৰ আৰু খুচুৰা বিক্ৰেতাৰ বাবে পুনৰ

সংস্থাপন কেন্দ্ৰ নিৰ্মাণ, ট্ৰাকটাৰ্মিনাচ, বহুমূখী সেৱা গৃহ নিৰ্মাণ, মঞ্চ নিৰ্মাণ, পানী যোৱা নলা নৰ্দমা নিৰ্মাণ . ব্যৱসায়িক কেন্দ্ৰ নিৰ্মাণ, বানিজ্যিক চৌহদ নিৰ্মাণ, নগৰ সভাগৃহ নিৰ্মাণ, আমোদ প্ৰমোদ গৃহ নিৰ্মাণ, খেলপথাৰ, পানী যোগান, কেবামহলীয়া গাড়ীৰখা আস্থান ইত্যাদিৰ নিৰ্মাণৰ কাম। ক্ষুদ্ৰ আৰু মজলীয়া চহৰৰ বাবে নগৰ আন্তঃগাথনি উন্নয়ন আঁচনি, বাজীৱ আৱাস যোজনা, ১০ শতাংশ কেন্দ্ৰীয় পুঁজিৰ উৎস, এন এল চি পি আৰ নলা নৰ্দমা আৰু অনাময় কাৰ্য্যসূচীৰ অধীনত বিভিন্ন প্ৰকল্প ৰূপায়ণৰ কাম অব্যাহত ৰখা হব।

৪২.২। ইয়াৰ উপৰিও স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনা, অসম বিকাশ যোজনা আৰু নিম্ন খৰছি অনাময় কাৰ্য্যসূচীৰ অধীনত নগৰীয়া স্থানীয় নিকায়সমূহৰ বাবে কেবাখনো উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰা হ'ব। অসমৰ স্থানীয় নিকায়সমূহক অধিক ক্ষমতা প্ৰদান কৰাৰ অৰ্থে অসম পৌৰ আইন, ১৯৫৬ খন সংশোধন কৰা হৈছে। যোৱা ১৯/৭/২০১১ তাৰিখে পৌৰ অধ্যক্ষ/উপাধ্যক্ষ সকলৰ দক্ষতা বৃদ্ধিৰ এখন এদিনীয়া কৰ্মশালা সফলতাৰে অনুষ্ঠিত কৰা হয়।

৪২.৩। ২০১২-১৩ বৰ্ষৰ সাধাৰণ এলেকা বাৰ্ষিক পৰিকল্পনাৰ অধীনত নগৰ উন্নয়নৰ বাবে ১৭৩.১৫ কোটি টকা প্ৰদান কৰা হৈছে।

৪৩। গুৱাহাটী উন্নয়ন ঃ

৪৩.১। মোৰ চৰকাৰে প্ৰথম পৰ্যায়ত গুৱাহাটী মহানগৰৰ প্ৰধান এলেকাসমূহত থকা সকলোবোৰ পৰিয়ালকে সামৰি এটা ব্যাপক নলা-নৰ্দমা প্ৰকল্প ৰূপায়নৰ বাবে জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণৰ (জে আই চি এ) পৰা ১৫০০ কোটি টকাৰ ঋণ লোৱাৰ বাবে আলোচনা কৰি আছে। এই আঁচনিখনে নলা-নৰ্দমাৰ পানী/পেলনীয়া বস্তু বৈজ্ঞানিক পদ্ধতিৰে নিষ্কাষণ কৰাৰ সুবিধা কৰি মহানগৰৰ অনাময় ব্যৱস্থাটোৰ উন্নয়ন সাধন কৰাৰ সম্ভাৱনা দেখা যায়।

৪৩.২। গুৱাহাটী মহানগৰত বাৰিষাৰ সময়ত দেখা দিয়া কৃত্ৰিম বানপানীৰ সমস্যা সমাধানৰ বাবে নুনমাটি বেচিনত ৰাজ্যৰ নিজা উৎসৰ পৰা লাভ কৰা ১০০ কোটি টকা ব্যয়ৰে নলা-নৰ্দমা পদ্ধতিটোৰ উন্নয়নৰ বাবে আমি কাম হাতত লৈছো। আমি লগতে গুৱাহাটী মহানগৰৰ অন্তৰ্গত বাহিনী বেচিনত এক ব্যাপক নলা-নৰ্দমা উন্নয়নৰ বাবে পুঁজি আগবঢ়াবলৈ উক্ত পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছো।

৪৩.৩। জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণ (জে আই চি এ) ৰ পুঁজিৰে গুৱাহাটী খোৱা পানী যোগান প্ৰকল্প ৰূপায়নৰ কাম চলি আছে।

৪৩.৪। বৰ্তমানৰ বৃহত্তৰ গুৱাহাটী এলেকাৰ বাহিৰৰ ৪০ কিলোমিটাৰৰ পৰা ৫০ কিঃমিটাৰ ব্যাপি থকা এলেকা সামৰি লব পৰাকৈ এক স্থায়ী আৰু পৰিবেশমুখী পৰিকল্পিত উন্নয়ন সুনিশ্চিত কৰাৰ অৰ্থে বৃহত্তৰ গুৱাহাটী এলেকাৰ বাবে এখন আঞ্চলিক মাষ্টাৰ প্লেন প্ৰস্তুতিৰ প্ৰক্ৰিয়া আমি ইতিমধ্যে হাতত লৈছো।

৪৩.৫। এক দক্ষ ৰাজহুৱা পৰিবহন পদ্ধতি প্ৰদানৰ ক্ষেত্ৰত ব্যাপক ৰূপত কাম কৰিবলৈ মোৰ চৰকাৰে গুৱাহাটী মহানগৰত এটা মেট্ৰ'/মন' ৰেল সেৱা ব্যৱস্থা স্থাপনৰ বাবে পৰিকল্পনা কৰিছে, যাৰ

বাবে অহা বিত্তীয় বৰ্ষত এক বিস্তৃত ফলপ্ৰসু সম্ভাৱনীয়তা অধ্যয়ন চলোৱা হব।

৪৩.৬। গুৱাহাটী উন্নয়নৰ বাবে ২০১২-১৩ বৰ্ষৰ সাধাৰণ এলেকা বাৰ্ষিক পৰিকল্পনাৰ অধীনত ৬৯৩.৫১ কোটি টকা দিয়া হৈছে।

৪৪। পৰিবেশ আৰু বন ঃ

৪৪.১। ৫০০০ হেক্টৰ ভূমিত বৃক্ষৰোপণ, ৯০ লাখ গছ-পুলিৰ বিতৰণ আৰু বন, বন্যপ্ৰাণী, পাহাৰ আৰু আৰ্দ্ৰভূমি ৰক্ষনাবেক্ষণৰ বাবে অসম বন সুৰক্ষা বাহিনীৰ ২য় আৰু ৩য় বেটেলিয়নক পূবাদমে কামত লগোৱাৰ প্ৰস্তাৱ লোৱা হৈছে। কাৰ্য্যালয় ভৱন, কৰ্মচাৰীৰ বাস গৃহ নিৰ্মাণ, ১০০ কিলোমিটাৰ বন পথৰ ব্যৱস্থাপনা আৰু উন্নীতকৰণ, ৩০টা কালভৰ্টি বহুওৱা আৰু বন কৰ্মচাৰী সকলৰ বাবে বিজুলী সৰবৰাহ আৰু খোৱাপানী যোগানৰ দৰে সা-সুবিধাদানৰ ওপৰত অগ্ৰাধিকাৰ দিয়া হ'ব।

৪৪.২। ৰাজ্যখনৰ বনজ সম্পদৰ সু পৰিচালনা আৰু বিপনন ব্যৱস্থাৰ বাবে অহা বিত্তীয় বৰ্ষৰ সময়ছোৱাতে অসম বন উন্নয়ন নিগম পৰিসীমিত গঠন কৰা হ'ব।

৪৪.৩। ফৰাছী উন্নয়ন অভিকৰণৰ বিত্তীয় সাহাৰ্য্যৰে হাতত ল'বলগীয়া বন আৰু জৈৱ-বৈচিত্ৰতা সংৰক্ষণৰ অসম যোজনাখন অহা বিত্তীয় বছৰৰ পৰা ৰূপায়ণ কৰিবলৈ লোৱা হ'ব। পাঁচ বছৰৰ সময়ৰ বাবে এই আঁচনিখনৰ মুঠ ব্যয় ৩৬৬ কোটি টকা হব বুলি ভবা হৈছে।



৪৪.৪। জাপান আন্তঃৰাষ্ট্ৰীয় নিগম অভিকৰণৰ সাহায্যৰে বন বিষয়া সকলৰ প্ৰশিক্ষণৰ কাম হাতত লোৱাৰ বাবে সামৰ্থ উন্নীতকৰণ আঁচনিখনৰ প্ৰস্তাৱ লোৱা হৈছে। এই আঁচনিয়ে গুৱাহাটী আৰু মাকুমত থকা বৰ্তমানৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানবোৰৰ গাঁথনিগত উন্নয়নকো সামৰি লব।

৪৪.৫। মানুহ আৰু জন্তুৰ সংঘাত হ্ৰাস কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। এই সন্দৰ্ভত সৌৰশক্তি চালিত বেৰ নিৰ্মাণ আৰু ১০০ হেক্টৰ ভূমিত ফল-মূলৰ গছ ৰোপনকৰা হ'ব। ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত ব্যাঘ্ৰ যোজনা, হস্তী যোজনা আদিৰ জৰিয়তে বিভিন্ন বন্যপ্ৰাণীৰ বসতি স্থলৰ উন্নয়নৰ অৰ্থে ভাৰত চৰকাৰে অতিৰিক্ত পুঁজিৰ ব্যৱস্থা কৰিব বুলি আশা কৰা হৈছে।

৪৪.৬। বৰ্তমান খালী থকা পদবোৰ পূৰণৰ বাবে খৰতকীয়া কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা হৈছে যাৰ অৰ্থ কেৱল বনসুৰক্ষাৰ বাবে নতুন আৰু অতিৰিক্ত মানৱশক্তিৰ যোগানেই নহয় বৰং ইয়াৰ জৰিয়তে নিৱনুৱা যুৱকৰ নিয়োজনৰ ক্ষেত্ৰতো অৰিহণা যোগোৱা হব।

৪৪.৭। এই খণ্ডৰ বাবে ২০১২-১৩ চনৰ সাধাৰণ এলেকাৰ পৰিকল্পনাৰ অধীনত ১৪৫.৮২ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

৪৫। পৰ্যটন ঃ

৪৫.১। পৰ্যটনৰ উন্নয়ন আৰু উদ্‌গনি জনোৱাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। সৰ্বোচ্চ নিয়োগ-মূলধনৰ অনুপাতেৰে এই ধোৱাঁবিহীন উদ্যোগটো বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বিকশিত উদ্যোগ। ৰাজ্যখনত শান্তি আৰু স্বাভাৱিকতা বৰ্তাই ৰখাৰ মাধ্যমেৰে, বৃহৎ সংখ্যক বিদেশী আৰু ঘৰুৱা পৰ্যটকক আকৰ্ষিত কৰিবৰ বাবে

পৰ্যটন আন্তঃগাঁথনি আৰু সংশ্লিস্ট অন্যান্য সুবিধাসমূহ সৃষ্টিৰ ওপৰত মই উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছোঁ।

৪৫.২। বিভিন্ন পৰ্য্যটন আৱৰ্তৰ উন্নয়নৰ কাম হাতত লোৱা হৈছে। এনেধৰণৰ আৱৰ্তকেইখন হ'ল- ১। হোলোঙাপাৰ-লাচিত মৈদাম-চিনামৰা গৰমপানী নামৰৰ আৱৰ্ত ২। সৰ্থেবাৰী-বৰপেটা-পাটবাউসী-কনবা-সৰভোগ তীৰ্থযাত্ৰী আৱৰ্ত আৰু ৩। আলিপুখুৰী-বটদ্ৰৱা-চামগুৰি সত্ৰ-ববভেটি। যোৰহাটত চ্যুকাফা প্ৰকল্প, ডিব্ৰুগড় জিলাত চাচনি মেৰবিল পৰিৱেশ পৰ্যটন প্ৰকল্প আৰু গুৱাহাটীত দীপৰ বিলৰ দৰে পৰ্যটন স্থানৰ উন্নয়নৰ কাম শেহতীয়াকৈ হাতত লোৱা হৈছে। ৰাজ্যখনৰ সকলোবোৰ ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণী অভয়াৰণ্যক সামৰি বৃহৎ বন্যপ্ৰাণী আৱৰ্ত স্থাপনৰ উদ্যোগ লোৱা হৈছে। গুৱাহাটীত ব্ৰহ্মপুত্ৰ নদীৰ মাজত বীৰ লাচিত বৰফুকনৰ এটা প্ৰতিমূৰ্তি স্থাপনৰ কাম ভালদৰে চলি আছে। যোৰহাটত মঞ্জুৰিপ্ৰাপ্ত হোটেল ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। অসম বিকাশ যোজনা আঁচনিৰ জৰিয়তে গুৱাহাটীত ৰেডিঅ' টেক্সি সেৱাৰ অলপতে প্ৰৱৰ্তন কৰা হ'ব। গ্ৰামাঞ্চলত পৰ্য্যটক গৃহৰ সুবিধাৰ বাবে উদ্ভাৱনমূলক আঁচনি ৰূপায়ণৰ কাম হাতত লোৱা হ'ব। ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় পৰ্যটন মেলাত সক্ৰিয় অংশ গ্ৰহণ আৰু বিভিন্ন মাধ্যমৰ জৰিয়তে অসমৰ পৰ্যটনক উদগনি জনোৱাৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০১২ চনৰ ১-১৫ ফেব্ৰুৱাৰী লৈ হাৰিয়ানাত অনুষ্ঠিত হৈ যোৱা ২৬তম সুৰজকুণ্ড শিল্প মেলাত অসমে এক মূল ৰাজ্য হিচাপে অংশ গ্ৰহণ কৰে। ই এক তাৎপৰ্য্যপূৰ্ণ সাফল্য। অসমৰ পৰ্যটনৰ সম্ভাৱনীয়তাক প্ৰদৰ্শন কৰাৰ অৰ্থে অহা শীত কালত এক আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।



৪৫.৩। পৰ্যটনৰ বাবে ২০১২-১৩ বৰ্ষৰ সাধাৰণ এলেকাৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত ৪২.৭৫ কোটি টকা আগবঢ়োৱা হৈছে। ইয়াক ভাৰত চৰকাৰ, উত্তৰ পূৱ পৰিষদ, ত্ৰয়োদশ বিত্তীয় আয়োগৰ অনুদান আৰু অন্যান্য উৎসৰ অতিৰিক্ত পুঁজিৰে সম্পূৰ্ণ কৰা হ'ব।

৪৬। পৰিবহন ঃ

৪৬.১। অসম ৰাজ্যিক পৰিবহন নিগম (এ এচ টি চি) ৰ নিজা ৫৭০ খন বাছ আছে আৰু ইয়াৰ বেনাৰত ১২০০ খন ব্যক্তিগত বাছ চলি আছে। গুৱাহাটী মহানগৰত ১৮২ খন জে এন নে উ উ আৰ এম বাছ চিটিবাছ হিচাপে আগবঢ়োৱা হৈছে। এ এচ টি চিৰ পল্টন বজাৰ আস্থানত এটা বহুমহলীয়া কাৰ পাৰ্কিং নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰ সেৱা অতি শীঘ্ৰে আৰম্ভ কৰা হ'ব। ২০১২-১৩ ৰ বাৰ্ষিক পৰিকল্পনাত নতুন বাহন ক্ৰয় আৰু যাত্ৰী নিবাস নিৰ্মানৰ বাবে ৫০ কোটি টকা আগবঢ়োৱা হৈছে।

৪৬.২। আইন বলবৎ কৰা আৰু পথ সুৰক্ষাৰ সজাগতাৰ জৰিয়তে পথ সুৰক্ষাৰ ওপৰত আমি গুৰুত্ব প্ৰদান কৰি আছো। কমলপুৰ আৰু চিৰাঙত দুটা গাড়ীচালনাৰ প্ৰশিক্ষন প্ৰতিষ্ঠান স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। চফটৱেৰৰ "ৰাহন' আৰু "সাৰথি" ৰে ২৬ খন জিলাৰ জিলা পৰিবহন বিষয়াৰ কাৰ্য্যালয় কম্পিউটাৰকৰণ কৰি কাৰ্য্যক্ষম কৰি তোলা হৈছে। সকলোবোৰ যানবাহনৰ বাবে উচ্চ সুৰক্ষা পঞ্জীয়ণ প্লেট স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

৪৬.৩। বিমান বন্দৰৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ডিব্ৰুগড় বিমান বন্দৰৰ কাৰণে মাটি অধিগ্ৰহণৰ কাম হাতত লোৱা হৈছে।

৪৬.৪। অসম আভ্যন্তৰীণ জলপবিবহনে ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈত ৯৮ খন ফেৰী সেৱা চলাই আছে। বাণিজ্যিক সেৱা চলাই থকাৰ উপৰিও ওপঙা ৰেষ্টুৰেন্ট আৰু বিভাৰ ক্ৰুইজ প্ৰাৰম্ভণৰ দ্বাৰা আভ্যন্তৰীণ জলপবিবহনে "নদী পৰ্য্যটন"ৰ উন্নয়নত এক গুৰুত্বপূৰ্ণ ভুমিকা লৈ আছে। ২০১২-১৩ ৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত আভ্যন্তৰীণ জল পৰিবহনৰ বাবে ৫.১০ কোটি টকা আগবঢ়োৱা হৈছে।

৪৭। সাধাৰণ প্ৰশাসন আৰু কৰ্মচাৰী ঃ

৪৭.১। ভেলোৰ, চেন্নাই, শ্বিলং আৰু বাংগালুৰুত নতুন অসম ভৱন নিৰ্মাণৰ কাম চলি আছে। মুম্বাইৰ অসম ভৱন সম্প্ৰসাৰণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। হাৰিয়ানাৰ গুৰগাঁৱত আৰু কলকতাৰ চল্ট লেকত অসম ভৱন নিৰ্মাণৰ বাবেও বিবেচনা কৰি থকা হৈছে।

৪৭.২। ৰাজ্যিক সৈনিক ব'ৰ্ডক পুনৰুজ্জীৱিত কৰণৰ বাবে পদক্ষেপ লৈ থকা হৈছে। সৈনিকৰ কল্যাণৰ বাবে ৯ খন অৱসৰপ্ৰাপ্ত বৰঙণিমূলক স্বাস্থ্য আঁচনি পলিক্লিনিক স্থাপন কৰা হৈছে। সৈনিকৰ জিৰণি গৃহ আৰু প্ৰতিখন জিলাৰ সদৰতে জিলা সৈনিক বোৰ্ড তথা গুৱাহাটীত এটা যুদ্ধ স্মাৰক স্থাপন কৰিবলৈও প্ৰস্তাৱ কৰা হৈছে।

৪৭.৩। ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত খালি পদসমূহ খৰতকীয়া কৰি পূৰণ কৰাৰ অৰ্থে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক, গাড়ী চালক আৰু চতুৰ্থ শ্ৰেণীৰ পদসমূহৰ বাহিৰে মই আন পদৰ ক্ষেত্ৰত বিত্ত বিভাগৰ কৰ্মচাৰী প্ৰতিষ্ঠান গোটৰ সন্মতি ল'বলগীয়া হোৱাতো উঠাই দিছো। বিত্ত বিভাগে অৱশ্যে মঞ্জুৰী নথকা পদত মকৰল হৈ



বেতন গ্ৰহণ কৰাজনৰ বিৰুদ্ধে নিজস্ব কৌশল অৱলম্বন কৰিব পাৰিব।

৪৭.৪। কাৰ্বি আংলং জিলাক ৪ খন আৰু ডিমা হাছং জিলাক ৩ খন জিলালৈ বিভক্ত কৰি মুঠ পাঁচখন নতুন প্ৰশাসনিক জিলা গঠন কৰা হ'ব।

৪৮। পেঞ্চন আৰু ৰাজহুৱা ওজৰ আপত্তি ঃ

ভাৰত চৰকাৰৰ আঁচনিৰ আৰ্হিত ১/২/২০০৫ তাৰিখত অথবা এই তাৰিখৰ পিছত চাকৰিত যোগদান কৰা সকলোবোৰ ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে নতুনকৈ ৰাখ্যা কৰা বৰঙণিমূলক পেঞ্চন আঁচনি প্ৰাৰম্ভণৰ পিছত অসম সেৱা (পেঞ্চন) বিধি ১৯৬৯ আৰু অসম সেৱা (জিপি এফ) বিধি ১৯৩৭ খন সংশোধন কৰা হৈছে। পেঞ্চন সঞ্চালকালয় শক্তিশালীকৰণত সহায়ক হোৱাকৈ আৰু পেঞ্চনৰ বিষয়সমূহ ক্ষীপ্ৰভাবে নিষ্পত্তি কৰিবলৈ কেতবোৰ পদক্ষেপো লৈ থকা হৈছে।

৪৯। তথ্য আৰু জনসংযোগ ঃ

ড° ভুপেন হাজৰিকাৰ নামত এখন ডিজিটেল ফটো আৰু ফিল্ম আৰ্কাইভ স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ বাবে অহা বছৰৰ বাজেটত ১.৫ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে। প্ৰত্যেকখন জিলা সদৰতে সকলোবোৰ আধুনিক সা-সুবিধাৰে তথ্য হাব তথা এক সংহত সৱৰৰাহ নেটৱৰ্ক স্থাপন কৰিবলৈও প্ৰস্তাৱ কৰা হৈছে। ৩০০ টা এলেকাত স্থিৰ অনুভাষ যন্ত্ৰ স্থাপনৰ কাম হাতত লোৱা হ'ব। মুম্বাইত এটা অসম তথ্য কেন্দ্ৰ স্থাপন কৰিবলৈ প্ৰচেষ্টা লোৱা হ'ব। ইয়াৰ উপৰিও নতুন দিল্লী আৰু ক'লকতাৰ অসম তথ্য

কেন্দ্ৰ নৱীকৰণৰ কাম হাতত লোৱা হ'ব। "ৰাইজৰ বাতৰি" নামৰ বাতৰি কাকতখন ২০১২ চনৰ জানুৱাৰীৰ পৰা পুনৰ প্ৰকাশ কৰিবলৈ লোৱা হৈছে আৰু এইখন প্ৰকাশ কৰি থকা হ'ব। বহুতো লোকে এই পদক্ষেপক আদৰণি জনাইছে। বৰপেটা, মঙ্গলদৈ, গুৱাহাটী, মাজুলী, শুৱালকুছি আৰু হাজোৰ ওপৰত তথ্যগত পুথি প্ৰকাশৰ উপৰিও বহুতো অন্যান্য পুস্তিকা, ফল্ডাৰৰ প্ৰকাশৰ কামো হাতত লৈ থকা হৈছে। সাংবাদিক সকলৰ কল্যাণৰ বাবে থকা আঁচনিৰ বিপৰীতে পৰ্য্যাপ্ত পুঁজি আছুতীয়াকৈ ৰখা হৈছে।

৫০। দুৰ্যোগ ব্যৱস্থাপনা ঃ

৫০.১। মই সদায় কৈ আহিছো যে অসমৰ বাবে গড়াখহনীয়াৰ সমস্যা বানপানীৰ সমস্যাতকৈ অধিক গুৰুতৰ। ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ সমূহৰ খহনীয়াৰ ফলত ১৯৫৪ চনৰ পৰা প্ৰায় ৪ লাখ হেক্টৰ সাৰুৱা মাটি নৈৰ বুকুত জাহ গৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি পুঁজি আৰু ৰাজ্যিক দুৰ্যোগ সহাৰি পুঁজিৰ অধীনত দুৰ্যোগ সাহায্য প্ৰাপ্তৰ তালিকাত গৰাখহনীয়াক অন্তৰ্ভূক্ত কৰাৰ অৰ্থে বিষয়টো ভাৰত চৰকাৰৰ ওচৰত উত্থাপন কৰা হৈছে। আমাৰ এই দাবী ভাৰত চৰকাৰে গ্ৰহণ নকৰালৈকে গৰাখহনীয়াৰ সমস্যাটো ৰাজ্যখনৰ সীমিত সমলেৰে মোকাবিলা কৰি থকা হ'ব। ইয়াৰে পদক্ষেপ হিচাপে 'অসমৰ গৰাখহনীয়া আক্ৰান্ত পৰিয়ালসমূহৰ অৰ্থে পুনৰ সংস্থাপন কৰ্তৃপক্ষ' গঠন কৰি থকা হৈছে। মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ হিচাপে খহনীয়াত ভূমিহীন হোৱা পৰিয়াল সকলক নগদ ৫ হাজাৰ টকা আৰু ২ বান্দোল টিনপাত সাহায্য হিচাপে আগবঢ়োৱা হ'ব।

৫০.২। দুৰ্যোগ ব্যৱস্থাপনাক অধিক প্ৰতিষ্ঠানিক ৰূপ দিয়া হ'ব। ৰাজ্যখনৰ দুৰ্য্যোগ ব্যৱস্থাপনাৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ



অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই বিভিন্ন কাম-কাজ হাতত লৈ আছে।

৫০.৩। গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ আৰু ধেমাজি জিলাৰ বাবে সম্ভাব্য বিপদ আৰু দুৰ্বলতা মূল্যায়ণ প্ৰতিবেদন, গুৱাহাটী মহানগৰৰ বিদ্যালয় আৰু চিকিৎসালয়সমূহৰ সম্ভাব্য সূচ্যাংক মানচিত্ৰ আৰু সুৰক্ষা হিচাপ, জৰুৰীকালীন হেল্প লাইন নম্বৰসমূহ একত্ৰিত কৰা, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা প্ৰস্তুতি ইত্যাদি লেখিয়া পদক্ষেপ সমূহ এই বছৰৰ ভিতৰতে সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

বৰ্তমানে ৮ খন জিলাত ৰূপায়ণ কৰি থকা বানপানীৰ আগতীয়া সতৰ্কীকৰণ ব্যৱস্থাটো আগন্তুক বিত্তীয় বৰ্ষত আৰু ১৪ খন জিলালৈ সম্প্ৰসাৰণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। সুষম দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনাৰ বাবে বিভিন্ন স্থানীয়, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ মাজত নেট্ৱৰ্ক স্থাপন কৰিবলৈ প্ৰচেষ্টা লৈ থকা হৈছে।

৫০.৪। ত্ৰয়োদশ বিত্ত আয়োগে ২০১০ ৰ পৰা ২০১৫ লৈ ৰাজ্য খনত সামৰ্থ্য বৃদ্ধিৰ পদক্ষেপ সমূহ গ্ৰহণ কৰাৰ বাবে ২৫ কোটি টকা আগবঢ়াইছে। মুম্বাইৰ টাটা ইন্সিটিটিউট অৱ চ'চিয়েল চাইন্স আৰু আহমেদাবাদৰ অল ইণ্ডিয়া ডিজেষ্টাৰ মিটিগেচন ইন্সিটিটিউট সামৰ্থ্য বৃদ্ধিৰ উদ্দেশ্যে নিৰ্বাচিত কৰা হৈছে।

৫০.৫। প্ৰাকৃতিক দুৰ্য্যোগৰ দ্বাৰা ক্ষয়-ক্ষতি হোৱা আন্তঃ গাঁথনি সমূহৰ তাৎক্ষনিক মেৰামতি আৰু পুনৰ নিৰ্মাণৰ বাবে ৰাজ্যিক দুৰ্য্যোগ সহাৰি পুঁজিৰ দুটা কোম্পানী গঠন কৰা হৈছে।

৫১। ৰাজহ সংস্কাৰ ঃ

৫১.১। ভূমি সমলসমূহৰ যথোচিত ব্যৱস্থাপনাক মোৰ চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। বিগত কেইবাবছৰো ধৰি ভূমি প্ৰশাসনীয় পদ্ধতিৰ উন্নয়ণৰ ওপৰত বিশেষ অগ্ৰাধিকাৰ দি অহা হৈছে। এতিয়া নীতি নিৰ্দেশাৱলী আৰু হাতপুথি সমূহৰ নবীকৰণ ৰাজহ কাৰ্য্যালয়সমূহৰ নিৰ্মাণ আদিৰ যোগেদি নাগৰিকলৈ ক্ষীপ্ৰ আৰু বন্ধুত্বমূলক সেৱা যোগোৱাৰ ওপৰত নতুনকৈ জোৰ দিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

৫১.২। আধুনিক জৰীপ 'প্ৰযুক্তিৰ পৰিচয়কৰণ, অসম জৰীপ আৰু বন্দোবস্তী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উন্নীতকৰণ, জৰীপৰ আধুনিক সা-সৰঞ্জামৰ সংগ্ৰহকৰণ, ভূমি জৰীপ মেপৰ ডিজিটেলাইজকৰণ, দক্ষতা বৃদ্ধিৰ দৰে আঁচনি সমূহৰ কাম আগবাঢ়ি আছে।

৫১.৩। ভূমি লেখা আৰু উপ-পঞ্জীয়কৰ কাৰ্যালয়ৰ কম্পিউটাৰকৰণৰ প্ৰকল্পটো আৰু উন্নীতকৰণ কৰা হ'ব। পঞ্জীয়ণ আৰু নামজাৰী (ভূমি লেখা) ৰ অগ্ৰণী আঁচনি এখনো আৰম্ভ কৰা হ'ব।

৫১.৪। ৰাজহ কাৰ্যালয় সমূহৰ বিশেষকৈ ক্ষেত্ৰ কাৰ্যালয়সমূহৰ মানৱ সম্পদ আৰু কাৰ্যালয় আন্তঃগাথনি উন্নীতকৰণ কৰা হ'ব। ৰাজহ চক্ৰৰ কাৰ্যালয় ভৱন আৰু তাৰ বিষয়া কৰ্মচাৰীসকলৰ আৱাস ভৱন নিৰ্মাণ আৰু মেৰামতিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব।

৫১.৫। অসম ভূমি বেদখল (প্ৰতিৰোধ আইন) ২০১১ চন যথা-যথ ভাৱে ৰূপায়ণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব।



৫১.৬। ভূমি সংস্কাৰৰ বাবে সাধাৰণ এলেকাৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত ২০১২ বৰ্ষৰ বাজেটত ১৭ কোটি টকা আবন্টন দিয়া হৈছে।

৫২। ৰাজহুৱা প্ৰতিষ্ঠান ঃ

ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ প্ৰশিক্ষণ আৱশ্যকতা বিশ্লেষণ নিৰূপণৰ বাবে আৰু তেওঁলোকৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। দক্ষতা বৃদ্ধি, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ পৰিচালনাৰ উন্নীতকৰণ, ব্যৱস্থাপনা তথ্য পদ্ধতিৰ উন্নয়নৰ বাবে তথ্য প্ৰযুক্তি আন্তঃ গাঁথনিৰ শক্তিশালীকৰণ, হিচাপ কম্পিউটাৰ কৰণ, আই এছ ও প্ৰমানীকৰণ আৰু প্ৰযুক্তি উন্নতকৰণৰ ওপৰত অধ্যয়ন অব্যাহত ৰখা হ'ব।

৫৩। নতুন আঁচনি আৰু কাৰ্যসূচীসমূহ ঃ

৫৩.১। অধ্যক্ষ মহোদয়, মোৰ চৰকাৰে আন্তৰিকতাৰে গ্ৰহণ কৰিবলগীয়া ৩৯ খন নতুন আঁচনি, কাৰ্যসূচী আৰু ঋৰ্য পৰিকল্পনাৰ কথা মই ২০১২ চনৰ পহিলা জানুৱাৰী তাৰিখতেই ঘোষণা কৰিছিলো। সেইবোৰ হ'ল -

১। ৫০০ খন কাঠৰ দলঙক পকী দলঙলৈ ৰূপান্তৰ।

২। সীমান্ত অঞ্চলৰ ৰাস্তা-ঘাট আৰু দলং নিৰ্মাণত বিশেষ গুৰুত্ব।

৩। দশম শ্ৰেণী পৰ্য্যন্ত দৰীদ্ৰ সীমাৰ তলৰ ছাত্ৰীলৈ বিনামূলীয়া চাইকেল বিতৰণ।

৪। ১০,০০০ বোঁৱনিলৈ বিনামূলীয়া সূতা বিতৰণ।

৫। প্ৰতি বছৰে প্ৰতিটো বিধান সভা সমষ্টিৰ দৰিদ্ৰ **সীমান্ত** তলৰ পৰিয়াললৈ বিনামূলীয়া আঁঠুৱা বিতৰণ।

৬। বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহ সৰলীকৰণ **আৰু** উন্নীতকৰণৰ বাবে উচ্চতৰ শিক্ষাৰ মুখ্যমন্ত্ৰীৰ **অভিযান** আঁচনি।

৭। অহা পাঁচ বছৰৰ ভিতৰত ৰাজ্যখনৰ **আটাইবোৰ** প্ৰাদেশীকিকৃত মহাবিদ্যালয় আৰু উচ্চতৰ **মাধ্যমিক** বিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখাৰ প্ৰচলন।

৮। অহা পাঁচ বছৰৰ ভিতৰত ১০০০ খন **মাধ্যমিক** বিদ্যালয়ত বৃত্তিমুখী পাঠ্যক্ৰমৰ প্ৰচলন।

৯। নিম্ন প্ৰাথমিক অৰু উচ্চ প্ৰাথমিক প্ৰত্যেক **স্তৰৰ** ৫০,০০০ ছাত্ৰ-ছাত্ৰীৰ বাবে নতুন জলপানি **আঁচনি।** নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ **মেধাৱী** ছাত্ৰ-ছাত্ৰীৰ বাবে এই আঁচনিৰ অধীনত ৫০০০ টকাৰ স্থায়ী জমা খোলা হ'ব।

১০। হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম তিনিটা স্থান দখল কৰা ছাত্ৰ-ছাত্ৰী সকলক 'নাছা' লৈ শিক্ষামূলক ভ্ৰমণৰ বাবে পঠোৱা হ'ব। এই আঁচনি প্ৰয়াত দেৱ কুমাৰ বৰাৰ নামত উৎসৰ্গিত হ'ব।

১১। দেশৰ এখন প্ৰখ্যাত হস্পিতালৰ সহযোগত চৰকাৰী আৰু অনা-চৰকাৰী অংশীদাৰিত্বৰ ভিত্তিত গুৱাহাটীত এখন সৰ্বাধুনিক সা-সুবিধাযুক্ত হস্পিতাল খোলা হ'ব।



১২। আটাইকেইখন চিকিৎসা মহাবিদ্যালয়তে অত্যাধুনিক যন্ত্ৰপাতিৰে ৫০ খন বিচনাযুক্ত একোটাকৈ কেন্সাৰ শাখা খোলা হ'ব।

১৩। ১৪ বছৰৰ তলৰ শিশুসকলৰ চিকিৎসা সাহায্যৰ অৰ্থে অহা পাঁচ বছৰৰ বাবে ৫০ কোটি টকাৰ ক'ৰ্পাছ খোলা হ'ব।

১৪। খহনীয়া আক্ৰান্ত পৰিয়ালৰ বাবে অহা পাঁচ বছৰত বিশেষ পেকেজৰ কাৰ্যকৰীকৰণ (প্ৰতিটো খহনীয়া আক্ৰান্ত পৰিয়াললৈ ৫০০০ টকাকৈ আৰু ২ বান্দিল টিনপাত)

১৫। ক্ষুদ্ৰ কুটীৰ আৰু খাদী উদ্যোগৰ বাবে পুণৰসংস্থাপনৰ পেকেজৰ ব্যৱস্থা কৰা।

১৬। অসমৰ বাহিৰৰলৈ জ্ঞানজ্যোতি আঁচনিখন সম্প্ৰসাৰণ ঘটোৱা আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তিনিগুণ কৰা।

১৭। প্ৰসূতি মৃত্যু হাৰ, নৱজাতক মৃত্যু হাৰ, অপুষ্টি আদি সামৰি মূল স্বাস্থ্যখণ্ডলৈ উন্নীতকৰণৰ বাবে মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত মহিলা আৰু শিশুৰ বাবে এখন পৃথক আয়োগ গঠন কৰা।

১৮। বিধান সভাৰ অহা বাজেট অধিবেশনত অসম চৰকাৰৰ বাবে এখন নাগৰিক চনদ ঘোষণা কৰা ।

১৯। ৰাজহুৱা সেৱা আৰু আপত্তিসমূহ সময়মতে নিৰসন নিশ্চিত কৰিবলৈ এখন নতুন আইন প্ৰণয়ন কৰা।

২০। সকলো স্তৰতে দূৰ্নীতি নিৰ্মূলৰ বাবে অসম ৰাজ্যিক লোকায়ুক্ত আইনখন পুনৰ সংশোধন কৰা।

২১। পেঞ্চন সঞ্চালকালয় শক্তিশালী কৰা আৰু এক নতুন সামাজিক নিৰাপত্তাৰ আঁচনি আৰম্ভ কৰা।

২২। বিধৱা আৰু বয়সস্থ লোকসকলৰ বাবে এখন নতুন সামাজিক নিৰাপত্তাৰ আঁচনি কৰা।

২৩। মানুহ আৰু হাতীৰ সংঘাত অধ্যয়ন আৰু হ্ৰাসৰ বাবে এখন কমিটি গঠন আৰু ক্ষতিগ্ৰস্তসকলক যথোচিত সাহায্য দিয়া।

২৪। প্ৰত্যেক বিভাগৰ বাবে এক নিৰিক্ষণ আৰু মূল্যাংকন সমিতি গঠন কৰা।

২৫। চাহ জনজাতি, চৰবাসী, জনজাতি অধ্যুষিত অঞ্চল তথা বান আৰু খহনীয়াত ক্ষতিগ্ৰস্তলোকৰ বাবে হস্তশিল্পৰ প্ৰশিক্ষণ কেন্দ্ৰ কৰা।

২৬। ভুমিহীন শ্ৰমিক আৰু দৈনিক হাজিৰা কৰা শ্ৰমিক সকলৰ বাবে বিশেষ পেকেজ।

২৭। ২ শতাংশ সূদত কৃষকসকললৈ শস্য ঋণ।

২৮। মহিলা কৃষকসকলৰ বাবে ৫০ শতাংশ ৰাজ সাহায্যত ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ তথা ৬০ শতাংশ ৰাজ সাহায্যত সকলো সা-সৰঞ্জামেৰে সৈতে ৫০০০ ৰটাৰী টিলাৰ বিতৰণ।



২৯। ভুমি বেদখল আইন (অসম ভুমি বেদখল (প্ৰতিৰোধ আইন) ২০১০ ৰ ৰূপায়নৰ ওপৰত বিশেষ গুৰুত্ব।

৩০। চাহ, মৰাপাট, পানী মেটেকা, কল, কমলা, তামোল, বাঁহ, বেত ইত্যাদি উদ্যোগ সমূহত স্থানীয় যুৱক-যুৱতীসকলক নিয়োগৰ সুবিধা প্ৰদান কৰা ক্ষুদ্ৰ উদ্যোগিক গোটবোৰৰ বাবে ২৫ লাখ টকালৈকে বিশেষ উদগনি।

৩১। পিতল, কাঁহ, আতচবাজী ইত্যাদিৰ লেখীয়া থলুৱা উদ্যোগবোৰৰ আধুনিকীকৰণৰ বাবে বিশেষ পেকেজ।

৩২। সকলো উন্নয়ন খণ্ডৰ সদৰত মিনি চিনেমা গৃহ স্থাপনৰ বাবে উদগনি।

৩৩। সকলো জিলা সদৰত ৰবীন্দ্ৰ ভৱন প্ৰেক্ষাগৃহ।

৩৪। সকলো উন্নয়ন খণ্ডৰ সদৰত জ্যোতি বিষ্ণু সাংস্কৃতিক কেন্দ্ৰৰ সম্পূৰ্ণকৰণ।

৩৫। গুৱাহাটী আজান ফকীৰ ক্ষেত্ৰ স্থাপন।

৩৬। চাউল, মৰাপাট আৰু অন্যান্য কৃষি উৎপাদিত সামগ্ৰীৰ বাবে নুন্যতম সমৰ্থন মূল্য।

৩৭। অধিক গুদাম, বিপণন চালি আৰু শীতল ভঁড়াল স্থাপন।

৩৮। প্ৰয়াত ড° ভুপেন হাজৰিকাৰ নামত কম্পিটাৰযুক্ত ফটো আৰু ফিল্ম আৰ্কাইভ স্থাপন।

৩৯। প্ৰয়াত ড° ইন্দিৰা গোস্বামীৰ নামত ৰামায়ণী সাহিত্য অধ্যয়নৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত এখন আসন।

উল্লিখিত আঁচনিসমূহ ঘোষণা কৰাৰ সময়ত মই কৈছিলো যে সেইবোৰৰ ৰূপায়নৰ বাবে অহা পাঁচ বছৰত ৫০০০ কোটি টকাৰ ব্যয় কৰা হ'ব। ২০১২-১৩ বৰ্ষৰ বাজেট প্ৰাক্কলনত এই উদ্দেশ্যে মই ১০০০ কোটি টকা আগবঢ়াইছো।

৫৪। ওপৰত উল্লেখ কৰা প্ৰয়াসবিলাকৰ বাহিৰেও বিভিন্ন সময়ত মই ৰাইজৰ বিভিন্ন আবেদনলৈও সহাঁৰি জনাই আহিছো। এই অনুসাৰে মই তলত উল্লেখ কৰা সিদ্ধান্তসমূহ গ্ৰহণ কৰিছো।

১। আন্তঃ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন প্ৰকৃতিবিদ ড° ৰবীন বেনাৰ্জীৰ নামত ড° ৰবীন বেনাৰ্জী জৈৱবৈচিত্ৰ বটা' প্ৰৱৰ্ত্তন কৰা হ'ব।

২। সতী জয়মতীৰ নামত এক নতুন ব'টা প্ৰদান কৰা হ'ব।

৩। গুৱাহাটীৰ ন'টবমাৰ চ্যুকাফা নগৰ আৰু ৰেণচেং প্ৰাঙ্গনৰ উন্নয়নমূলক কামকাজৰ বাবে ২০ লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব।

৪। ৰাজ্যখনত শীঘ্ৰেই মহাত্মা গান্ধী নিপুণতা বৃদ্ধি প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰা হ'ব আৰু অহা ৫ বছৰত কৰ্মৰ সুবিধা সৃষ্টিৰ বাবে ৩ হাজাৰ কোটি টকা ব্যয় কৰা হ'ব।

৫। তিনি বছৰীয়া গ্ৰাম্য চিকিৎসা সেৱাৰ পাঠ্যক্ৰমৰ আসনৰ সংখ্যা বৃদ্ধি কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।



৬। ৰাজ্যখনত গাওঁৰক্ষী সংগঠন প্ৰতিষ্ঠানৰ গুৰি ধৰোতা হৰিনাৰায়ণ বৰুৱাৰ এটি আৱক্ষ মূৰ্তি প্ৰতিষ্ঠাৰ বাবে আগন্তুক বৰ্ষত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

৭। স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱস পালন অনুষ্ঠানৰ কুছকাৱাজত গাঁওৰক্ষী সংগঠনেও অংশ লোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

৮। দেশী-বিদেশী পৰ্যটকক আকৰ্ষন কৰিব পৰাকৈ গুৱাহাটী মহানগৰীৰ সমীপৰ সোণাপুৰত ৰাজ্য চৰকাৰে 'ক্ষুদ্ৰ অসম' (Mini Assam ) নামেৰে এক নতুন অভিলাষী প্ৰকল্প গঢ়ি তোলাৰ কথা চিন্তা-চৰ্চ্চা কৰিছে। ১০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ প্ৰস্তাৱিত প্ৰকল্পটো অসমখনৰ এক ক্ষুদ্ৰ সংস্কৰণ হ'ব।

৯। সোণাপুৰ-চন্দ্ৰপুৰ অঞ্চলত এখন গ'লফ্ ক'ৰ্চ স্থাপনৰ বাবে প্ৰস্তাৱ ৰখা হৈছে।

১০। সোণাপুৰত এটি পূৰ্ণাঙ্গ ট্ৰাইবেল চেন্টাৰ গঢ়ি তোলা আৰু সোণাপুৰ অঞ্চলৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে এটি উন্নয়ন কৰ্তৃপক্ষ স্থাপন কৰাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব।

১১। ৰাজ্যখনত স্থাপন হ'বলগীয়া ৰাষ্ট্ৰসংঘৰ ৰিছ'ৰ্চ চেন্টাৰটো গঢ়ি তুলিবলৈ সোণাপুৰ অঞ্চলত ভুমি আৱন্টনৰ ব্যৱস্থা কৰা হ'ব।

১২। ৰাজ্যচৰকাৰে শিল্পীসকলৰ কল্যাণৰ বাবে 'শিল্পী সাহায্য ন্যাস পুঁজি' (ক'ৰপাচ ফাণ্ড) গঠন কৰিব আৰু ইয়াৰ বাবে অহা বিত্তীয় বৰ্ষৰ বাজেটত ২ কোটি টকা ধাৰ্য কৰা হৈছে।

১৩। ৰাজ্যিক পৰ্যায়ৰ দৰে জিলা পৰ্যায়তো শিল্পীৰ'টা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

১৪। অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ বাবেৰহণীয়া কলা-কৃষ্টি তথা সংস্কৃতিৰ সংৰক্ষণ আৰু গৱেষণাৰ বাবে চৰকাৰে এটি পূৰ্ণাঙ্গ ৰূপত গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

১৫। গুৱাহাটী শিশু ন্যাস বিদ্যালয়লৈ ১০ লাখ টকাৰ অনুদান আগবঢ়োৱা হ'ব।

১৬। ২০১২ চনৰ ১ এপ্ৰিলৰ পৰা ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে স্বাস্থ্য বীমাকৰণ আচনি অথবা কেন্দ্ৰীয় স্বাস্থ্য সেৱা আঁচনি প্ৰৱৰ্ত্তন কৰাৰ ব্যৱস্থা কৰা হ'ব। চিকিৎসাৰ ৰি-ইম্বাৰছমেন্ট পলিচি অধিক সবলীকৰণ কৰা হ'ব।

১৭। গুৱাহাটী আৰু দিল্লীত চাওলুং ছ্যু-কাফাৰ প্ৰতিমূৰ্ত্তি স্থাপন কৰা হ'ব।

১৮। চাহক ৰাষ্ট্ৰীয় পানীয় হিচাপে ঘোষণা কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰক অনুৰোধ জনাইছে আৰু ইয়াৰ ওপৰত জোৰ দি থকা হ'ব।

১৯। বিশিষ্টা স্বাধীনতা সংগ্ৰামী, গান্ধীবাদী, কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্টৰ অসম শাখাৰ প্ৰতিষ্ঠাপিকা অমলপ্ৰভা দাসৰ জন্ম শতবাৰ্ষিকী প্ৰতি জিলাত পালন কৰাৰ বাবে মই বিশেষ উদ্যোগ ল'ম যাতে ৰাজ্যৰ চুকে-কোণে তেওঁৰ আদৰ্শ প্ৰচাৰ হয়।

২০। পাণবজাৰত নিৰ্মাণ কৰি থকা হৰিকৃষ্ণ হেমপ্ৰভা দেৱীপ্ৰভা মেম'ৰিয়েল পলিক্লিনিকখনৰ বাবে প্ৰয়োজন হোৱা ৬০ লাখ টকাৰ ব্যয় চৰকাৰে বহন কৰিব।

২১। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে থকা জ্ঞানজ্যোতি আঁচনিৰ নিচিনাকৈ শিক্ষক সকলকো ভাল শৈক্ষিক প্ৰতিষ্ঠানলৈ পঠিওৱা হ'ব



যাতে ছাত্ৰ-ছাত্ৰী সকলক কিদৰে শিক্ষা দান কৰা হয় সেই বিষয়ে তেখেতসকলে জানিব পাৰে।

২২। ভালদৰে কৰ্ম সম্পাদন কৰা শিক্ষকসকলক পুৰস্কাৰ আৰু প্ৰশস্তি পত্ৰ প্ৰদান কৰাৰ কথা চৰকাৰে চিন্তা-চৰ্চা কৰি আছে।

২৩। অহা বছৰৰ পৰা মেট্ৰিক আৰু মাদ্ৰাছা পৰীক্ষা সমূহত ৫০ শতাংশ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰী সকললৈ কম্পিউটাৰ প্ৰদান কৰা হ'ব।

২৪। অসম চৰকাৰৰ বিষয়াৰ দল উন্নত প্ৰশিক্ষণ আৰু জ্ঞান আহৰণৰ বাবে বিদেশলৈ পঠিওৱাৰ আঁচনি অব্যাহত থাকিব।

২৫। বানপীড়িত ধেমাজি জিলাৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ১০০ কোটি টকাৰ বিশেষ সাহাৰ্য্য আগবঢ়াব। ধেমাজিৰ শেহতীয়া বানত প্ৰাণ হেৰুৱা লোকৰ নিকট আত্মীয়লৈ চৰকাৰে ১ লাখকৈ টকাৰ এককালীন সাহায্য, পকী ঘৰ হেৰুৱা সকলক ২৫ হেজাৰ আৰু কেঁচাঘৰ হেৰুৱা সকললৈ ১০ হেজাৰ টকাৰ সাহায্য আগবঢ়াব।

২৬। ৰাজ্য চৰকাৰে ৰাজীৱ গান্ধীৰ নামত শিশুৰ বাবে এটা মিউজিয়াম আৰু দুখীয়া পৰিয়ালৰ মেধাবী ছাত্ৰ-ছাত্ৰীৰ বাবে এখন স্কুল স্থাপন কৰিব।

২৭। ৰাজ্য চৰকাৰে অসম সচিবালয়ত সৌৰশক্তিৰ জৰিয়তে বিদ্যুৎ শক্তি আহৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ জিলা কাৰ্য্যালয় সমূহতো সৌৰশক্তিৰে বিদ্যুৎ যোগানৰ ব্যৱস্থা লোৱা হ'ব।

২৮। শ্ৰীমন্ত শংকৰদেৱৰ সাংস্কৃতিক সমাজৰ পুৰী প্ৰকল্পৰ **কাম** সম্পূৰ্ণ কৰিবৰ বাবে ৰাজ্য চৰকাৰে ১০ লাখ টকা অনুদান **হিচাপে** আগবঢ়াব।

২৯। ৰাজ্যৰ ১৮ টা নৱগঠিত উন্নয়ন পৰিষদৰ **বাবে চৰকাৰে** গুৱাহাটীত শীঘ্ৰে এটা কাৰ্য্যালয় স্থাপন কৰিব আৰু প্ৰয়োজনীয় **বিষয়া** কৰ্মচাৰী নিয়োগ কৰিব।

৩০। ৰাজ্য চৰকাৰে 'অসম বন উন্নয়ন নিগম' **নামেৰে নতুন** প্ৰতিষ্ঠান এটি স্থাপন কৰিব।

উপৰোক্ত আঁচনিবোৰ ৰূপায়নৰ বাবে ২০১২-**১৩ চনৰ** বাজেটত আৱশ্যকীয় ব্যৱস্থা ৰখা হৈছে।

৫৫। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে ড° **বীৰেন্দ্ৰ** কুমাৰ ভট্টাচাৰ্য্য আৰু ড° ভূপেন হাজৰিকা আৰু ড° **ইন্দিৰা** গোস্বামীৰ ওচৰত, তেওঁলোকে সাহিত্য, ক'লা আৰু সংস্কৃতিৰ **ক্ষেত্ৰ** সমূহলৈ যোগোৱা অনবদ্য বৰঙনিৰ বাবে চিৰ-ঋণী। মই এই **পৱিত্ৰ** সদনক জনাবলৈ পাই সুখী যে মই ড° ভূপেন হাজৰিকা **আৰু ড°** ইন্দিৰা গোস্বামীৰ বাবে দুখন যথোপযুক্ত স্মাৰক নিৰ্মাণ **কৰিবলৈ** সিদ্ধান্ত লৈছো। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ সাহিত্যিক **কৰ্মৰাজি** সমূহ সংৰক্ষণ কৰিবলৈও মই সিদ্ধান্ত লৈছো। ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কৰা হ'ব।

৫৬। মটৰ গাড়ী কৰ ঃ

চলিত বিত্তীয় বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈ পৰিবহন বিভাগে মুঠ ২৭০.৮৩ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ই ২০১০-১১ বিত্তীয় বৰ্ষৰ একে সময়ত সংগৃহীত ৰাজহতকৈ ২৬



**শতাংশ** অধিক। চলিত বিত্তীয় বৰ্ষৰ মাৰ্চ মাহলৈ এই ৰাজহ সংগ্ৰহৰ **পৰিমাণ** ৩০০ কোটি টকালৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। **আগন্তুক** বিত্তীয় বৰ্ষৰ বাবে এই শিতানত ৩৩৫ কোটি টকা ৰাজহ **সংগ্ৰহৰ** লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। ২০১১ চনৰ চেপ্তেম্বৰ মাহৰ পৰা **কাৰ্যকৰী** হোৱা পথ সুৰক্ষা শুল্কৰ পৰা চলিত বিত্তীয় বৰ্ষত ১ কোটি **টকা** সংগ্ৰহ হ'ব বুলি আশা কৰা হৈছে। এই শুল্ক আগন্তুক বিত্তীয় **বৰ্ষতো** বলবৎ থাকিব। মটৰ গাড়ী আইনৰ বিভিন্ন ধাৰা আৰু নীতি **নিয়ম** উলংঘা কৰা অপৰাধী সকলৰ বিৰুদ্ধে চলি থকা বিশেষ **অভিযান** অহা বিত্তীয় বৰ্ষতো চলাই যোৱা হ'ব। অনাদায় হৈ পৰি **থকা** ৰাজহ শীঘ্ৰে আদায় কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট গাড়ীৰ মালিক **সকলৰ** ওপৰত আইনমতে ৰাজহ দাবীৰ জাননি জাৰি কৰিবলৈ **সকলো** জিলা পৰিবহন বিষয়াক নিৰ্দেশ দিয়া হৈছে।

৫৭। আৱকাৰী শুল্ক

৫৭.১ আৱকাৰী শুল্কৰ পৰা ৰাজ্য চৰকাৰে এক বৃহৎ পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰে। অৱশ্যে স্বাস্থ্যৰ বাবে হানিকাৰক সুৰাৰ অবাধ প্ৰচলন আৰু অবৈধ সুৰাৰ উৎপাদন তথা বিক্ৰী প্ৰতিহত কৰিবলৈ মই যাৱতীয় সকলো ব্যৱস্থা লবলৈ আৱকাৰী বিভাগক নিৰ্দেশ দিছো। তাৰ ফলত ৰাজহ কিছু হেৰুৱাবলগীয়া হ'লেও আমি দ্বিধাবোধ কৰা নাই।

৫৭.২ চলিত বিত্তীয় বৰ্ষৰ ডিচেম্বৰ মাহলৈ আমি ৩৫৩.৯৩ কোটি টকা আৱকাৰী ৰাজহ হিচাপে সংগ্ৰহ কৰিছো। ইতিমধ্যে ২০১০-১১ সম্পূৰ্ণ বিত্তীয় বৰ্ষটোত সংগ্ৰহ হোৱা মুঠ ৩২২.২২ কোটি টকা অতিক্ৰম কৰিছে। আৱকাৰী ৰাজহ সংগ্ৰহৰ বৰ্তমানৰ ধাৰা অব্যাহত থাকিলে এই বছৰৰ মাৰ্চ মাহৰ শেষলৈ এই ৰাজহ সংগ্ৰহৰ

পৰিমাণ ৪৮০ কোটি টকা হ'বগৈ বুলি আশা কৰা হৈছে। আগন্তুক বিত্তীয় বৰ্ষত এই ৰাজহ সংগ্ৰহৰ পৰিমাণ ৫৩০ কোটি টকালৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে।

৫৭.৩ চলিত বিত্তীয় বৰ্ষত বিভিন্ন অনুমতি পত্ৰৰ বাবদ আৰু সুৰা পৰিবহণৰ বাবদ দিবলগীয়া মাচুলৰ নিৰিখ সমূহ বৃদ্ধি কৰা হৈছে। ২০১১ চনৰ পৰা দেশীয় সুৰাৰ নিলাম পদ্ধতিৰে বন্দোবস্তি কৰাৰ ব্যৱস্থা কৰা হৈছে। ৰাজহ ফাঁকি দিয়াৰ সুৰুঙা সমূহ বন্ধ কৰাৰ উদ্দেশ্যে বিদেশী সুৰাৰ বটলত হ'লগ্ৰাম অৰ্থাৎ বিশেষ ছাপ মৰাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। অবৈধ সুৰাৰ উৎপাদন আৰু বিক্ৰী বন্ধ কৰাৰ উদ্দেশ্যে তালাচি অভিযান অধিক শক্তিশালী কৰি তোলা হৈছে। ইয়াৰ বাবে একোগৰাকী উপ-আৱকাৰী-আয়ুক্তৰ নেতৃত্বত ২০১১ চনৰ জুন মাহত চাৰিটা বিশেষ গোট (টাস্ক ফ'ৰ্চ) গঠন কৰা হৈছে। চলিত বিত্তীয় বৰ্ষৰ চেপ্তেম্বৰ মাহলৈ ৰাজ্যত মুঠ ১৫,৪২৫ টা আৱকাৰী গোচৰ পঞ্জীয়ণ কৰা হৈছে।

৫৭.৪। ৰাজ্যিক মাদক দ্ৰব্য বিৰোধী আৰু নিবাৰণি পৰিষদে যাতে মাদক দ্ৰব্য ব্যৱহাৰৰ কুফল আৰু হানিকাৰক দিশ সমূহৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি যাব পাৰে, তাৰ বাবে এই স্বায়ত্ব শাসিত পৰিষদখনক মোৰ চৰকাৰে সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়াই যাব।

৫৮। মাটিৰ খাজনা, ষ্টাম ডিউটি আৰু পঞ্জীয়ণ ঃ

মৌজাদাৰৰ জৰিয়তে ভূমি ৰাজহ সংগ্ৰহ কৰা পদ্ধতিটোত পৰ্য্যায়ক্ৰমে কম্পিউটাৰৰ সংযোজন কৰা হ'ব যাতে



পট্টাদাৰ সকলে অ'ন লাইন (on line) ৰ মাধ্যমেৰে মাটিৰ খাজানা আদায় দিব পাৰে।

কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলা দুখনত Stock Holding Corporation of India ৰ সহযোগত পঞ্জীভুক্ত বিভিন্ন নথিপত্ৰৰ বাবদ সংগ্ৰহ কৰিবলগীয়া মাচুল (Stamp Duty & stamping ) ইলেকট্ৰনিক টিকটৰ জৰিয়তে আহৰণ কৰাৰ নতুন পদ্ধতি পৰীক্ষামূলক ভাবে ইতিমধ্যে প্ৰৱৰ্ত্তন কৰা হৈছে। এই নতুন পদ্ধতিটো খুব ফলপ্ৰসু হৈছে। ইয়াৰ ফলত টিকটৰ নাটনিৰ পৰা উদ্ভৱ হোৱা সমস্যাৰ আশু সমাধান কৰিব পৰা যায়। সেই বাবে আগন্তুক বিত্তীয় বৰ্ষত এই নতুন ই-ষ্টামপিং (e-stamping ) পদ্ধতিটো ৰাজ্যৰ আন আন জিলালৈ সম্প্ৰসাৰিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।

৫৯। বানিজ্যিক কৰ ঃ

৫৯.১। বিত্ত (কৰ আৰোপন) বিভাগ ৰাজ্যৰ বৃহৎ অংশৰ কৰ ৰাজহ সংগ্ৰহৰ বাবে দায়বদ্ধ। ৰাজ্যৰ নিজাববীয়া কৰ সংগ্ৰহৰ ৮০ শতাংশতকৈ অধিক ৰাজহ এই বিভাগে সংগ্ৰহ কৰে। ২০১০-১১ বিত্তীয় বৰ্ষৰ নিৰ্দ্ধাৰিত লক্ষ্য ৪৪৯৮ কোটি টকাৰ বিপৰীতে ৫১৮৫.৫৯ কোটি টকা এই বিভাগে সংগ্ৰহ কৰে আৰু নিৰ্দ্ধাৰিত লক্ষ্যৰ বিপৰীতে এই সংগ্ৰহৰ হাৰ ১১৫ শতাংশ আৰু ২০০৯-১০ বৃত্তীয় বৰ্ষৰ মুঠ সংগ্ৰহ ৪৪০৪.৯১ কোটি টকাৰ বিপৰীতে ইয়াৰ বৃদ্ধিৰ হাৰ আছিল ১৮ শতাংশ।

৫৯.২। চলিত বৰ্ষ ২০১১-১২ চনৰ বাবে ৰাজ্য চৰকাৰে কৰ বিভাগৰ বাবে কৰ সংগ্ৰহৰ লক্ষ্য ৫৬৮৪.৬২ কোটি টকা ধাৰ্য্য কৰিছিল। বিভাগটোৱে চলিত বিত্তীয় বৰ্ষ জানুৱাৰী মাহলৈকে

সাময়িক হিচাপত (Provisional) ৫২৪৬.৬৮ কোটি টকা কৰ সংগ্ৰহ কৰে আৰু ইয়াৰ বিপৰীতে যোৱা বিত্তীয় বৰ্ষৰ জানুৱাৰী মাহলৈকে সংগ্ৰহ হোৱা কৰৰ পৰিমাণ আছিল ৩৮৩৩.১৮ কোটি টকা। তুলনামূলক ভাৱে চলিত বিত্তীয় বৰ্ষৰ জানুৱাৰী মাহলৈকে কৰ সংগ্ৰহৰ বৃদ্ধিৰ হাৰ ৩৭ শতাংশ। এই কৰ সংগ্ৰহ চলিত বিত্তীয় বৰ্ষৰ লক্ষ্যৰ বিপৰীতে ৯২ শতাংশ। বৰ্তমানৰ কৰ সংগ্ৰহৰ পৰিমাণ বিবেচনা কৰি দেখা যায় যে বিভাগটোৱে চলিত বিত্তীয় বৰ্ষৰ বাবে চৰকাৰে ধাৰ্য্য কৰা কৰ সংগ্ৰহৰ লক্ষ্য অতিক্ৰম কৰিব পাৰিব।

৫৯.৩। অসম মূল্য সংযোজিত কৰ আইন, ২০০৩, ১ মে’ ২০০৫ ৰ পৰা প্ৰৱৰ্তন কৰা হয়। এই আইনৰ অধীনত ২০১০-১১ বিত্তীয় বৰ্ষত ৩৯৫২.২০ কোটি টকা কৰ সংগৃহীত হয়। আনহাতে ২০০৯-১০ বিত্তীয় বৰ্ষত সংগৃহীত কৰৰ পৰিমাণ আছিল ৩২২৯.৪৪ কোটি টকা আৰু ২০০৯-১০ বৰ্ষৰ তুলনাত ২০১০-১১ বিত্তীয় বৰ্ষত এই কৰৰ বৃদ্ধিৰ হাৰ আছিল ২২ শতাংশ। এই ভেট আইনৰ অধীনত যোৱা বিত্তীয় বৰ্ষৰ জানুৱাৰী মাহলৈকে সাময়িক হিচাপত কৰ সংগ্ৰহৰ পৰিমাণ আছিল ২৯৩৭.১৩ কোটি টকা আৰু চলিত বিত্তীয় বৰ্ষৰ জানুৱাৰী মাহলৈকে এই কৰৰ পৰিমাণ হ’ল ৪১১৪.৬৭ কোটি টকা আৰু ২০১২ চনৰ জানুৱাৰীলৈকে বৃদ্ধিৰ হাৰ হৈছে ৪০ শতাংশ।

৫৯.৪। যোৱা বাজেটত দিয়া প্ৰতিশ্ৰুতি মৰ্মে অনলাইন ব্যৱস্থাৰ জৰিয়তে কৰ প্ৰবিৱৰণ (Return) দাখিল কৰাৰ সুবিধা ইং ১/২/২০১১ চনৰ পৰা কাৰ্য্যকৰী কৰা হয়। বৰ্তমানে যিসকল পঞ্জীয়ণভুক্ত ব্যৱসায়ীৰ (Registered dealer) বছৰি মুঠ বিক্ৰীৰ পৰিমাণ এক কোটি টকাৰ অধিক তেওঁলোকক প্ৰবিৱৰণ (Return)



অ’নলাইন যোগে দাখিল কৰাৰ সুবিধা দিয়া হৈছে। ইং ১/৪/২০১২ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ইয়াৰ পৰিমাণ ৪০ লাখ টকালৈ কমোৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

৫৯.৫। মই ভাৰতীয় ষ্টেট বেংক (SBI), IDBI আৰু Union Bank of India ৰ যোগেদি কৰ দাতা সকলে তেওঁলোকৰ দিবলগীয়া কৰ অনলাইনৰ যোগেদি জমা কৰাৰ সুবিধা প্ৰৱৰ্তন কৰিছো। এই সুবিধা আৰম্ভ কৰাৰ পিচত ব্যৱসায়ী সকলে এতিয়া অনলাইন যোগে কৰ জমা কৰিব পাৰে। এইটো উৎসাহজনক কথা যে চলিত বিত্তীয় বৰ্ষত মুঠ কৰ আদায়ৰ প্ৰায় ৫৫ শতাংশ পৰিমাণৰ কৰ e-payment ৰ জৰিয়তে আদায় কৰা হৈছে।

৫৯.৬। চলিত বিত্তীয় বৰ্ষৰ নবেম্বৰ মাহৰ ১ তাৰিখৰ পৰা পথ পৰিবহনৰ দ্বাৰা অনা বয় বস্তুৰ তথ্য সমূহৰ বাবে e-filing of data system ৰ প্ৰৱৰ্তন কৰা হৈছে। এই নতুন ব্যৱস্থাৰ যোগেদি সকলো পথ পৰিবহনকাৰীয়ে কঢ়িয়াই নিয়া বস্তুৰ বিতং তথ্য সমূহ বাধ্যতামূলক ভাৱে অ’নলাইন যোগে দাখিল কৰিব লাগে। এই নতুন ব্যৱস্থাপনাত এটা Vehicle Tracking Number (VTN) সৃষ্টি হয়। এই ভি টি এন ব্যৱস্থাই নিৰীক্ষণ চকীত অপেক্ষা কৰিবলগীয়া সময় যথেষ্টখিনি হ্ৰাস কৰিছে আৰু কৰ-ফাঁকি তথা অন্যান্য অনিয়মও উল্লেখনীয় ভাৱে হ্ৰাস কৰিছে।

৫৯.৭। ৰেলৱেৰ যোগেদি অহা সামগ্ৰীৰ তথ্য অ’নলাইনৰ দ্বাৰা অন্তৰ্ভূক্ত কৰাৰ ব্যৱস্থা ইং ১/১/২০১২ তাৰিখৰ পৰা প্ৰৱৰ্তন কৰা হৈছে। শ্ৰীৰামপুৰত নিৰ্মাণ কৰা একত্ৰিত পৰীক্ষণ চকী ইতিমধ্যে কাৰ্য্যকৰী কৰা হৈছে।

৫৯.৮। ব্যৱসায়ীসকলক কৰ আদায় দিয়াৰ সুবিধাৰ্থে **মই তলত** উল্লেখ কৰা নতুন ব্যৱস্থাৱলী অহা বিত্তীয় বৰ্ষৰ **পৰা প্ৰৱৰ্ত্তন** কৰিবলৈ প্ৰস্তাৱ ৰাখিছো।

ক) সকলো ব্যৱসায়ীৰ বাবে E-registration ব্যৱস্থা।

খ) অ'নলাইন যোগেদি আইনগত প্ৰপত্ৰ **যেনে 'চি'** আৰু 'এফ' যোগান দিয়া ব্যৱস্থা।

গ) E-payment ৰ ব্যৱস্থাৰ ক্ষেত্ৰত আৰু **অধিক** বেংকৰ অৰ্ন্তভুক্তিকৰণ।

৫৯.৯ মাননীয় সদস্যবৃন্দ জ্ঞাত যে ভাৰত চৰকাৰ আৰু **ৰাজ্য** চৰকাৰ সমূহে কেন্দ্ৰীয় আৱকাৰী শুল্ক, বাজ্যিক ভেট আৰু **আন** কিছু ৰাজ্যিক তথা কেন্দ্ৰীয় কৰৰ সলনি দ্ৰব্য আৰু **সেৱা কৰ** (GST) প্ৰবৰ্তন কৰাৰ দিশত আগবাঢ়িছে। সেয়েহে এই **মুহূৰ্ত্তত মই** বৰ্তমানৰ কৰ গাঁথনিত কোনো গুৰুত্বপূৰ্ণ পৰিবৰ্তন আনিব **বিচৰা** নাই। তাৰোপৰি বিশ্ব অৰ্থনীতিৰ মন্থৰতাই ৰাষ্ট্ৰীয় তথা **ৰাজ্যিক** অৰ্থনীতিত কিছু বিৰূপ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনাই দেখা দিছে যাৰ বাবে বিনিয়োগ আৰু উৎপাদনৰ ক্ষেত্ৰত কেতবোৰ উদ্‌গনি জৰুৰী হৈ পৰিছে। কিছুমান সা-সামগ্ৰীৰ মূল্য বৃদ্ধিয়েও জন-সাধাৰণৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। ৰাজ্য খনত বিনিয়োগ আৰু উৎপাদন বৃদ্ধি তথা গ্ৰাহকক সকাহ দিয়াৰ উদ্দেশ্যে মই কোনো নতুন কৰাৰোপণ নকৰাকৈ আৰু কিছুমান সামগ্ৰীৰ ওপৰত কৰ হ্ৰাস কৰি এখন কৰ মুক্ত বাজেট দাখিল কৰাৰ প্ৰস্তাৱ লৈছো।



**কৰ প্ৰস্তাৱঃ**

**(ক)** ঔদ্যোগিক যন্ত্ৰপাতি আৰু কেঁচা মালৰ ওপৰত **আৰোপিত** প্ৰৱেশ কৰ উঠাই লবলৈ উদ্যোগ সমূহে সময়ে সময়ে **দাবী** জনাই আহিছিল। কিন্তু এনে সামগ্ৰী সমূহৰ ওপৰত প্ৰৱেশ কৰ **একেবাৰে** বিলুপ্ত কৰাৰ বিষয়টো বিবেচনা কৰিব পৰা নাযায়। **উদ্যোগ সমূহক** কিছু সকাহ দিয়াৰ বাবে সেয়েহে মই প্ৰস্তাৱ ৰাখিছো **যে যিবোৰ** ক্ষুদ্ৰ উদ্যোগত যন্তপাতিত বিনিয়োগৰ পৰিমাণ ৫ কোটি **টকালৈ,** তেনে উদ্যোগে যন্ত্ৰ-পাতি আমদানি কৰাৰ বাবে কেৱল ০.২৫ শতাংশ হাৰত প্ৰৱেশ কৰ দিব আৰু মধ্যমীয়া আকাৰৰ **উদ্যোগ** যিবোৰত যন্ত্ৰ-পাতি বিনিয়োগৰ পৰিমাণ ১০ কোটি টকালৈ, **তেনে** উদ্যোগ সমূহে যন্ত্ৰ-পাতি আমদানীৰ বাবে ০.৫ শতাংশ হাৰত **প্ৰৱেশ** কৰ দিব। যিসমূহ উদ্যোগত যন্ত্ৰ-পাতি বিনিয়োগৰ পৰিমাণ ১০ কোটি টকাতকৈ অধিক, তেনে উদ্যোগে যন্ত্ৰ-পাতি আমদানিৰ **বাবে** হ্ৰাসকৃত ১ শতাংশ হাৰত প্ৰৱেশ কৰ আদায় দিব লাগিব। এই **ব্যৱস্থাই** থলুৱা উদ্যোগসমূহক উৎসাহিত কৰিব। এই ৰেহাইৰ বাবে **ৰাজ্যই** বছৰি প্ৰায় ২০ কোটি টকা ৰাজহ হেৰুৱাব বুলি অনুমান **কৰা** হৈছে।

**(খ)** বৰ্তমানে সকলো প্ৰকাৰৰ কাগজত অসম প্ৰৱেশ কৰ আইন, ২০০৮ আৰোপিত হয়। ক্ৰাফ্ট কাগজ (Kraft paper) কাগজৰ বাকচ সজা উদ্যোগ সমূহৰ প্ৰধান কেঁচামাল হিচাবে ব্যৱহৃত হৈ আহিছে। এইবিধ সামগ্ৰী আমাৰ ৰাজ্যত পোৱা নাযায়। সেয়েহে স্থানীয় উদ্যোগ সমূহে এই সামগ্ৰী সমূহ ৰাজ্যৰ বাহিৰৰ পৰা আমদানি কৰে। ফলত এই উদ্যোগ সমূহৰ উৎপাদনৰ ব্যয় বৃদ্ধি পায় আৰু সেই বাবে এই উদ্যোগ সমূহে ৰাজ্যৰ বাহিৰৰ তেনে উদ্যোগৰ

লগত ফেৰ মাৰিব নোৱাৰাবে। কৰ'গেটেড কাগজৰ বাকচ সজা থলুৱা উদ্যোগ সমূহক উৎসাহিত কৰাৰ বাবে মই ক্ৰাফ্ট কাগজৰ ওপৰত আৰোপিত প্ৰবেশকৰ উঠাইলোৱাৰ প্ৰস্তাৱ ৰাখিছো। বৰ্তমান ৰাজ্যত ৩০টাতকৈ অধিক এনে উদ্যোগ আছে আৰু তাত প্ৰায় ২০০০ কৰ্মসংস্থাপন সৃষ্টি হৈছে। তাৰোপৰি এই বাকচ সমূহ পৰিবেশৰ অনুকুল (Eco-friendly)। এই কৰ ৰেহাইৰ বাবে ৰাজ্যই বছৰি প্ৰায় ১.৫ কোটি টকাৰ ৰাজহ হেৰুৱাব।

(গ) আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য সমূহে কিছু সামগ্ৰীৰ ওপৰত আৰোপিত মুল্য সংযোজিত কৰ (VAT) ৰ হাৰ হ্ৰাস কৰাৰ বাবে আমাৰ ৰাজ্যৰ কিছু ব্যৱসায় আন ঠাইলৈ স্থানান্তৰীত হৈছে। যদিও এই প্ৰস্তাৱৰ বাবে আমাৰ ৰাজ্যৰ ৰাজহ প্ৰায় ৩.৫০ কোটি টকা হ্ৰাস পাব তথাপি থলুৱা উদ্যোগ আৰু বানিজ্যক ৰক্ষণা-বেক্ষণ দিয়াৰ বাবে মই কিছু সামগ্ৰীৰ ওপৰত আৰোপিত মূল্য সংযোজিত কৰ (VAT) ৰ হাৰ ১৩.৫ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ ৰাখিছো। এই সামগ্ৰী সমূহ হ'ল মৌ, গ্লু'কজ, এক্সট্ৰা নেচাৰেল এলকহল, কোল টাৰ, বেলৰে কংক্ৰিত শ্লীপাৰ আৰু ফ্লাচ দুৱাৰ।

(ঘ) চৰকাৰে ৰাজ্যত দ্ৰুত ঔদ্যোগীকৰণৰ বাবে ঔদ্যোগিক আৰু বিনিয়োগ নীতি, ২০০৮ (Industrial and Investment Policy, 2008) ৰ যোগেদি উদ্যোগ সমূহক কৰ ৰেহাই আৰু আন বহুতো সুবিধা আগবঢ়াইছে। তাৰোপৰি চৰকাৰে বৃহৎ উদ্যোগ স্থাপনৰ বাবে বিশেষ সুবিধা দিয়াৰ কথা ঘোষণা কৰিছে আৰু সেই কাৰণে যথেষ্ট সংখ্যক উদ্যোগে ৰাজ্যত উৎপাদন আৰম্ভ কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে এই বিশেষ ৰেহাই সমূহৰ ফলত



হোৱা ৰাজহ ক্ষতিৰ পৰিমাণৰ তুলনাত নিয়োগ বৃদ্ধি তথা জনসাধাৰণে লাভ কৰা সুফলৰ মাত্ৰা আপেক্ষিক ভাৱে কম। গতিকে মই এনে উদ্যোগ সমূহক, বিশেষকৈ চিমেন্ট তথা লোহা আৰু ইস্পাত উদ্যোগসমূহে লাভ কৰা কৰ ৰেহাই সুবিধাৰ কিছু অংশ তেওঁলোকৰ দ্বাৰা উৎপাদিত সামগ্ৰিৰ মূল্য হ্ৰাসৰ জৰিয়তে ৰাজ্যৰ উপভোক্তা সকললৈ আগবঢ়াবলৈ আহ্বান জনাইছোঁ। অন্যথাই চৰকাৰে ৰাজ্যৰ ঔদ্যোগিক নীতিৰ পূনবীক্ষণ কৰিবলৈ আৰু জনসাধাৰণৰ সুবিধা হোৱাকৈ নতুন আইন প্ৰনয়ণ কৰাৰ ব্যৱস্থা লবলৈ বাধ্য হ'ব।

(ঙ) যোৱা বাজেটত, আমিনগাঁৱৰ ইনলেণ্ড কন্টেইনাৰ ডিপোট (Inland Container Depot)ৰ পৰা ৰপ্তানিকৃত প্ৰতি কিলোগ্ৰাম চাহৰ বাবদ কৃষি আয়কৰৰ বাবে প্ৰযোজ্য কৃষি আয়ৰ পৰা ৰেহাই ১ এপ্ৰিল, ২০১১ চনৰ পৰা এবছৰৰ বাবে প্ৰতি কিলোগ্ৰামত ৫ টকাৰ পৰা ৬ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰখা হৈছিল। উক্ত ৰেহাই য়ে অসমৰ চাহ ৰপ্তানিৰ ক্ষেত্ৰত এক যোগাত্মক প্ৰভাৱ পেলাইছে। Inland Container Depot ৰ পৰা ৰপ্তানিৰ ধাৰাবাহিকতা বজাই ৰখা আৰু ইয়াৰ সুস্থিৰতাৰ বাবে এই ৬ টকা ৰেহাই ১ এপ্ৰিল, ২০১২ চনৰ পৰা আৰু এবছৰলৈ বঢ়াই দিয়াৰ প্ৰস্তাৱ ৰাখিছোঁ।

(চ) গুৱাহাটী চাহ নিলাম কেন্দ্ৰই (GTAC) ৰাজ্যৰ বাহিৰৰ চাহ নিলাম কেন্দ্ৰ সমূহৰ পৰা তীব্ৰ প্ৰতিদ্বন্দিতাৰ সন্মূখীন হৈছে আৰু গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ চাহ নিলামৰ পৰিমাণ বাকীবোৰ চাহ নিলাম কেন্দ্ৰৰ তুলনাত বৃদ্ধি হোৱা নাই। গতিকে গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ যোগেদি নিলাম বৃদ্ধি কৰাক উৎসাহ দিয়াৰ অৰ্থে মই

এই নিলাম বিক্ৰীত প্ৰযোজ্য হোৱা কৰ ১ শতাংশৰ পৰা ০.৫ শতাংশলৈ আৰু ব্যক্তিগত ব্যৱস্থাপনাৰ যোগেদি বিক্ৰী (Private arrangement sale) ৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা **কৰৰ পৰিমাণ** বৰ্তমানৰ ২ শতাংশৰ পৰা ১ শতাংশলৈ হ্ৰাস কৰাৰ **প্ৰস্তাৱ ৰাখিছো** - যদিও ইয়াৰ দ্বাৰা বছৰি প্ৰায় ১০ কোটি টকাৰ **ৰাজহ হ্ৰাস হ'ব।** আশা ৰাখিছো যে ইয়াৰ ফলত চাহ নিলাম আৰু **ব্যক্তিগত** ব্যৱস্থাপনাৰ যোগেদি বিক্ৰীহোৱা চাহৰ পৰিমাণ বৃদ্ধি পাই তদনুৰূপে ৰাজহ বৃদ্ধিত কিছু অৰিহনা যোগাব।

(ছ) বিকাশৰ বৃহৎ সম্ভাৱনা থকা পৰ্যটন ক্ষেত্ৰ খনৰ **পৰিসৰ** বৃদ্ধি কৰাত উদ্‌গনি দিয়াৰ অৰ্থে মই প্ৰস্তাৱ ৰাখিছো যে **হোটেল** সমূহৰ ১০০০ টকাৰ তলৰ নিৰিখৰ কোঠাসমূহৰ বিলাস **কৰ** (Luxury Tax ) প্ৰযোজ্য নহব আৰু মই এনে **কৰৰ হাৰ যুক্তি** সংগত কৰাৰ প্ৰস্তাৱ ৰাখিছো, যাৰ ফলত বছৰি প্ৰায় ৩ **কোটি টকা** ৰাজহ হেৰুৱাবলগীয়া হ'ব। মই এই কৰৰ হাৰ যুক্তি সংগত **কৰাৰ** বাবে তলত দিয়া ধৰণে প্ৰস্তাৱ ৰাখিছো -

| **কোঠাৰ ভাড়াৰ নিৰিখ** | **কৰৰ হাৰ** |
|---|---|
| **১০০০ টকাৰ পৰা ২০০০ টকাৰ তলত** | **৫ শতাংশ** |
| **২০০০ টকাৰ পৰা ৩০০০ টকাৰ তলত** | **৮ শতাংশ** |
| **৩০০০ টকা আৰু তাৰ ওপৰত** | **১২ শতাংশ** |

৬০। **বাজেট প্ৰাক্‌কলন ২০১২-১৩ ঃ**



এতিয়া মই ২০১২-১৩ বিত্তীয় বছৰটোৰ বাজেট **প্ৰাক্‌কলন** উত্থাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছো। **পাঁচ** বছৰীয়া বিত্তীয় বিৱৰণ আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু **বাজেট** পৰিচালনা আইন, ২০০৫'ৰ অধীনত দাখিল কৰিবলগীয়া **প্ৰবিৱৰনো** পবিত্ৰ সদনত বাজেট নথিৰ লগত আন এখন সুকীয়া **"পুস্তিকাৰ"** ৰূপত দাখিল কৰা হ'ল।

২০১২-১৩ চনৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিত মুঠ ৪২,৩৮০.৬৮ কোটি টকা ৰাজহ আদায় দেখুওৱা হৈছে। তাৰে ৩৭,৬৬২.৮৪কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ৪৭১৭.৮৪ কোটি টকা মূলধন শিতানত। একত্ৰীকৃত নিধিৰ মুঠ ৰাজহ আদায়ৰ সমীক্ষাটো ২ নম্বৰ তালিকাত দেখুওৱা হৈছে। ৰাজহুৱা খণ্ডৰ অধীনত ২৪৩,৯১৬.০৬ কোটি টকা আৰু উপনিমিত্ত পুঁজিৰ ৫০.০০ কোটি টকা আদায়ৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ২৮৬,৩৪৬.৭৪ কোটি টকা। একত্ৰীকৃত নিধিৰ ২০১২-১৩ চনৰ সৰ্ব মুঠ ব্যয়ৰ পৰিমাণ হ'ব ৪৩,১৫১.৭৯ কোটি টকা। ইয়াৰে ৰাজহ শিতানত ৩৬,২৯৮.৮৬ কোটি টকা আৰু মূলধন শিতানত ৬৮৫২.৯৩ কোটি টকা। ২ নম্বৰ তালিকাত ২০১২-১৩ চনত একত্ৰীকৃত নিধিৰ মঞ্জুৰী অনুযায়ী ব্যয় সমূহো বিতং ভাৱে দেখুওৱা হৈছে। এতেকে ৰাজহুৱা খণ্ডত হোৱা ব্যয়ৰ ২৪২,৩৫৯.২৮ কোটি টকা আৰু উপনিমিত্ত পুঁজিৰ ৫০.০০ কোটি টকাকে ধৰি বছৰটোত সৰ্বমুঠ ব্যয়ৰ পৰিমাণ হ'ব ২৮৫,৫৬১.০৭ কোটি টকা। ফলত বছৰটোত হোৱা লেন দেনৰ বাবদ ৭৮৫.৬৭ কোটি টকাৰ ৰাহি হব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণিৰ ১০৭৯.১১ কোটি টকা ঘাটি

যোগ দিলে ২০১২-১৩ বিত্তীয় বছৰটোৰ শেষত ঘাটিৰ পৰিমাণ ২৯৩.৪৪ কোটি টকা হবগৈ।

সৰ্বশেষত মই পবিত্ৰ সদনক জনাব খোজো যে ত্ৰয়োদশ বিত্তীয় আয়োগৰ পৰামৰ্শৱলী আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা (সংশোধনি) বিধেয়ক, ২০১১ৰ লক্ষ্য অনুসৰি আমি, ৩১/৩/২০১৩ ৰ ভিতৰত বাজহ ঘাটি নিৰ্মূল কৰা আৰু বিত্তীয় ঘাটি জি এচ ডি পিৰ ৩ শতাংশৰ ভিতৰলৈ অনাটো প্ৰয়োজনীয়। মই মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো যে মোৰ ২০১২-১৩ বৰ্ষৰ বাজেট প্ৰস্তাৱত ৩১-৩-২০১৩ তাৰিখত বাজহ শিতানত ১৩৬৩.৯৮ কোটি টকাৰ বাহি আৰু বিত্তীয় ঘাটি ৩৮৮৬.১১ কোটি টকা হৈছেগৈ যিটো জি এচ ডি পিৰ ২.৯৯ শতাংশ।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাষণ ইমানতে সামৰি এই বাজেটখন মই পবিত্ৰ সদনত বিবেচনাৰ বাবে আগবঢ়ালোঁ।

জয় আই অসম
জয় হিন্দ



Table-1

**Estimates of Inflows into the Consolidated Fund of the State during 2012-2013**

***(Rupees in Crores)***

| | |
|---|---|
| State Tax | 8009.23 |
| Non Tax Revenue | 3487.47 |
| Share of Central Taxes | 11008.69 |
| State Plan Grants | 7373.73 |
| Non Plan Grants from Centre | 3295.41 |
| Grants from the Centre (CSS, NEC, NLCPR etc) | 4488.30 |
| Loans from the Centre | 141.59 |
| Internal Debt | 4544.89 |
| Recoveries of Loans & Advances | 31.37 |
| Total | 42380.68 |